www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

PRGI REGD. NO. : ASASS/25/A2361

# অসম বাৰ্তা

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

□ প্ৰথম বছৰ □ সংখ্যা- ১৮০ □ বৃহস্পতিবাৰ □ ৩০ এপ্ৰিল, ২০২৬ চন □ Volume/Year- I □ Issue- 180 □ Thursday □ 30th April, 2026 □ Asom Barta, Majuli □ PRGI Reg. No.- ASASS/25/A2361 □ Price- Rs. 10 □ Total Page- 8

বিলাসী জীৱন যাপনত অভ্যস্ত হৈ পৰাটো হৈছে জীৱনৰ আটাইতকৈ দুখঃজনক ঘটনা। —চাৰ্লি চেপলিন

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

## বিজেপিৰ চিপৰাং ৰাজনীতিৰ জাল কংগ্ৰেছৰ জয়ৰ বাবে সহায়ক হ'ব ঃ ৰিপুণ বৰা

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৯ এপ্ৰিল ঃ** অসমৰ ৰাজনৈতিক মহলত বৰ্তমান চিপৰাং ইস্যুই তুমুল চাঞ্চল্যৰ সৃষ্টি কৰিছে। বিজেপিৰ ভিতৰুৱা এই বিতৰ্কই অন্যান্য দলৰ মনোযোগও আকৰ্ষণ কৰিছে। ইয়াৰ মাজতে কংগ্ৰেছৰ জ্যেষ্ঠ নেতা তথা পূৰ্বৰ সভাপতি ৰিপুণ বৰাই বুধবাৰে মঙলদৈ মহাবিদ্যালয়ত স্থাপন কৰা ষ্ট্ৰংৰুম পৰিদৰ্শন ❑ ৬ পৃষ্ঠাত

## পৰাজয়ৰ ভয়ত হিমন্তই কূটকৌশল ৰচনা কৰিব পাৰে ঃ ৰকিবুল হুছেইন

কেইজনমান সাংবাদিকে সাংবাদিকতা এৰি বিজেপিৰ হৈ কাম কৰি আছেঃ মীৰা বৰঠাকুৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৯ এপ্ৰিল ঃ** অসম বিধানসভা নিৰ্বাচনৰ এগজিট প'ল প্ৰকাশৰ প্ৰাক্কক্ষণত কংগ্ৰেছ দলে নগাঁও জিলাত এক সংবাদমেলৰ আয়োজন কৰি শাসকীয় দল বিজেপি আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে তীব্ৰ সমালোচনা চলায়। ধুবুৰীৰ সাংসদ তথা চামগুৰি সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী তাঞ্জিল হুছেইনৰ পিতৃ ৰকিবুল হুছেইন আৰু ❑ ৬ পৃষ্ঠাত



বিভিন্ন সংস্থাৰ সমীক্ষাত বিজেপিৰ স্পষ্ট সংখ্যাগৰিষ্ঠতা

# পুনৰ ৰাজপট দখলৰ দিশে বিজেপি মিত্ৰজোট

**নিউজ ডেস্ক, অসম বাৰ্তা, ২৯ এপ্ৰিল ঃ** অসমৰ ৰাজনৈতিক মহলত আজি সন্ধিয়া ৬.৩০ বজাত হুৰহুৰকৈ প্ৰকাশ পাইছে কেইবাখনো আগশাৰীৰ ৰাজনৈতিক সংস্থা আৰু সংবাদ প্ৰতিষ্ঠানৰ এগজিট প'লৰ ফলাফল। এই সমীক্ষাসমূহে প্ৰায় এক সুৰত ভৱিষ্যদ্বাণী কৰিছে যে ১২৬খন আসনবিশিষ্ট অসম বিধানসভাত তৃতীয়বাৰৰ বাবে চৰকাৰ গঠন কৰিব ভাৰতীয় জনতা পাৰ্টি (বিজেপি) নেতৃত্বাধীন মিত্ৰজোঁটে। বিগত ৯ এপ্ৰিলত অনুষ্ঠিত একক পৰ্যায়ৰ নিৰ্বাচনত অসমৰ ভোটাৰে অভিলেখ ৮৫.৩৮ শতাংশ ভোটদানৰ জৰিয়তে এক ইতিহাস সৃষ্টি কৰিছিল। সেই ভোটৰ প্ৰতিফলন ঘটিছে আজি প্ৰকাশিত এগজিট প'লসমূহত। যদিও চূড়ান্ত ফলাফলৰ

| POLLSTERS | BJP | INC | OTH | TOTAL |
|---|---|---|---|---|
| Axis My India | 88-100 | 24-36 | 00-03 | 112–139 |
| Chanakya Strategies | 88-98 | 22-32 | 03-05 | 113–135 |
| Matrize | 85-95 | 25-32 | 06-12 | 116–139 |
| P-MARQ | 82-94 | 30-40 | 01-05 | 113–139 |
| JVC Poll | 88-101 | 23-33 | 02-05 | 113–139 |
| AVERAGE | 92 | 30 | 04 | 126 |

বাবে আগামী ৪ মে'লৈ অপেক্ষা কৰিব লগা হৈছে, তথাপি এই সমীক্ষাই বিজেপি মিত্ৰজোঁটৰ পক্ষত শুভ সংকেত প্ৰেৰণ কৰিছে। ৰাজ্যখনত কেইবাখনো জৰীপ সংস্থাই নিজা সমীক্ষা প্ৰকাশ কৰিছে। প্ৰতিষ্ঠান অনুসৰি আসনৰ ভৱিষ্যদ্বাণী কিছু বেলেগ বেলেগ যদিও ❑ ৬ পৃষ্ঠাত

প্ৰমাণ কৰিব নোৱাৰিলে সমুদায় জব্দকৃত অৰ্থ হস্তান্তৰ কৰা হ'ব জুবিন গাৰ্গৰ পৰিয়ালৰ সদস্য বা গঠন হোৱা কোনো ট্ৰাষ্টলৈ

## সিদ্ধাৰ্থ শৰ্মাৰ বেংক একাউণ্ট আৰু 'মহাবীৰ একুৱা' জব্দৰ নিৰ্দেশ আদালতৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৯ এপ্ৰিল ঃ** প্ৰয়াত শিল্পী জুবিন গাৰ্গৰ মৃত্যু গোচৰত ন্যায়িক প্ৰক্ৰিয়াই আজি এক ডাঙৰ মোৰ লৈছে। বিশেষ ফাষ্ট ট্ৰেক আদালতে প্ৰয়াত শিল্পীগৰাকীৰ প্ৰাক্তন ব্যৱস্থাপক তথা মূল অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাৰ বিৰুদ্ধে এক কঠোৰ ৰায়দান প্ৰদান কৰি কেইবাটাও গুৰুত্বপূৰ্ণ নিৰ্দেশ ❑ ৬ পৃষ্ঠাত





## বামুণীমৈদামত ধাৰাসাৰ বৰষুণৰ পাছত বানপানীত উটি আহিল মানুহৰ কটা ভৰি

### আৰক্ষীৰ অনুসন্ধান আৰম্ভ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৯ এপ্ৰিল ঃ** মহানগৰী গুৱাহাটীৰ বামুণীমৈদাম অঞ্চলত বুধবাৰে পুৱা এক শিহৰণকাৰী ঘটনাই গোটেই অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। ধাৰাসাৰ বৰষুণৰ ফলত সৃষ্টি হোৱা কৃত্ৰিম বানপানীৰ সোঁতত মানুহৰ এটা কটা ভৰি উটি অহা ❑ ৬ পৃষ্ঠাত

## বিজেপিয়ে আমাৰ দলৰ চিপৰাংবোৰ সংগ্ৰহ কৰি নিলে ঃ দেৱব্ৰত শইকীয়া

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৯ এপ্ৰিল ঃ** অসম বিধানসভা নিৰ্বাচনৰ ফলাফল ঘোষণা হ'বলৈ মাত্ৰ কেইটামান দিন বাকী থাকোঁতেই ৰাজ্যৰ ৰাজনীতি চিপৰাং ইস্যুত তীব্ৰ উত্তপ্ত হৈ পৰিছে। এই প্ৰেক্ষাপটতে বিৰোধী দলপতি তথা নাজিৰা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী দেৱব্ৰত শইকীয়াই বুধবাৰে এক চাঞ্চল্যকৰ মন্তব্য কৰি শাসকীয় দল বিজেপিক পোনপটীয়াকৈ আক্ৰমণ কৰিছে। চৰাইদেউ জিলাৰ সদৰ সোণাৰিত উপস্থিত হৈ ❑ ৬ পৃষ্ঠাত

মমতাৰ আত্মবিশ্বাসী; 'এইবাৰো তৃণমূলৰ চৰকাৰ'

## পশ্চিমবংগ বিধানসভা নিৰ্বাচনত দ্বিতীয় পৰ্যায়ত ৭৮.৬৮ শতাংশ ভোটদান

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৯ এপ্ৰিল ঃ** পশ্চিমবংগ বিধানসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ আজি পুৱাৰ পৰা আৰম্ভ হয়। ৰাজ্যখনৰ ১৪২টা সমষ্টিত অনুষ্ঠিত হোৱা এই পৰ্যায়ত দুপৰীয়া ৩ বজালৈকে প্ৰায় ৭৮.৬৮ শতাংশ ভোটদান সাব্যস্ত কৰে ভাৰতীয় নিৰ্বাচন আয়োগে। আজি পুৱাৰে ❑ ৬ পৃষ্ঠাত

▪ চাইবাৰ অপৰাধৰ গোচৰত ধনদাবী আৰু ধন লোৱাৰ অভিযোগ ▪

## গুৱাহাটীত অভিযান চলাবলৈ আহি আটক ছত্তীশগড়ৰ চাৰিজনীয়া আৰক্ষী

দিছপুৰ আৰক্ষীৰ গোচৰ ৰুজু

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৯ এপ্ৰিল ঃ** এক চাঞ্চল্যকৰ ঘটনাত ছত্তীশগড় আৰক্ষীৰ এটা চাৰিজনীয়া দল গুৱাহাটীত অভিযান চলাবলৈ আহিয়েই আটক হোৱাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। চাইবাৰ অপৰাধ গোচৰৰ সৈতে জড়িত লোকৰ পৰা ❑ ৬ পৃষ্ঠাত





❝ গংগা এক্সপ্ৰেছৱে হৈছে উত্তৰ প্ৰদেশ আৰু সমগ্ৰ দেশৰ জীৱনৰেখা ❞

# দেশৰ আটাইতকৈ দীৰ্ঘ আৰু আধুনিক সড়কপথ গংগা এক্সপ্ৰেছৱে উদ্বোধন মোদীৰ



### যুদ্ধ বিমান অৱতৰণৰ বিশেষ ব্যৱস্থা

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২৯ এপ্ৰিল ঃ** উত্তৰ প্ৰদেশৰ উন্নয়নৰ ইতিহাসত এক নতুন অধ্যায় সংযোজিত কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বুধবাৰে ৫৯৪ কিলোমিটাৰ দীৰ্ঘ গংগা এক্সপ্ৰেছৱে উদ্বোধন কৰে। মাত্ৰ ৩ বছৰ ৫ মাহৰ অভিলেখ স্পৰ্শী সময়ত সম্পূৰ্ণ হোৱা এই প্ৰকল্পই ৰাজ্যখনৰ যাতায়াত ব্যৱস্থাত যুগান্তকাৰী পৰিৱৰ্তন আনিব বুলি আশা কৰা হৈছে। গংগা এক্সপ্ৰেছৱে উদ্বোধনী অনুষ্ঠানত ভাষণ দি প্ৰধানমন্ত্ৰী মোদীয়ে কয়, "প্ৰভু নৰসিংহক সেৱা জনাইছোঁ। মাত্ৰ কেইকিলোমিটাৰমান দূৰৈত মা গংগা বৈ আছে। মা গংগাৰ আশীৰ্বাদত উত্তৰ প্ৰদেশ উন্নতিৰ শিখৰত উপনীত হ'ব। এই এক্সপ্ৰেছৱেৰ ফলত আপোনালোকে মাত্ৰ কেইঘণ্টামানৰ ভিতৰতে কাশী ধামত উপস্থিত হ'ব পাৰিব।" তেওঁ ❑ ৬ পৃষ্ঠাত


## দেৱব্ৰত শইকীয়াৰ দৃঢ় দাবী; এগজিট প'ল ভুল, ৰাইজে বিজেপিক প্ৰত্যাখ্যান কৰিছে

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ২৯ এপ্ৰিল ঃ** একেলগে চাৰিখন ৰাজ্য আৰু এখন কেন্দ্ৰীয় শাসিত অঞ্চলৰ বিধানসভা নিৰ্বাচন বুধবাৰে পশ্চিমবংগৰ দ্বিতীয় পৰ্যায়ৰ ভোটদানৰ মাজেৰে সামৰণি পৰিছে। ভোটদান সম্পূৰ্ণ হোৱাৰ লগে লগে বিভিন্ন টেলিভিছন চেনেল আৰু সংস্থাই প্ৰকাশ ❑ ৬ পৃষ্ঠাত


□ নীৰৱতা ভংগ কৰিলে ভাৱনা শৰ্মাই; সামাজিক মাধ্যমতউন্মোচন □

## সম্পৰ্ক বিচ্ছেদ কৰিলে ব্যক্তিগত ফটো, ভিডিঅ' ভাইৰেল কৰাৰ ভাবুকি দি আহিছিল প্ৰেমিক নিহাৰে

"যোৱা দুইবছৰ ধৰি মই নিহাৰজ্যোতি শৰ্মাৰ সৈতে সম্পৰ্কত আছিলোঁ। দুয়োটা পৰিয়ালে এই সম্পৰ্কৰ বিষয়ে জানিছিল। কিন্তু সময় গৈ থকাৰ লগে লগে মই ভীষণ চাপ আৰু ভয় অনুভৱ কৰিবলৈ ধৰিলোঁ।"



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২৯ এপ্ৰিল ঃ** গুৱাহাটীৰ যুৱতী ভাৱনা শৰ্মাৰ ৰহস্যজনক নিৰুদ্দেশৰ ঘটনাই সম্প্ৰতি নতুন মোৰ লৈছে। শ্বিলঙত উদ্ধাৰ হোৱা ভাৱনাই শেষত নীৰৱতা ভংগ কৰি সামাজিক মাধ্যমত এখন ভিডিঅ' প্ৰকাশ কৰি সকলো কথা স্পষ্টকৈ দাঙি ধৰিছে। তেওঁৰ এই ভিডিঅ'টোৱে এতিয়া সমাজ মাধ্যমত ব্যাপক চৰ্চাৰ সূচনা কৰিছে। ভাৱনা শৰ্মাই প্ৰকাশ কৰা ভিডিঅ'ত কয়, "২৪ এপ্ৰিলৰ দিনা মই নিজে ঘৰৰ ❑ ৬ পৃষ্ঠাত



## ভোটগণনাৰ বাবে চূড়ান্ত প্ৰস্তুতি নিৰ্বাচন আয়োগৰ

৪০ কেন্দ্ৰত ৪ মে'ত অনুষ্ঠিত হ'ব গণনা, নিযুক্ত ৫, ৯৮১ কাউণ্টিং বিষয়া; বিজয়ী হৈও সমদল উলিয়াব নোৱাৰিব প্ৰাৰ্থীয়ে

**নিউজ ডেস্ক, অসম বাৰ্তা, ২৯ এপ্ৰিল ঃ** অসম বিধানসভা নিৰ্বাচনৰ ভোটগণনা আৰু ফলাফল ঘোষণাৰ বাবে নিৰ্বাচন আয়োগে সমগ্ৰ প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। অহা ৪ মে'ত অনুষ্ঠিত হ'বলগীয়া ❑ ৬ পৃষ্ঠাত



কলা শাখাত ৯১.৮ শতাংশৰে উজ্জ্বলিল খনামুখৰ এঞ্জেল আৰন্ধৰা

# উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত জাঁজী অঞ্চলৰ শিক্ষানুষ্ঠানৰ আশাপ্ৰদ ফলাফল

**অসম বাৰ্তা, জাঁজী, ২৮ এপ্ৰিল ঃ** আজি ঘোষণা কৰা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলত বৃহত্তৰ জাঁজী অঞ্চলৰ শিক্ষানুষ্ঠান সমূহৰ ফলাফল সন্তোষজনক। জাঁজী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উত্তীৰ্ণৰ হাৰ এশ শতাংশ। বিদ্যালয়খনৰ মুঠ ৬৬ গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত ৪ জনৰ ডিষ্টিংচন, ৮জন ষ্টাৰ নম্বৰ সহ ৪১ জনে প্ৰথম বিভাগ, ২৪ জনে দ্বিতীয় বিভাগত, আৰু ১জন তৃতীয় বিভাগত উত্তীৰ্ণ হয়। ইয়াৰে প্ৰজ্ঞাজ্যোতি বৰুৱাই ৯১ শতাংশ, প্ৰিয়াক্ষী নাথে ৯০'৪ শতাংশ, আশিস দিহিঙীয়া ফুকনে ৮৯'৪ শতাংশ, আৰু হৃদয় হাজৰিকাই ৮৭ শতাংশ লাভ কৰে। জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ বাণিজ্য শাখাৰ উত্তীৰ্ণৰ হাৰ ১০০ শতাংশ। এজন প্ৰথম আৰু এজন দ্বিতীয় বিভাগত উত্তীৰ্ণ হয়। আনহাতে কলা শাখাত ৬২ জনৰ ভিতৰত ৬০জন উত্তীৰ্ণ হয়। উত্তীৰ্ণ হাৰ ৮১.২ শতাংশ। শিক্ষানুষ্ঠান খনৰ ১৯ জনে প্ৰথম, ৩২ জনে দ্বিতীয়, আৰু ৯ জনে তৃতীয় বিভাগত উত্তীৰ্ণ হয়। খনামুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ৬৯ জনৰ ভিতৰত ৬৮জন উতীৰ্ণ হয়। প্ৰথম বিভাগত ১৪, দ্বিতীয় বিভাগত ৪১, আৰু তৃতীয় বিভাগত ১৩জন উতীৰ্ণ হয়। উতীৰ্ণ ৰ হাৰ ৯৪.৫৬। দেওৰজা জনতা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ১০০ শতাংশ উত্তীৰ্ণ হয়। ইয়াৰে প্ৰথম ৪৮ গৰাকী, দ্বিতীয় ৫০, আৰু, ৯ জনে তৃতীয় বিভাগত উত্তীৰ্ণ হয়। তামূলীছিগা ঘনকান্ত বৰা চিনিয়ৰ চেকেণ্ডৰী স্কুলৰ ৮৬ জনৰ ভিতৰত ৮১জন উত্তীৰ্ণ হয়। ইয়াৰে প্ৰথম বিভাগত ১৯, দ্বিতীয় বিভাগত ২৯ আৰু তৃতীয় বিভাগত ৩৩জন উত্তীৰ্ণ হয়। উত্তীৰ্ণৰ হাৰ ৯৪.১৮ শতাংশ। উল্লেখ্য যে খনামুখৰ এঞ্জেল আৰন্ধৰাই কলা শাখাত ৯১.৮ শতাংশ লাভ কৰি অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে।

■ ড্ৰিম-৫০ৰ বিজ্ঞান শাখাত ১০০ শতাংশ উত্তীৰ্ণ ■

# গৰৈমাৰীৰ ব্ৰহ্মপুত্ৰ ভেলী একাডেমীত সাফল্যৰ ধাৰা অব্যাহত

**অসম বাৰ্তা, গৰৈমাৰী, ২৮ এপ্ৰিল ঃ** সদ্যঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ছমৰীয়া সমষ্টিৰ অন্তৰ্গত গৰৈমাৰীৰ ব্যক্তিগত খণ্ডৰ আগশাৰীৰ শিক্ষানুষ্ঠান ব্ৰহ্মপুত্ৰ ভেলী একাডেমীৰ ড্ৰিম-৫০ৰ ফলাফলে অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিছে। এইবেলি ড্ৰিম-৫০ৰ বিজ্ঞান শাখাৰ পৰা ৪৫ গৰাকী ছাত্ৰ-ছাত্ৰী পৰীক্ষাত অৱতীৰ্ণ হৈছিল। ইয়াৰে এগৰাকী ডিষ্টিংচন নম্বৰ, ৬ গৰাকী ষ্টাৰসহ মুঠ ৩০ গৰাকী প্ৰথম বিভাগ, ১৫ গৰাকী দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈ অঞ্চললৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। ইয়াৰে আৰিফ গণিয়ে ইংৰাজীত ৮৪, বিকল্প ইংৰাজী ৮৪, ৰসায়ন বিজ্ঞানত ৯০, পদাৰ্থ বিজ্ঞানত ৮৪, জীৱ বিজ্ঞানত ৮৪ নম্বৰসহ ৮৫.২ শতাংশ (ডিষ্টিংচন) নম্বৰ পাই প্ৰথম বিভাগত উত্তীৰ্ণ হয়। ইপিনে মহিবুল হক ৭৮শতাংশ, নাজিবুল আলম ৮৩.৮ শতাংশ, আমিন ৰুকচানা ৮০.২ শতাংশ, নাৰ্গিছ আলম ৮১.২ শতাংশ, ৰুকচানা আকতাৰ ৮০.৮ শতাংশ, নাজিবুল হুছাইন ৮০.৬ শতাংশ (ষ্টাৰ) নম্বৰ লাভ কৰি প্ৰথম বিভাগত উত্তীৰ্ণ হয়। উল্লেখ্য যে মাজৰটোপ উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰীক্ষা কেন্দ্ৰৰ ভিতৰত বিজ্ঞান শাখাত আৰিফ গণিয়ে সৰ্বোচ্চ ৮৫.২ শতাংশ নম্বৰ লাভ কৰিবলৈ সমৰ্থ হয়। ইপিনে ফলাফল ঘোষণাৰ পিছত বিদ্যালয়খনত ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু অভিভাৱক-অভিভাৱিকাসকলৰ মাজত এক উৎসৱমুখৰ পৰিবেশ সৃষ্টি হয়। ইপিনে ড্ৰিম-৫০ চৌহদত কৃতী শিক্ষাৰ্থীক আজি বিদ্যালয়ৰ তৰফৰ শিক্ষাৰ্থীসকলক ফুলাম গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰি অভিনন্দন জনোৱা হয়। অভিনন্দন অনুষ্ঠানত উপস্থিত থাকি ব্ৰহ্মপুত্ৰ ভেলী একাডেমীৰ সভাপতি নুৰুল ইছলাম কঠোৰ পৰিশ্ৰম, অধ্যৱসায় আৰু একাগ্ৰতাৰ ফলস্বৰূপে এই সাফল্য লাভ কৰা সম্ভৱ বুলি কোৱাৰ লগতে এই সফলতাই আন শিক্ষাৰ্থীসকলকো অনুপ্ৰাণিত কৰিব বুলি আশা প্ৰকাশ কৰে।

## ধেমাজিত ৯ কোটি টকীয়া পথৰ দুৰৱস্থা

**অসম বাৰ্তা, ধেমাজি, ২৮ এপ্ৰিল ঃ** মুখ্যমন্ত্ৰী উন্নয়ন পকী পথ নিৰ্মাণ আঁচনিৰ জৰিয়তে ২০২৪-২৫ বিত্তীয় বৰ্ষৰ অধীনত চিচিবৰগাঁও চাৰিআলি পৰা আমগুৰি হৈ ভেৰেকী কাছমাৰী যোৱা পথটো আধাৰশিলা স্থাপন কৰা ৮.৫০ কি.মি. দৈৰ্ঘ্য পথটো চোৰা চিতা দায়িত্ব লাভ কৰে জোনাই ক্ষেত্ৰীয় সংমণ্ডল চিলাপথাৰ কাৰ্যালয়ে। কিন্তু আজিকোপটি পথটো ঠিকাদৰে নিৰ্মাণ সম্পূৰ্ণ কৰি নিদিয়াত জিয়াতু ভুগিছে সৰ্বসাধাৰণ ৰাইজে। অসম জাতীয়তাবাদী যুব পৰিষদ ধেমাজি জিলা সমিতি আৰু ৰাইজৰ সহযোগত প্ৰবল প্ৰতিবাদ গঢ়িতোলাৰ বাবে অসম চৰকাৰে পথটো নিৰ্মাণ কৰিবলৈ প্ৰায় ৯ কোটি টকা আৱণ্টন দিয়ে। নিৰ্মাণকাৰী প্ৰতিষ্ঠানে প্ৰথম অৱস্থাত কাম ভাল ধৰণে আগবঢ়াই নিছিল যদিও সময় পাৰ হোৱাৰ লগে-লগে কাম লেহেমীয়া আৰু ত্ৰুটিপূৰ্ণভাৱে নিৰ্মাণ কৰি আহিছে। চাৰি কিলোমিটাৰ যোৱা পথচোৱা ব্লেকটেপিং সম্পূৰ্ণ কৰিলে যদিও বাকি অংশসমূহ আজিও কামসমূহ সম্পূৰ্ণ নোহোৱাত বাৰিষাৰ পুৰ্বে অনেক জিয়াতু ভুগিব সেইয়া প্ৰায় নিশ্চিত হৈ পৰিছে। চিচিবৰগাঁও পৰা আৰম্ভ হোৱা পথটো শূন্য স্থানৰ পৰা ১৪০০ মিটাৰ পৰ্যন্ত এটা শিল বা অন্যান্য সামগ্ৰী বাবে এজাক বৰষুণ আহিলে জনসাধাৰণে সেই পথেৰে আহা-যোৱা কৰিব নোৱাৰা হব। উলেক্ষ্য যে উক্ত পথেৰে চিচিবৰগাঁৱত ভালেকেইখন বিদ্যালয়, মহাবিদ্যাল, চৰকাৰী কাৰ্যালয়লৈ অহাযোৱা কৰা একমাত্ৰ পথ হিচাপে পৰিগণিত হোৱা এই পথটো এটা গুৰুত্বপূৰ্ণ পথ হিচাপে বিবেচিত হৈ আহিছে। উক্ত পথেৰে ধেমাজি অসামৰিক চিকিৎসালয়লৈ অহা-যোৱাৰ বাবে অতি চমু পথ হিচাপেও ব্যৱহৃত হৈ অহাৰ লগতে এই পথেৰে ছাত্ৰ-ছাত্ৰী, ৰোগী, চৰকাৰী, বে-চৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠাৰ বিষয়া কৰ্মচাৰী আদি কৰি দৈনিক হাজাৰ হাজাৰ মানুহে অহা- যোৱা কৰে। বৰষুণ আৰম্ভ হোৱাৰ লগে লগে ৰাইজৰ খং, ক্ষোভ বৃদ্ধি পাবলৈ ধৰিছে। অতিসোনকালে জনসাধাৰণক উপকাৰ সাধন কৰিবলৈ দাবী জনোৱাৰ লগতে আজি অভিযোগ দাখিল কৰে। অতিসোকালে সমস্যা সমাধান নহলে ৰাজপথৰ আন্দোলনত নামিবলৈ বাধ্য হ'ব বুলি অসম জাতীয়তাবাদী যুব পৰিষদৰ উজ্জ্বল কুমাৰ চুতীয়াই জানিবলৈ দিয়ে।

## চল্ট বুক মিৰ্জাৰ সাফল্য; এশ শতাংশ উত্তীৰ্ণ

**অসম বাৰ্তা, মিৰ্জা, ২৮ এপ্ৰিল ঃ** সদ্যঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলৰ পিছতে দক্ষিণ কামৰূপৰ মিৰ্জাস্থিত চল্ট বুক মিৰ্জা শিক্ষাপ্ৰতিষ্ঠানত উৎসৱমুখৰ পৰিৱেশ। পূৰ্বৰ ধাৰা এইবাৰো অক্ষুণ্ণ ৰাখি এশ শতাংশ ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হ'ল শিক্ষা প্ৰতিষ্ঠানটোৰ পৰা। ২০১৯ চনতে আৰম্ভ হোৱা এই শিক্ষানুষ্ঠানখনে এইবেলিও ধাৰাবাহিকতা ৰক্ষা কৰিলে। এইবেলি এই শিক্ষানুষ্ঠানৰ পৰা বিজ্ঞান শাখাত ৮১ গৰাকী ছাত্ৰ-ছাত্ৰী অৱতীৰ্ণ হৈছিল উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত। ইয়াৰে ৮০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে উত্তীৰ্ণ হল প্ৰথম বিভাগত। আন গৰাকী শিক্ষাৰ্থী উত্তীৰ্ণ হল দ্বিতীয় বিভাগত। আনহাতে কলা শাখাত ২০ গৰাকী ছাত্ৰ-ছাত্ৰী অৱতীৰ্ণ হোৱাৰ বিপৰীতে ১৭ গৰাকী ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হ'ল প্ৰথম বিভাগত। ইফালে বিজ্ঞান শাখাত ৯৫ শতাংশ নম্বৰ লাভ কৰি প্ৰিয়া কলিতা নামৰ ছাত্ৰী গৰাকীয়ে সুনাম কঢ়িয়াই আনিছে শিক্ষানুষ্ঠানখনলৈ। যাৰ ফলত আজি শিক্ষক-শিক্ষয়িত্ৰী তথা ছাত্ৰ-ছাত্ৰী সকলে আতচবাজী ফুটাই আনন্দ উল্লাস কৰা পৰিলক্ষিত হয়।

# ১০০ শতাংশ উত্তীৰ্ণৰে পুনৰ উজলি উঠিল মাৰ্কাজ একাডেমী ডুমডুমিয়া ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল

**অসম বাৰ্তা, বটদ্ৰৱা, ২৮ এপ্ৰিল ঃ** সদ্য ঘোষিত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষান্ত পৰীক্ষাত ১০০ শতাংশ উত্তীৰ্ণৰে উজলিছে মাৰ্কাজ একাডেমী ডুমডুমিয়া ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল। এই অঞ্চলৰ ব্যক্তিগত খণ্ডৰ এক আগশাৰীৰ শিক্ষানুষ্ঠান মাৰ্কাজ একাডেমী ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল ডুমডুমিয়া। সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীক একোখনকৈ ফুলাম গামোচাৰে সম্বৰ্ধনা জনায় বিদ্যালয় কৰ্তৃপক্ষই। মুঠ ছাত্ৰ-ছাত্ৰী ৪৯ জন। ৫ গৰাকীয়ে ষ্টাৰ মাৰ্ক, ২১ গৰাকীয়ে প্ৰথম বিভাগত, ২৩ গৰাকীয়ে দ্বিতীয় বিভাগত সুখ্যাতিৰে উত্তীৰ্ণ হৈ পুনৰবাৰ মাৰ্কাজ একাডেমী ডুমডুমিয়া ছিনিয়ৰ ছেকেণ্ডাৰী স্কুললৈ গৌৰৱ কঢ়িয়াই আনিলে। সৰ্বমুঠ ২৯টা লেটাৰ মাৰ্ক সহ ৪৯ গৰাকী ছাত্ৰী-ছাত্ৰী সুখ্যাতিৰে উত্তীৰ্ণ হয়। ইয়াৰে Geography বিষয়ত আটাইতকৈ বেছি লেটাৰ মাৰ্ক পালে। লগতে ২০২৬ বৰ্ষত ক'লা শাখাত নামভৰ্তি কৰিব খোজা ছাত্ৰ-ছাত্ৰীয়ে মাৰ্কাজ একাডেমী ডুমডুমিয়া ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত নামভৰ্তি কৰিব পাৰিব। নামভৰ্তিৰ বাবে প্ৰ-পত্ৰ কাৰ্য্যালয়ত দি থকা হৈছে।

## উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাৰ ফলাফলত এশ শতাংশ উত্তীৰ্ণ হৈ গৌৰৱ কঢ়িয়ালে আৰ কে ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলে

বিগত পাঁচবছৰ ধৰি ক্ৰমশঃ এশ শতাংশ উত্তীৰ্ণ

**অসম বাৰ্তা, লখিমপুৰ বিশেষ, ২৮ এপ্ৰিল ঃ** লখিমপুৰ জিলাৰ কদম ৰাজহচক্ৰৰ অন্তৰ্গত চাউলধোৱাঘাটৰ আৰ কে ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলে আজি ঘোষণা কৰা ২০২৬ বৰ্ষৰ উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাৰ ফলাফলত পুনৰবাৰ এশ শতাংশ উত্তীৰ্ণৰে গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। আজি বিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি খুদিৰাম মুদৈ আৰু অধ্যক্ষা ক্ষীৰদা দত্তই সংবাদ মাধ্যমক সম্বোধন কৰি বিদ্যালয়খনৰ সুন্দৰ ফলাফল কৰা শিক্ষাৰ্থীসকলক অভিনন্দন জ্ঞাপন কৰাৰ লগতে বিদ্যালয়খনৰ শিক্ষক সমাজক প্ৰশংসা কৰে। ১৮১ গৰাকী পৰীক্ষাৰ্থী পৰীক্ষাত অৱতীৰ্ণ হৈ ১৮১ গৰাকীয়েই উত্তীৰ্ণ হয়। ইয়াৰে প্ৰথম বিভাগত ৮০ গৰাকী, দ্বিতীয় বিভাগত ১০০ গৰাকী আৰু এগৰাকী তৃতীয় বিভাগত উত্তীৰ্ণ হয়। চাৰিগৰাকী পৰীক্ষাৰ্থীয়ে ডিষ্ট্ৰিংছন লাভ কৰে তথা ১৫ গৰাকীয়ে ষ্টাৰ মাৰ্ক লাভ কৰে। বহুকেইগৰাকী শিক্ষাৰ্থীয়ে বিভিন্ন বিষয়ত লেটাৰ মাৰ্ক লাভ কৰিবলৈ সক্ষম হয়। আৰ কে ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলে ২০১৪ চনৰ পৰাই সুন্দৰ ফলাফল দেখুৱাবলৈ সক্ষম হোৱাৰ লগতে বিগত পাঁচ বছৰ ধৰি বিদ্যালয়খনৰ এশ শতাংশ পৰীক্ষাৰ্থী উত্তীৰ্ণ হৈ ঈৰ্ষণীয় সফলতা লাভ কৰিবলৈ সক্ষম হৈছে।

## এশ শতাংশ উত্তীৰ্ণ, মৌচুমী সৰকাৰৰ বিশেষ সফলতা
# শংকৰদেৱ বিদ্যা নিকেতন, গোসাইগাঁৱৰ চমকপ্ৰদ ফলাফল



**অসম বাৰ্তা, গোসাঁইগাঁও, ২৮ এপ্ৰিল ঃ** গোসাঁইগাঁৱত আনন্দৰ লহৰ বিয়পি পৰিছে। আজি ঘোষণা কৰা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলৰ পাছতেই ৰাজ্যজুৰি দেখা পোৱা উৎসৱমুখৰ পৰিৱেশৰ দৰে ইয়াতো এক উখল-মাখল দৃশ্য পৰিলক্ষিত হৈছে। বিশেষকৈ শংকৰদেৱ বিদ্যা নিকেতন, গোসাঁইগাঁৱে এই বাৰো ধাৰাবাহিকতা বজাই ৰাখি চমকপ্ৰদ ফলাফল প্ৰদৰ্শন কৰিছে। বিদ্যালয়খনৰ পৰা অৱতীৰ্ণ হোৱা কলা আৰু বিজ্ঞান- দুয়োটা শাখাতেই উত্তীৰ্ণৰ হাৰ ১০০ শতাংশ, যি বিদ্যালয়খনৰ বাবে এক গৌৰৱৰ বিষয় হিচাপে পৰিগণিত হৈছে। কলা শাখাৰ ছাত্ৰী মৌচুমী সৰকাৰে ৮৪ শতাংশ নম্বৰ লাভ কৰি বিদ্যালয়খনৰ লগতে নিজৰ পৰিয়াললৈও বিশেষ সন্মান কঢ়িয়াই আনিছে। ফলাফল ঘোষণাৰ লগে লগে বিদ্যালয়খনত ছাত্ৰ-ছাত্ৰীৰ মাজত আনন্দ-উল্লাসৰ পৰিৱেশে বিৰাজ কৰিছে। ইজনে সিজনক মিঠাই খুৱাই শুভেচ্ছা জনোৱা, লগতে ঢোল-দগৰে নিজৰ সফলতা উদযাপন কৰাৰ দৃশ্য মনোমোহা ৰূপে দেখা গৈছে। ছাত্ৰ-ছাত্ৰীসকলৰ এই উল্লেখযোগ্য সফলতাত বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্তৃপক্ষই গভীৰ সন্তোষ প্ৰকাশ কৰিছে। বিদ্যালয়খনত পুৱাৰে পৰাই এক উৎসৱমুখৰ পৰিৱেশে সমগ্ৰ পৰিসৰটো উজলাই তুলিছে।

## ৰূপহীহাটলৈ গৌৰৱ কঢ়িয়াই আনিলে দ্বীপজ্যোতিৰ জেৰিনা ওৱাহিদ আৰু এম্বিশ্বনৰ জয়মতী দাসে

**অসম বাৰ্তা, ৰূপহীহাট, ২৮ এপ্ৰিল ঃ** ৰূপহীহাটলৈ গৌৰৱ কঢ়িয়াই আনিলে দুই ছাত্ৰীয়ে। ৰূপহীহাটৰ দ্বীপ জ্যোতি চিনিয়ন চেকেণ্ডাৰী স্কুলৰ কলা শাখাত আটাইকেইটা বিষয়ত লেটাৰসহ ৯০ শতাংশ নম্বৰৰে গৌৰৱ কঢ়িয়াই আনিলে জেৰিনা ওবাহিদে। যাৰ বাবে আজি ফলাফল ঘোষণা হোৱাৰ লগে-লগে এক উৎসৱমুখৰ পৰিৱেশ সৃষ্টি হয় বিদ্যালয়খনত। ৰূপহীহাটৰ উত্তৰাঞ্চলত এইবাৰ দ্বীপ জ্যোতি চিনিয়ৰ চেকেণ্ডাৰী স্কুলে সৰ্বোচ্চ নম্বৰ লাভ কৰিবলৈ সক্ষম। পাঁচ গৰাকী ছাত্ৰ ছাত্ৰীৰে চাৰি বছৰ পূৰ্বে আৰম্ভ কৰা বিদ্যালয়খনে ষ্টাৰ মাৰ্কত ৩ গৰাকী প্ৰথম বিভাগত ২২ গৰাকী দ্বিতীয় বিভাগত ৩৩ গৰাকী তৃতীয় বিভাগত ৯ গৰাকীয়ে উত্তীৰ্ণ হয়। বিদ্যালয়খনৰ এশ শতাংশ ফলাফলত উৎফুল্ল হৈ পৰিছে অঞ্চলাসী। আনপিনে ৰূপহীহাটৰ এম্বিশ্বন একাডেমীৰ ছাত্ৰী জয়মতী দাসে ক'লা শাখাত আটাইকেইটা বিষয়ত লেটাৰসহ ৯১.২ শতাংশ নম্বৰৰে গৌৰৱ কঢ়িয়াই আনিছে ৰূপহীহাটলৈ। জয়মতী দাসে যুক্তি আৰু দৰ্শন বিষয়ত ৯৯ নম্বৰ লাভ কৰিবলৈ সক্ষম হৈছে।

## উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ ফলাফলত ১০০ শতাংশ উৰ্ত্তীণৰে জিলিকিল বিহালীৰ জনতা উচ্চতৰ মাধ্যমিক বিদ্যালয়

**অসম বাৰ্তা, বিহালী, ২৮ এপ্ৰিল ঃ** বিহালী শিক্ষাখণ্ডৰ অন্তৰ্গত জনতা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ ফলাফলে আনন্দৰ বতৰা কঢ়িয়াই আনিছে বিদ্যালয় খনলৈ। আজি বিদ্যালয়খনত এখন আদৰণি সভা অনুষ্ঠিত কৰি সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীক বিদ্যালয়ৰ কৰ্তৃপক্ষই আদৰণি জনায়। বিদ্যালয়ৰ ৬২ জন ছাত্ৰ-ছাত্ৰী পৰীক্ষাত অৱতীৰ্ণ হৈ ইয়াৰ ১৩ গৰাকী প্ৰথম বিভাগত আৰু ৪২ গৰাকী দ্বিতীয় বিভাগত আৰু ৭গৰাকী তৃতীয় বিভাগত উত্তীৰ্ণ হোৱাত সকলোকে আদৰণি জনায়। ইয়াৰ ভিতৰত তিনিজনে ষ্টাৰ মাৰ্ক লাভ কৰে। ইয়াৰ নম্ৰতা দেবীয়ে ৯০ শতাংশ নম্বৰেৰে উত্তীৰ্ণ হয়। উল্লেখযোগ্য যে চতুৰ্থবাৰৰ বাবে বিদ্যালয়খনে এক শতাংশ উত্তীৰ্ণ হৈ অঞ্চলটোৰ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। এই সাফল্যৰ বাবে বিহালীৰ বিভিন্ন দল সংগঠনে বিদ্যালয় কৰ্তৃপক্ষক অভিনন্দন জনাইছে।

## ৰাইজে একেলগে বান্ধি গতাই দিলে আৰক্ষীক অপকৰ্মৰ অভিযোগত কলিয়াজাৰীত ৰাইজৰ ৰোষত দুই পুৰুষ-মহিলা

**অসম বাৰ্তা, ভূৰাগাঁও, ২৮ এপ্ৰিল ঃ** অপকৰ্মত লিপ্ত হৈ অঞ্চলৰ পৰিবেশ বিনষ্ট কৰাৰ অভিযোগত মৰিগাঁৱৰ কলিয়াজাৰীত কালি সন্ধিয়া ৰাইজৰ ৰোষৰ বলি হয় দুই পুৰুষ মহিলা। কলিয়াজাৰী গাঁৱৰ মাকৈ খেতিৰ কাষৰ পৰা দুয়ো পুৰুষ মহিলাক স্থানীয় একাংশ যুৱকে অপকৰ্মত লিপ্ত হোৱাৰ অভিযোগত আটক কৰি কলিয়াজাৰী ৰংগমঞ্চত দুয়োকে বান্ধি ৰখা অৱস্থাত ভূৰাগাঁও আৰক্ষীয়ে যোৱা নিশা উদ্ধাৰ কৰে দুয়োকে। বান্ধি ৰখা অৱস্থাত স্থানীয় লোকে দুয়োকে উত্তম - মধ্যমো সোধাই। জানিব পৰা মতে ৰাইজে আটক কৰি আৰক্ষীক গতাই দিয়া পুৰুষ-মহিলা দুগৰাকীৰ পুৰুষজন গেৰুৱা বাঘউঠাৰ জয়ন্ত বড়ো আৰু মহিলা গৰাকী বিহাৰ ইউ পিৰ পৰা আহি চৰকাৰী ভূমিত আশ্ৰয় লৈ থকা এটা পৰিয়ালৰ সদস্য। স্থানীয় লোকে কৰা অভিযোগ মতে বিহাৰ ইউ পিৰ পৰা আহি চৰকাৰী ভূমিত আশ্ৰয় লোৱা পৰিয়াল টোৰ ঘৰত প্ৰায়ে চলে এনে অপকৰ্ম। ইয়াৰ পূৰ্বেও মহিলা গৰাকীৰ বিৰুদ্ধে স্থানীয় লোকে এনে অভিযোগ উত্থাপন কৰিছিল। অতিষ্ঠ লোক সকলে কালি হাতে লোটে ধৰি মহিলা গৰাকীৰ সৈতে জয়ন্ত বড়োক আটক কৰি আৰক্ষীক গতাই দিয়ে।

নগদ ধনসহ মোবাইল জব্দ

## বৰপেটাৰোডত আৰক্ষীৰ জালত আইপিএল জুৱাৰী মিৰনাল হুছেইন

**অসম বাৰ্তা, বৰপেটাৰোড, ২৮ এপ্ৰিল ঃ** বৰপেটাৰোডৰ কলহভাঙ্গাত দীৰ্ঘদিন ধৰি চলি থকা আইপিএল জুৱাৰ বিৰুদ্ধে কঠোৰ স্থিতি গ্ৰহণ কৰিছে বৰপেটাৰোড আৰক্ষীয়ে। এক গোপন খবৰৰ ভিত্তিত বৰপেটাৰোড আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া শ্যামল জ্যোতি শইকীয়াৰ নেতৃত্বত চলোৱা অভিযানত মিৰনাল হুছেইন নামৰ এজন জুৱাৰীক আটক কৰিবলৈ সক্ষম হয়। প্ৰাপ্ত তথ্য অনুসৰি, কলহভাঙ্গা অঞ্চলত আইপিএলৰ প্ৰতিটো বল আৰু ৰানৰ ওপৰত ভিত্তি কৰি লাখ লাখ টকাৰ জুৱাৰ বেহা চলি আছিল। এই সন্দৰ্ভত নিশ্চিত তথ্য লাভ কৰি আৰক্ষীয়ে অভিযান চলাই মিৰনাল হুছেইনক কৰায়ত্ত কৰে। ধৃত যুৱকজনৰ পৰা জুৱা খেলত ব্যৱহাৰ কৰা মোবাইল ফোন আৰু নগদ ধন জব্দ কৰে। উল্লেখ্য যে, আইপিএলৰ গইনা লৈ অঞ্চলটোত গঢ়ি উঠা এই জুৱাৰ চক্ৰটোৱে স্থানীয় যুৱ প্ৰজন্মক ধ্বংসৰ মুখলৈ ঠেলি দিয়াৰ অভিযোগ উঠিছিল। আৰক্ষীয়ে বৰ্তমান মিৰনাল হুছেইনক অধিক তথ্যৰ বাবে জেৰা চলাই আছে। এই চক্ৰটোৰ সৈতে আন কোনোবা জড়িত আছে নেকি, সেই সন্দৰ্ভতো তদন্ত অব্যাহত ৰাখিছে।

## ৬টা মোবাইল ফোন, ১৮ হাজাৰ টকাসহ সাতটা জুৱাৰীক আটক
## চামগুৰিৰ চায়ুতিনিআলিত জুৱাখেলৰ ঘাটি উৎখাত

**অসম বাৰ্তা, পুৰণিগুদাম, ২৮ এপ্ৰিল ঃ** নগাঁও জিলাৰ চামগুৰিৰ খাটোৱাল আৰক্ষী থানাৰ এটা আৰক্ষী দলে যোৱা নিশা জুৱাৰ বিৰুদ্ধে অভিযান চলাই খাটোৱালৰ চায়ুতিনিআলি অঞ্চলত এটা জুৱাৰ ঘাটি উৎখাত কৰা লগতে সাতটা জুৱাৰীক আটক কৰে লগতে জুৱাৰী কেইজনৰ পৰা আৰক্ষীয়ে ৬ টাকৈ মোবাইল ফোন আৰু নগদ ১৮ হাজাৰ টকা জব্দ কৰিবলৈ সক্ষম হয়। জানিব পৰা মতে, এক গোপন খবৰৰ ভিত্তিত যোৱা নিশা খাটোৱাল আৰক্ষী থানাৰ এটা আৰক্ষী দলে চায়ুতিনিআলি নামৰ অঞ্চলটোত জুৱাৰ বিৰুদ্ধে অভিযান চলায়। পৰৱৰ্তী সময়ত আৰক্ষীৰ দলটোৱে জুৱা খেল চলি থকা অৱস্থাত অতৰ্কিতে অভিযান চলাই চান্দাম হুছেইন, আনোৱাৰ হুছেইন, ইদ্দিছ আলী, জীয়াৰুল ইছলাম, মতিবুৰ ৰহমান, ৰাইহানুদ্দিন আৰু জহিৰুল ইছলাম নামৰ জুৱাৰী কেইজনক আটক কৰাৰ লগতে ৬টা মোবাইল ফোনসহ নগদ ১৮ হাজাৰ টকা আৰু জুৱাৰ সামগ্ৰী জব্দ কৰিবলৈ সক্ষম হয়। আৰক্ষীয়ে যোৱা নিশা আটক কৰা জুৱাৰী কেইজনক আজি নগাঁও আদালতত হাজিৰ কৰাই জে'ল হাজোতলৈ প্ৰেৰণ কৰা হয় বুলি আৰক্ষীৰ এক সূত্ৰই জানিবলৈ দিছে।

## জৰাজীৰ্ণ বাসগৃহত বিচনাতে পঢ়ি ডিষ্টিংশ্যন লাভ হাৱাজান দেউৰীচুকৰ পুৰবী কোঁৱৰৰ

**অসম বাৰ্তা, গহপুৰ, ২৯ এপ্ৰিল ঃ** গহপুৰ সমজিলাৰ পুৰ প্ৰান্তৰ হাৱাজানৰ দেউৰীচুকত পথাৰৰ মাজত থকা জৰাজীৰ্ন জুপুৰি সদৃশ এটি বাসগৃহৰ জহিখহি যোৱা বাঁহৰ বেৰৰ মাজত বিছনাতে পঢ়া শুনা কৰি এগৰাকী ছাত্ৰীয়ে কালি ঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলত বিশেষ সফলতা লাভ কৰিছে। দিন হাজিৰাৰে পৰিয়াল চলোৱা পিতৃয়ে প্ৰদান কৰা সীমিত সা-সুবিধাৰ মাজেৰেই অধ্যয়ন কৰি উচ্চতৰ মাধ্যমিকৰ কলা শাখাৰ চূড়ান্ত পৰীক্ষাত ডিষ্টিংশ্যন সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰী গৰাকীৰ নাম পুৰবী কোঁৱৰ। হাৱাজানৰ দেউৰীচুকৰ নিৱাসী মণিকান্ত কোঁৱৰ আৰু পুতলি কোঁৱৰৰ দ্বিতীয় কন্যা পুৰবী কোঁৱৰে আজি ঘোষিত উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাৰ ফলাফল অনুসৰি ইংৰাজী বিষয়ত ৮৪, অসমীয়া বিষয়ত ৯১, ভূগোল বিষয়ত ৯২, শিক্ষাতত্ত্ব বিষয়ত ৮৭ আৰু ৰাজনীতি বিজ্ঞান বিষয়ত ৮১ নম্বৰ লাভেৰে ডিষ্টিংশ্যন সহ সুখ্যাতিৰে উত্তীৰ্ণ হৈ পিতৃ-মাতৃক গৌৰৱান্বিত কৰাৰ লগতে অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। হাৱাজান উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা উচ্চতৰ মাধ্যমিকৰ কলা শাখাৰ চূড়ান্ত পৰীক্ষাত অৱতীৰ্ন হৈ ডিষ্টিংশ্যন সহ সুখ্যাতিৰে উত্তীৰ্ণ হোৱা পুৰবী কোঁৱৰে গহপুৰৰ ঐতিহ্যমণ্ডিত ছয়দুৱাৰ মহাবিদ্যালয়ত নামভৰ্তি কৰি উচ্চ শিক্ষা অব্যাহৰ ৰখাৰ কথা ব্যক্ত কৰে। ভৱিষ্যতে এগৰাকী শিক্ষয়িত্ৰী হোৱাৰ আশা প্ৰকাশ কৰা পুৰবীয়ে নিজৰ পিতৃ-মাতৃৰ কষ্ট লাঘৱ কৰাৰ সংকল্প গ্ৰহণ কৰিছে। ডিজিটেল ইণ্ডিয়াৰ যুগটো খৰিৰ চৌকাত দুবেলা দুমঠি ৰান্ধি জীৱন নিৰ্বাহ কৰি থকা দৰিদ্ৰ পৰিয়ালটোৰ কন্যা পুৰবীয়ে পিতৃয়ে নিজৰ সামৰ্থ অনুসৰি আগবঢ়োৱা সহযোগিতাৰ লগতে আনৰ পৰা কিতাপ আনি অধ্যয়ন কৰি এনে সফলতা লাভ কৰিছে। উচ্চ শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত প্ৰয়োজনীয় অৰ্থৰ অভাৱে দেখা দিয়া পৰিয়ালটোৰ মুৰব্বী তথা পুৰবীৰ পিতৃয়ে কন্যাৰ আশা পুৰণৰ বাবে যিকোনো কষ্ট কৰিবলৈ প্ৰস্তুত আছে। এইক্ষেত্ৰত কোনো সদাশয় ব্যক্তিয়ে সহায় কৰিব বিচাৰিলে পুৰবী কোঁৱৰৰ জ্যেষ্ঠ ভগ্নীৰ ৬০০৩৫০৩৬২৭ নম্বৰত যোগাযোগ কৰি শৈক্ষিক সহযোগিতা আগবঢ়াব পাৰিব।

## দক্ষিণ জাজড়িত ভাগৱত পাঠ আৰু ব্যাখ্যা অনুষ্ঠানৰ সামৰণি

**অসম বাৰ্তা, বেৰেজীয়া, ২৮ এপ্ৰিল ঃ** ইয়াৰ সমিপৰ দক্ষিণ জাজৰি সৰ্বজনীন শ্ৰীমন্ত শংকৰ মন্দিৰত যোৱা ২৩ এপ্ৰিলৰ পৰা ২৬ এপ্ৰিললৈ ৪ দিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা মহাভাগৱত পাঠ আৰু প্ৰৱচন অনুষ্ঠানৰ সফল সামৰণি পৰে। ২৩ এপ্ৰিলত ধৰ্মধ্বজা উত্তোলন কৰে মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি মহেন্দ্ৰ মহন্তই। তাৰ পিছতে ভাগৱত আদৰণি, মধ্যাহ্ন প্ৰসংগৰ পিছত ভাগৱত পাঠ আৰু প্ৰৱচন অনুষ্ঠান উদ্বোধন কৰে নীলকান্ত শইকীয়াই। তাৰ পিছৰে পৰা অবিৰতভাৱে দেওবাৰৰ পুৱা ৯ বজালৈ ভাগৱত পাঠ আৰু প্ৰৱচন অনুষ্ঠান চলি থাকে।

গোৰ্খা ছাত্ৰ সন্থাৰ সম্বৰ্ধনা জ্ঞাপন

## নেপালী মাতৃভাষা বিষয়ত ৰাজ্যৰ ভিতৰতে সৰ্বাধিক নম্বৰ লাভ সীমা নেপালৰ

**অসম বাৰ্তা, গোৰেশ্বৰ, ২৮ এপ্ৰিল ঃ** আজি ঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলত নেপালী মাতৃভাষা বিষয়ত ৰাজ্যৰ ভিতৰতে সৰ্বোচ্চ নম্বৰ লাভ কৰি কৃতিত্ব অৰ্জন কৰিছে সীমা নেপালে। তামোলপুৰ জিলাৰ অন্তৰ্গত নাওকাটা মিলন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মেধাৱী ছাত্ৰী সীমা নেপালে আজি ঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলত নেপালী মাতৃভাষা বিষয়ত সৰ্বোচ্চ ৯৬ নম্বৰসহ মুঠ ৮৩ শতাংশ নম্বৰ লাভ কৰি অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। অঞ্চলটোৰ ২নং শুৱাগপুৰ নিৱাসী পিতৃ সত্যনাৰায়ণ নেপাল আৰু মাতৃ ডম্বৰ কুমাৰী দেৱীৰ সুযোগ্য কন্যা সন্তান সীমা নেপালৰ এই আশাপ্ৰদ সাফল্যত তেওঁৰ পিতৃ-মাতৃৰ লগতে নাওকাটা মিলন উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ মাজতো দেখা গৈছে আনন্দৰ লহৰ। ইপিনে, মেধাৱী ছাত্ৰী সীমা নেপালৰ এনে সাফল্যত সন্তোষ প্ৰকাশ কৰিছাত্ৰীজনীৰ বাসগৃহত উপস্থিত হৈ অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰে সদৌ অসম গোৰ্খা ছাত্ৰ সন্থা, তামোলপুৰ জিলা সমিতি আৰু পূৰ ডেফেলী আঞ্চলিক সমিতিৰ লগতে স্থানীয় বিভিন্ন দল-সংগঠনে।

# বাহনা মহাবিদ্যালয়ত সদৌ অসম ভিত্তিক কুইজ প্ৰতিযোগিতা সম্পন্ন

**অসম বাৰ্তা, নিমাতীঘাট, ২৯ এপ্ৰিল ঃ** যোৰহাটৰ ঐতিহ্যমণ্ডিত বাহনা মহাবিদ্যালয়ৰ হীৰক জয়ন্তী বৰ্ষৰ লগত সংগতি ৰাখি ২৮ এপ্ৰিলত বাহনা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত এখনি সদৌ অসম ভিত্তিত আন্তঃ শিক্ষানুষ্ঠান কুইজ প্ৰতিযোগিতা অনুষ্ঠিত হয়। বাহনা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° চুম্বিত চলিহা, মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ড° মুনিন্দ্ৰ কোঁৱৰ, হীৰক জয়ন্তী উদযাপন সমিতিৰ সভাপতি ড° প্ৰসন্ন কুমাৰ দত্ত, জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ৰ ডীন তথা ইংৰাজী বিভাগৰ মূৰব্বী অধ্যাপক ড° সুৰজিৎ শৰ্মাৰ উপস্থিত থকা উদ্বোধনী অনুষ্ঠানত কুইজ প্ৰতিযোগিতা খনি উদ্বোধন কৰে খ্যাতি সম্পন্ন কুইজ পৰিচালক মুকুল মাধৱ বৈশ্যই। উল্লেখ্য যে IBM কোম্পানীৰ এগৰাকী techno-functional consultant বৈশ্য একাধাৰে এগৰাকী খ্যাতিসম্পন্ন চিত্ৰশিল্পী, সাহিত্যৰসিক, আৰু কলা সমালোচকো। মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক অজিত কুমাৰ বৰাই আঁত ধৰা অনুষ্ঠানটিত উপাধ্যক্ষা ড° পৰিণীতা দত্ত, অসমীয়া বিভাগৰ মূৰব্বী অধ্যাপিকা মধুস্মৃতা বৰুৱা চাংকাকতিকে প্ৰমুখ্য কৰি শিক্ষক শিক্ষয়িত্ৰী, কুইজপ্ৰেমী দৰ্শক আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। অসমৰ বিভিন্ন শিক্ষানুষ্ঠানৰ ২৪টা দলে অংশগ্ৰহণ কৰা কুইজ প্ৰতিযোগিতা খনি পৰিচালনা কৰে ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক অজিত বৰা আৰু বুৰঞ্জী বিভাগৰ অধ্যাপক বিক্ৰম বৰাই। প্ৰতিযোগিতাখনিত গৌহাটী বিশ্ববিদ্যালয়ৰ পাৰ্থ প্ৰতীম ভৰলুৱা আৰু ভট্টদেৱ বিশ্ববিদ্যালয়ৰ ভাৰ্গৱ ভূষণ বিশ্বপতিয়ে প্ৰথম স্থান, গৌহাটী বিশ্ববিদ্যালয়ৰ প্ৰিয়ানুজ পৰাশৰে দ্বিতীয় স্থান আৰু যোৰহাট আভিযান্ত্ৰিক মহাবিদ্যালয়ৰ মহাৰ্ণৱ কাশ্যপ আৰু আদিত্য পল্লৱ নাথে তৃতীয় স্থান লাভ কৰে। চতুৰ্থ, পঞ্চম আৰু ষষ্ঠ স্থান লাভ কৰে ক্ৰমে যোৰহাট আভিযান্ত্ৰিক মহাবিদ্যালয়ৰ অৰণবৰাজ দাস, ভট্টদেৱ বিশ্ববিদ্যালয়ৰ কিষ্ণজ্যোতি কলিতা, যোৰহাট আভিযান্ত্ৰিক মহাবিদ্যালয়ৰ কৌস্তুভ বৰগোঁহাই আৰু বিবেক দত্ত, ডায়েট, সোণাৰীৰ দিগন্ত তাঁতী আৰু মৰাণ কলেজৰ নবদীপ চুতীয়াই। শ্ৰেষ্ঠ দৰ্শকৰ পুৰস্কাৰ লাভ কৰে এল. টি. কে কলেজৰ প্ৰণৱজ্যোতি গগৈয়ে। উল্লেখ্য যে প্ৰথম পুৰস্কাৰটি আগবঢ়োৱা হয় মহাবিদ্যায় খনিৰ প্ৰয়াত অধ্যাপক অমৰজ্যোতি দেৱনাথৰ সোঁৱৰণত। মহাবিদ্যালয়ৰ অধ্যক্ষৰ সভাপতিত্বত আৰু অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা মধুস্মৃতা বৰুৱা চাংকাকতি, পদাৰ্থ বিজ্ঞান বিভাগৰ মূৰব্বী অধ্যাপক দিগন্ত গগৈ, গণিত বিভাগৰ মূৰব্বী অধ্যাপিকা ড° পাপৰি নেওগ বৰা প্ৰমুখ্যে বিভিন্ন বিভাগৰ অধ্যাপক অধ্যাপিকাসকলৰ উপস্থিতিত অনুষ্ঠিত হোৱা বঁটা বিতৰণী সভাত উক্ত পুৰস্কাৰসমূহ বিতৰণ কৰা হয়।

## সহস্ৰাধিক ডেকাৰ চাকচনিৰ লহৰত কঁকাল ভাঙি নাচে হাজাৰ হাজাৰ মৰাণ গাভৰুৱে

# ডুমডুমাত মৰাণ জনগোষ্ঠীৰ পৰম্পৰাগত ৰাতি বিহু উদ্‌যাপন



**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডুমডুমা, ২৮ এপ্ৰিল ঃ** অসম মৰাণ সভা, সদৌ মৰাণ ছাত্ৰ সন্থা, মৰাণ জাতীয় মহিলা পৰিষদ আৰু সদৌ মৰাণ কলা-সংস্কৃতি বিকাশ কেন্দ্ৰৰ ডুমডুমা আঞ্চলিক সমিতিৰ যৌথ উদ্যোগত তথা বৃহত্তৰ ডুমডুমাবাসীৰ সহযোগত সোমবাৰে নিশা ইয়াৰ নগৰ খেলপথাৰত ভূমিপুত্ৰ মৰাণ জনজাতিৰ পৰম্পৰাগত ৰাতিবিহু সহস্ৰাধিক বিহুৱা-নাচনিৰ উপস্থিতিত বিশুদ্ধতাৰে প্ৰতীকী ৰূপত প্ৰদৰ্শন কৰা হয়। কাৰ্যসূচী অনুসৰি, পুৱা কেউতা সংগঠনৰ সভাপতি, অভ্যৰ্থনা সমিতিৰ সভাপতিয়ে পতাকা উত্তোলন কৰা পাছত স্মৃতি তৰ্পন কৰে কেউটা সংগঠনৰ সাধাৰণ সম্পাদকসকলে। মৰাণ আৰ্হি ঘৰ আৰু আৰ্হিৰ বাৰী মুকলি কৰে সদৌ মৰাণ কলা-সংস্কৃতি বিকাশ কেন্দ্ৰৰ সভাপতি লম্বেশ্বৰ মৰাণে। ৰাতিলৈ বিহুতলী মুকলি কৰে সদৌ মৰাণ কলা-সংস্কৃতি বিকাশ কেন্দ্ৰৰ প্ৰাক্তন সভাপতি তথা সাংস্কৃতিক সাধক জিতু গোস্বামীয়ে। ৰাতিবিহু আদৰণি কৰে সদৌ মৰাণ ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক জয়কান্ত মৰাণে। স্মৃতিগ্ৰন্থ "ৰাতিবিহু" উন্মোচন কৰে সদৌ মৰাণ ছাত্ৰ সন্থাৰ সভাপতি পলিন্দ বড়াই। অনুষ্ঠানত অসম মৰাণ সভাৰ সভাপতি ৰাজীৱ বড়া, মৰাণ জাতীয় মহিলা পৰিষদৰ সভানেত্ৰী দীপা শইকীয়া বড়া, সাধাৰণ সম্পাদিকা পদ্মা চেতিয়া, সদৌ মৰাণ কলা-সংস্কৃতি বিকাশ কেন্দ্ৰৰ সাধাৰণ সম্পাদিকা ৰুণু মৰাণ চাউৰক, মৰাণ জাতীয় কৰ্মচাৰী শৈক্ষিক বিকাশ মঞ্চৰ সভাপতি ভাৰ্গৱ মৰাণ, সাধাৰণ সম্পাদক জ্ঞান বৰুৱা, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সহকাৰী সাধাৰণ সম্পাদক সুৰজিত মৰাণ, তিনিচুকীয়া জিলা সমিতিৰ সাধাৰণ সম্পাদক কল্যাণজ্যোতি মৰাণ, সদৌ তিনিচুকীয়া জিলা ছাত্ৰ সন্থাৰ সভাপতি প্ৰতিম নেওগ, ডুমডুমা শতদল শাখা সাহিত্য সভাৰ সভাপতি দেবেন ডেকা, বিশিষ্ট সাংবাদিক এঞ্জেলা চাংমাই, জনপ্ৰিয় অভিনেত্ৰী মাধুৰিমা চৌধুৰী, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ গণসংযোগ আৰু সাংবাদিকতা বিভাগৰ প্ৰাধ্যাপক, চলচ্চিত্ৰ পৰিচালক তনুজ নাথ, অভিলাষ বৰুৱা, ডুমডুমা সমজিলা আৰক্ষী অধীক্ষক দিগন্ত দত্ত, অতিৰিক্ত সমজিলা আয়ুক্ত সুদীপ গগৈ, ডুমডুমা পৌৰসভাৰ কাৰ্যবাহী বিষয়া বিদ্যুৎ বিকাশ চাংমাই, ডুমডুমা আৰক্ষী থানাৰ পৰিদৰ্শক অভিজিৎ বৰুৱা, তিনিচুকীয়া জিলা পৰিষদৰ কাৰ্যবাহী অভিযন্তা অপল হাজৰিকাৰ উপৰিও বহুকেইগৰাকী বিশিষ্ট অতিথিয়ে অংশগ্ৰহণ কৰে। উল্লেখ্য যে, অসমৰ ভূমি সন্তান তথা অসমীয়া জাতিৰ অবিচ্ছেদ্য অংগ মৰাণসকলৰ জাতীয় জীৱনৰ সম্ভাৰ প্ৰবাহ নিজস্ব সমাজ ব্যৱস্থা পৰম্পৰা, ৰীতি-নীতি আৰু কলা-কৃষ্টিৰে সমৃদ্ধ। বৃহত্তৰ অসমীয়া জনজীৱনৰ বাবে ব'হাগ বিহু যেনেকৈ পৰিশীলিত সমাজ জীৱনৰ পৰিচিতৰ বাহক, তেনেকৈয়ে মৰাণসকলৰ বিহুও জাতীয় জীৱন সংগ্ৰামক সুন্দৰভাৱে আগুৱাই লৈ যোৱাৰ অবিচ্ছিন্ন অনাবিল ধাৰক। ব'হাগৰ চান্দ্ৰ মাহৰ মঙ্গলে উৰুকা, বুধে গৰুবিহু হিচাপে লৈ মৰাণসকলে পালন কৰা ৰঙালী বিহুৰ অন্যতম বিশেষত্ব হ'ল ৰাতিবিহু। ধৰ্মীয় ৰীতি-নীতি, পৰম্পৰা, আচাৰ, গীত-মাত, সাজ-পাৰ, নাচৰ ভংগীমা ইত্যাদিৰে পৰিবেষ্টিত এই ৰাতিবিহুৰ পৰম্পৰা অনুসৰি মৰাণ গাঁওসমূহত এই ৰাতিবিহু অনুষ্ঠিত হয়। পূৰ্বৰেপৰা চলি অহা পৰম্পৰা অনুসৰি গাৱঁৰ ডেকাইঁতে প্ৰতিঘৰৰ জীয়ৰীহঁতক ঘৰত গৈ অভিভাৱকক তামোলৰ টোপোলা দি খুজি অনাৰ নিয়ম আছে। কোনো কাৰণতে বিহুৱতী নাচনীৰ হানি-বিঘিনি নঘটাৰ সমস্ত দায়িত্ব মূৰ পাতি লৈ ঘৰে-ঘৰে ছোৱালীবোৰ খুজি আনি ৰাতিবিহু কৰাৰ নিয়ম। ৰাতিবিহু চাবলৈ আহি আন গাঁৱৰ আলহী ডেকাবোৰক তামোলৰ টোপোলা দি বিহুনচুৱাবলৈ দিয়াৰ পৰম্পৰাও এক অনন্য আমোদজনক। ঠিক সেইদৰে বিহু খোলাত তকা দিয়া, উৰুৱা বিহুৰ দিনা আলহী ডেকাবোৰক গোট খুৱাই তামোলৰ টোপোলাৰে বিহু গাবলৈ নিমন্ত্ৰণ কৰা, কেৱল ডেকা আৰু জীয়ৰীয়েহে বিহু নচাৰ পৰম্পৰা মৰাণ জনজাতিৰ অনন্য বৈশিষ্ট্যপূৰ্ণ বিহুৰ ঐতিহ্য। মৰাণ বিহুৰ জৰিয়তে মহা সমন্বয়-সম্প্ৰীতি, সাহস, বিশ্বাস, কৃষ্টি-সংস্কৃতি ৰক্ষাৰ আখৰাৰ বুনিয়াদ ৰচিত হৈছে। ৰচিত হৈছে অসমীয়া মৰাণ ভাষা-সংস্কৃতি, সভ্যতাৰো বুনিয়াদ। ৰচিত হৈছে অসমীয়া জাতিৰ সমাজ-সভ্যতা, ভাষা-কৃষ্টি, ঐতিহ্যৰ মেটমৰা সম্ভাৰৰ চিৰ যুগমীয়া চানেকী অসমীয়া জনজীৱনৰ। ৰাতিবিহু উদ্‌যাপনৰ সময়ত ডেকাসকলে ঢোলৰ সলনি বাঁহৰ চাকচনি বাঁহত কোবাই কোবাই মৰাণ জনজাতিৰ গীত গাই নাচনীসকলক নচুৱাই আনন্দ-উল্লাস কৰে। আলহী ডেকা ল'ৰাসকলক স্থানীয় মৰাণ গাভৰুসকলে বিহুনাম জোৰাৰ সময়ত বজাবলৈ চাকচনি মাৰি সন্মানসহকাৰে প্ৰদান কৰে। তাৰ পাছতে আলহী ডেকাসকলৰ বাবে স্থানীয় ডেকাসকলে বেৰা হিচাপে বান্ধি দিয়া বাঁহৰ বাহিৰৰ পৰা চাকচনিৰ লহৰত বেৰাৰ ভিতৰত ওৰে নিশা ৰাতিবিহু গাই আনন্দ-উল্লাস কৰি গাভৰুসকলক পুনৰ নিজ ঘৰত অভিভাৱকৰ হাতত গতাই দিয়েগৈ। ৰাতিবিহু মৰাণ জনগোষ্ঠীৰ এক ঐতিহ্যবাহী বিহু পৰম্পৰা, যিয়ে মৰাণ জনগোষ্ঠীৰ সংস্কৃতি জীয়াই থকাৰ এক অপূৰ্ব নিদৰ্শন দাঙি ধৰে। প্ৰতিকূল বতৰৰ মাজতো চাকচনিৰ লহৰত মৰাণ জনগোষ্ঠীৰ সাঁজ কলিয়া ৰিহা পৰিধান কৰা নাচনীৰ ভৰিৰ গিৰিপনিত কঁপিল ডুমডুমা নগৰ খেলপথাৰ। উল্লেখ্য যে, এই ৰাতিবিহুৰ পৰম্পৰাই গাঁৱৰ যুৱক-যুৱতীসকলৰ মাজত শৃংখলা, দায়িত্ববোধ আৰু সামূহিকতা গঢ়ি তোলাত বিশেষ ভূমিকা পালন কৰি আহিছে। সঁচাকৈয়ে দায়িত্বশীলতাৰ প্ৰতিশ্ৰুতিৰে ডেকাসকলে গাভৰুসকলৰ নিৰাপত্তা আৰু সন্মান ৰক্ষাৰ পূৰ্ণ দায়বদ্ধতা গ্ৰহণ কৰাটোৱে ৰাতিবিহুক আৰু অধিক প্ৰাসংগিক কৰি তুলিছে। সোমবাৰে নিশাও ডুমডুমাত সহস্ৰাধিক মৰাণ জনগোষ্ঠীৰ ডেকাৰ চাকচনিৰ লহৰত কঁকাল ভাঙি নাচে জনগোষ্ঠীটোৰ হাজাৰ হাজাৰ গাভৰুৱে। মন্তব্য যে, এই ৰাতিবিহুত গাভৰুসকলক নচুওৱাৰ লগতে ব্যতিক্ৰমী ৰাতিবিহু চাবলৈ বহু দৰ্শক তথা আলহীৰো আগমন ঘটে।

# সোণ হৈ জিলিকি ৰহা হাৰিয়ামুখলৈ সুনাম কঢ়িয়াই আনিলে বেদান্ত মুদৈয়ে

**অসম বাৰ্তা, ৰহা, ২৮ এপ্ৰিল ঃ** নগাঁও জিলাৰ ৰহাৰ হাৰিয়ামুখ নিবাসী এগৰাকী মেধাৱী ছাত্ৰ বেদান্ত মুদৈয়ে ঘোষিত হোৱা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত অসাধাৰণ সাফল্য লাভ কৰি অঞ্চলখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। বেদান্তই সকলো বিষয়তে লেটাৰ নম্বৰ লাভ কৰাৰ লগতে মুঠ ৯০ শতাংশ নম্বৰ অৰ্জন কৰি এক উজ্জ্বল উদাহৰণ স্থাপন কৰিছে। টেম্পু চলাই পৰিয়াল পোহপাল কৰা মণিৰাম মুদৈ আৰু গৃহিণী জ্যোতি মুদৈৰ সুপুত্ৰ বেদান্তই সুকল্প মেমৰিয়েল চিনিয়ৰ চেকেণ্ডাৰী স্কুলৰ পৰা এই সফলতা অৰ্জন কৰিছে। তেওঁৰ এই সাফল্যত পৰিয়াল, বিদ্যালয় আৰু সমগ্ৰ অঞ্চলটোত আনন্দৰ বতাহ বোৱাইছে। এই উপলক্ষে ৰহা আঞ্চলিক ছাত্ৰ সন্থা আৰু হাৰিয়ামুখ গাঁৱৰ ৰাইজে বেদান্তৰ বাসগৃহলৈ গৈ তেওঁক অভিনন্দন জ্ঞাপন কৰে আৰু উজ্জ্বল ভৱিষ্যতৰ কামনা কৰে। সাংবাদিকৰ আগত বেদান্তই ভৱিষ্যতে প্ৰশাসনিক বিষয়া হোৱাৰ লক্ষ্য আছে বুলি প্ৰকাশ কৰে। আনহাতে, তেওঁৰ পিতৃ মণিৰাম মুদৈয়ে কয় যে বহু কষ্টৰে টেম্পু চলাই পৰিয়াল চলোৱাৰ মাজতে পুত্ৰক পঢ়ুৱাই আহিছে, আৰু সমাজৰ সহায়-সহযোগ পালে বেদান্তে আগলৈ আৰু ডাঙৰ সফলতা অৰ্জন কৰিব পাৰিব বুলি তেওঁ আশাবাদী।

# আৰ্থিক দৈন্যতাক পৰাজিত কৰি উঃ মাঃ চূড়ান্ত পৰীক্ষাত জিলিকিল বিকাশ হালৈ

**অসম বাৰ্তা, ৰঙিয়া, ২৮ এপ্ৰিল ঃ** দৃঢ় সংকল্প, কঠোৰ অধ্যাৱসায় স্থিৰ লক্ষ্য লৈ আগুৱাই গলে কোনো বাঁধাই জীৱনত হেঙাৰ হৈ থিয় দিব নোৱাৰে। এই কথা পুনৰবাৰ প্ৰতিপন্ন কৰিলে ৰঙিয়াৰ ইউক্লিড ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ ছাত্ৰ তথা নলবাৰী জিলাৰ খাতিকুছি সমীপৰ নীলপুৰৰ বাঁহ-বেতৰ কৰ্মৰে জীৱন যাপন কৰা জীতেন হালৈ আৰু মণিকা হালৈৰ মেধাৱী পুত্ৰ বিকাশ হালৈয়ে। অত্যন্ত গৰীব পৰিয়ালৰ পুত্ৰ বিকাশ হালৈয়ে সদ্যঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ বিজ্ঞান শাখাত ৯০.৪ শতাংশ শতাংশ নম্বৰ লাভ কৰি সুখ্যাতিৰে উত্তীৰ্ণ হৈছে। ৰঙিয়াৰ ইউক্লিড ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ লগতে নিকটাত্মীয়ৰ অৰ্থ সাহায্যৰে অধ্যয়ন কৰা বিকাশ হালৈয়ে ইউক্লিড ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ পৰা পৰীক্ষাত অৱতীৰ্ণ হৈছিল। তেওঁ ইংৰাজীত ৮৪, অসমীয়াত ৯৫, ৰসায়ন বিজ্ঞানত ৯১, পদাৰ্থ বিজ্ঞানত ৯২, উদ্ভিদ-জীৱ বিজ্ঞানত ৯০ নম্বৰ সহ মুঠ ৪৫২ নম্বৰ লাভ কৰে। তেওঁ পাঁচটা বিষয়ত লেটাৰ নম্বৰ লাভ কৰিবলৈ সক্ষম হৈ নিজ ঘৰখন, বিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই অনাৰ উপৰিও অঞ্চলটিলৈকে গৌৰৱ কঢ়িয়াই আনিছে। এনেক্ষেত্ৰত বিকাশ হালৈৰ ফলাফলে অঞ্চলজুৰি আনন্দৰ বন্যা বোৱাইছে। ভৱিষ্যতে এগৰাকী ডক্টৰ হোৱাৰ সপোন দেখা হালৈয়ে সদ্যহতে কোনো এটা কোচিং চেণ্টাৰত নামভৰ্তি কৰাৰ আশা প্ৰকাশ কৰিছে। কোনো সদাশয় ব্যক্তিয়ে মেধাৱী ছাত্ৰ গৰাকীক শৈক্ষিক দিশত আগবঢ়াই নিয়াৰ ক্ষেত্ৰত আগুৱাই আহিলে ৬০০০৩-০২৯২৩ নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে।

## 'আঁচলৰ গাঁঠিত জীৱ বান্ধি বাহন চলাব নাপায়' ঃ ড° দেৱজিৎ শইকীয়া

# মাজুলী মহাবিদ্যালয়ত 'পথ সুৰক্ষা আৰু আইনী বিধান' শীৰ্ষক সজাগতা সভা

**অসম বাৰ্তা, মাজুলী, উজনী মাজুলী, ২৯ এপ্ৰিল ঃ** মাজুলী জিলাৰ আইন সেৱা প্ৰাধিকৰণৰ উদ্য গত জিলা পৰিবহণ বিভাগ আৰু মাজুলী মহাবিদ্যালয়ৰ সহযোগত আজি মাজুলী মহাবিদ্যালয়ত 'পথ সুৰক্ষা আৰু আইনী বিধান' শীৰ্ষক এখনি বিশেষ সজাগতা সভা অনুষ্ঠিত হয়। দুপৰীয়া ১২.৩০ বজাৰ পৰা মহাবিদ্যালয়ৰ 'সত্ৰাধিকাৰ পদ্মকান্তদেৱ গোস্বামী সভাকক্ষ'ত অনুষ্ঠিত সভাত জিলী আইন সেৱা প্ৰাধিকৰণৰ কৰ্মচাৰী ৰাজীৱ শইকীয়াই জিলা আইন সেৱা প্ৰাধিকৰণ গঠনৰ উদ্দেশ্য আৰু ইয়াৰ কাৰ্যপ্ৰন্থাৰ বিষয়ে সকলোকে অৱগত কৰে। সমাজৰ কোনসকল লোকে বিনামূলীয়াকৈ এই প্ৰাধিকৰণৰ দ্বাৰা আইন সেৱা লাভ কৰিব পাৰে তাৰ বিষয়েও তেওঁ ব্যাখ্যা কৰে। জিলা আইন সেৱা প্ৰাধিকৰণৰ সচিব সন্দীপ কৌশিকে ১৮ বছৰৰ অনুৰ্ধৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে যান-বাহন চলোৱাৰ ক্ষেত্ৰত থকা নিয়মাৱলীৰ বিষয়ে শিক্ষাৰ্থীসকলক অৱগত কৰে। লগতে মাদক দ্ৰব্য সেৱন কৰি যান-বাহন চলোৱাৰ বিৰুদ্ধে থকা আইনগত ব্যৱস্থা, যান-বাহনৰ বীমাৰ প্ৰয়োজনীয়তা, প্ৰদূষণ নিয়ন্ত্ৰণৰ প্ৰমাণ-পত্ৰ, পথৰ নিৰ্ধাৰিত গতিবেগ নিয়ন্ত্ৰণ আদি বিভিন্ন প্ৰয়োজনীয় বিষয় ব্যাখ্যা কৰি ছাত্ৰ-ছাত্ৰীসকলক আপ্লুত কৰে। নিজৰ বক্তব্যত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই তীব্ৰ বেগে বাহন চলাই দুৰ্ঘটনাগ্ৰস্ত হৈ নিজৰ লগতে পৰিয়াল-পৰিজনৰ বধৰ ভাগি নহ'বলৈ ছাত্ৰ-ছাত্ৰীসকলক পৰামৰ্শ দি কয়, "আঁচৰ গাঁঠিত জীৱ বান্ধি লৈ যিকোনো বাহন চলোৱা উচিত নহয়। পথৰ দাঁতিত থকা সাৱধান-বাৰ্তাবোৰলৈ মন নিদিয়াৰ বাবেই আচম্বিতে বহুতো পৰিয়াললৈ অবাঞ্ছিত অমানিশাৰ ঘনঘোৰ আন্ধাৰ নামি আহে।" জিলা পৰিবহণ বিষয়া মণ্টু কুমাৰ দাসে পথ সুৰক্ষাৰ প্ৰয়োজনীয়তাৰ বিষয়ে আলোকপাত কৰে। পথ দুৰ্ঘটনাক এক গোপন ঘাতক বুলি অভিহিত কৰি তেওঁ মাজুলী জিলাত ক্ৰমান্বয়ে বৃদ্ধি পোৱা পথ দুৰ্ঘটনাৰ বাবে উদ্বিগ্নতা প্ৰকাশ কৰে আৰু যান-বাহন চলোৱাৰ নিৰ্দেশনাসমূহ মানি চলিবলৈ সকলোকে অনুৰোধ কৰে। পথ প্ৰৱৰ্তক পৰিদৰ্শক আব্দুল ৰেজ্জাকে পথ সুৰক্ষাৰ পঞ্চসূত্ৰৰ বিষয়ে ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰি এই সূত্ৰসমূহ অমান্য কৰাৰ বাবে ঘটা বিভিন্ন ভয়াবহ দুৰ্ঘটনাৰ বিষয়ে উল্লেখ কৰে। যান-বাহন পৰিদৰ্শক জোনমণি গঞ্জুৱে বাহন অনুজ্ঞাপত্ৰৰ বিষয়ে সকলোকে অৱগত কৰে। প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া, শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, অভ্যন্তৰীণ মান নিশ্চিকৰণ কোষৰ সমন্বয়ক বসন্ত বৰা, শিক্ষক গোটৰ সভাপতি ড° ব্ৰজেন চন্দ্ৰ নেওগ, সম্পাদক ড° অনুপ কুমাৰ দলে, জ্যেষ্ঠ অধ্যাপক সুৰেন চন্দ্ৰ দাস, ড° দেৱজ্যোতি ভট্টাচাৰ্য, ড° বিশাল ভূঞা, ড° শ্বাহনাজ আহমেদ, সাংবাদিক ৰাজীৱ দত্ত প্ৰমুখ্য অধ্যাপকসকলৰ উপৰি শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। শেষত মহাবিদ্যালয়ৰ তৰফৰ পৰা এনে এটি অনুষ্ঠান অনুষ্ঠিত কৰি শিক্ষাৰ্থীসকলক পথ সুৰক্ষা আইন সম্পৰ্কে অৱগত কৰাৰ বাবে মাজুলী জিলা আইন সেৱা প্ৰাধিকৰণ আৰু জিলা পৰিবহণ বিভাগক মহাবিদ্যালয় কৰ্তৃপক্ষৰ হৈ ড° দেৱজ্যোতি ভট্টাচাৰ্যই ধন্যবাদ জনায়।

## ৪১ গৰাকী পৰিক্ষাৰ্থীয়ে লাভ কৰে ৯০ শতাংশ নম্বৰৰ অধিক

# উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলত এশ শতাংশ উত্তীৰ্ণৰে গহপুৰৰ শংকৰদেৱ শিক্ষা নিকেতনৰ চমকপ্ৰদ সাফল্য

## সমাজতত্ত্ব বিষয়ত ১১ জনৰ এশ শতাংশ নম্বৰ লাভ

**অসম বাৰ্তা, গহপুৰ, ২৯ এপ্ৰিল ঃ** যুদ্ধ জয়ৰ দৰে প্ৰতিটো পৰীক্ষাৰ ফলাফলত সাফল্যৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হোৱা গহপুৰৰ শংকৰদেৱ শিক্ষা নিকেতনে কালি ঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ ফলাফলত চমকপ্ৰদ সফলতা লাভ কৰিবলৈ সক্ষম হয়। সুস্থ বিদ্যায়তনিক পৰিৱেশৰ মাজেৰে এশ শতাংশ উত্তীৰ্ণৰ গৰিমা অটুট ৰখা শংকৰদেৱ শিক্ষা নিকেতন, গহপুৰে আজি ঘোষিত ফলাফলতো একেই ধাৰাবাহিকতা অটুট ৰাখিবলৈ সক্ষম হয়। উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ আজি ঘোষিত ফলাফলত সমাজত্ব বিষয়ত অসমৰ ভিতৰত এশ শতাংশ নম্বৰ পোৱা মুঠ ১৪ গৰাকী পৰিক্ষাৰ্থীৰ ১১ গৰাকীয়েই হৈছে শংকৰদেৱ শিক্ষা নিকেতন, গহপুৰৰ। সমাজত্ব বিষয়ত এশ শতাংশ নম্বৰ পোৱা ছাত্ৰ-ছাত্ৰী সকল হৈছে জুমনি বৰা, বেদান্ত গগৈ, অনুৰাগ মহন্ত গগৈ, অৰিজিত হাজৰিকা, ৰাবৰি ফুকন, দুনা দেউৰী, প্ৰয়াসী শইকীয়া, পপী বৰা, আস্থাজিতা বৰুৱা, প্ৰাচুৰ্য মহন্ত আৰু প্ৰাঞ্জনা বৰুৱা। ইপিনে বিজ্ঞান শাখাৰ ফলাফলত ৮১ গৰাকীৰ ভিতৰত ৮১ গৰাকীয়েই যথেষ্ট ভাল ফলাফল দেখুৱাবলৈ সক্ষম হৈছে। ইয়াৰে ১২ গৰাকীয়ে ৯০ শতাংশৰ ওপৰত নম্বৰ লাভ কৰি বিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই আনিছে। ঘোষিত ফলাফলত ৰক্তপল হাজৰিকাই ৯৫.২ শতাংশ, প্ৰিয়ম কাকতিয়ে ৯৪.২ শতাংশ, স্নেহদীপ বৰুৱাই ৯৩ শতাংশ, দলে মৰাঙে ৯২.৪ শতাংশ, ৰাজদ্বীপ বিশ্বাসে ৯২.২ শতাংশ, স্পন্দন হাজৰিকাই ৯২ শতাংশ, বনিশিখা বৰাই ৯১.৬ শতাংশ, জয় শৰ্মাই ৯১.৪ শতাংশ, আস্থা প্ৰিয়ম বৰাই ৯১.২ শতাংশ, প্ৰিতম দাসে ৯১.২ শতাংশ, ভাস্কৰ কুটুমে ৯১.২ শতাংশ আৰু মিলনজ্যোতি শইকীয়াই লাভ কৰে ৯০.৪ক্ষ নম্বৰ। একদৰে কলা শাখাত ৮৫ গৰাকীৰ ভিতৰত ৮৫ গৰাকীয়েই চমকপ্ৰদ সফলতা লাভ কৰে। ইয়াৰে ২৯ গৰাকীয়ে ৯০ শতাংশৰ ওপৰত নম্বৰ লাভ কৰি বিদ্যালয়খনৰ নাম উজলাই তুলিছে। ইয়াৰ ভিতৰত জুমনি বৰাই ৯৪.৮০ শতাংশ, দিব্যাংগনা শৰ্মাই ৯৪.৬০শতাংশ , প্ৰিয়ম চুবেদীয়ে ৯৪.৪০ শতাংশ, বেদান্ত গগৈয়ে ৯৪.২০ শতাংশ, সুপ্ৰিয়া অধিকাৰীয়ে ৯৪.০০ শতাংশ, সমীক্ষা বৰাই ৯৩.৮০শতাংশ, অনুৰাগ মহন্ত গগৈয়ে ৯৩.২০ শতাংশ, আস্থাজিতা বুঢ়াগোহাঁয়ে ৯৩.২০ শতাংশ, লিজা বৰাই ৯৩.২০ শতাংশ, খাকচাং দেৱবৰ্মাই ৯৩.০০ শতাংশ, মানৱ জ্যোতি কুটুমে ৯২.৮০ শতাংশ, অৰিজিত হাজৰিকাই ৯২.৪০ শতাংশ, ল'লাড জ্যোতি পেগুৱে ৯২.৪০ শতাংশ, ৰাবৰি ফুকনে ৯২.৪০ শতাংশ, দেৱজানি হাজৰিকাই ৯২.২০ শতাংশ, সৃজনী ৰাজখুৱাই ৯২.২০ শতাংশ, দুনা ডেউৰীয়ে ৯২.০০ শতাংশ, প্ৰয়াসী শইকীয়াই ৯২.০০ শতাংশ, কস্তুৰিকা কশিকে ৯১.৮০ শতাংশ, ৰাখি চুতীয়াই ৯১.৬০ শতাংশ, দেৱশী বৰাই ৯১.৪০ শতাংশ, দিপশিখা চুংগৰাংগে ৯১.২০ শতাংশ, কাবেৰী বৰাই ৯০.৮০ শতাংশ, পপি বৰাই ৯০.৮০ শতাংশ, সঞ্জিতা দেৱীয়ে ৯০.৬০ শতাংশ, সংগীতা হাজৰিকাই ৯০.৪০ শতাংশ, কৰছাং দলেই ৯০.২০ শতাংশ, প্ৰতিভা প্ৰকাশী দেৱীয়ে ৯০.২০ক্ষ আৰু চিতল ছেত্ৰীয়ে লাভ কৰে ৯০.০০ক্ষ নম্বৰ। শংকৰদেৱ শিক্ষা নিকেতনৰ এই চমকপ্ৰদ সফলতাকলৈ আনন্দৰ ঢল বৈছে বিদ্যালয়খনত। প্ৰতিষ্ঠাৰ অতি কম দিনৰ ভিতৰতে বিদ্যালয়খনে শৈক্ষিক মানদণ্ড উন্নত কৰি এনেদৰে সফলতাৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হোৱাত গহপুৰ তথা উত্তৰ অসমৰ শিক্ষানুৰাগী ৰাইজে যথেষ্ট সন্তোষ প্ৰকাশ কৰিছে। উন্নত ফলাফলৰ জৰিয়তে বিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই অনা প্ৰতিগৰাকী কৃতিমানক শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰিছে শংকৰদেৱ শিক্ষা নিকেতনৰ সভাপতি উদয় আদিত্য গোস্বামী আৰু অধ্যক্ষ জয়ন্ত শইকীয়াই।

# উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত ৯০ শতাংশ নম্বৰেৰে গৌৰৱ কঢ়িয়ালে ৰেংমাই গাঁৱৰ তুষা চুতীয়াই

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, সৰুপথাৰ, ২৯ এপ্ৰিল ঃ** সদ্যঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলত ৯০ শতাংশ নম্বৰ লাভ কৰি সৰুপথাৰ সমজিলাৰ ৰেংমাই গাঁৱলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে তুষা চুতীয়া নাম এগৰাকী ছাত্ৰীয়ে। তুষা চুতীয়াই পি.এম.শ্ৰী. সৰুপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা কলা শাখাত উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষা দিছিল। তুষা পঢ়া-শুনাৰ ক্ষেত্ৰত অত্যধিক সচেতন আছিল আৰু স্কুলৰ বাদে ঘৰত প্ৰায় গধূলি সময়ত বেছিকৈ কিতাপ পঢ়িছিল। তুষা চুতীয়া ৰেংমাই গাঁৱৰ বাসিন্দা চন্দন চুতীয়া আৰু জোনালী চুতীয়াৰ কন্যা। ছাত্ৰী গৰাকীয়ে উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ইংৰাজীত ৮৪, অসমীয়াত ৯১, ৰাজনীতি বিজ্ঞানত ৯৩, অৰ্থনীতি বিষয়ত ৯১, হেল্‌থ কেয়াৰত ৯১ আৰু শিক্ষা বিষয়ত ৮৫ নম্বৰ লাভ কৰিছে। তুষা চুতীয়াই এই বাৰ পি.এম.শ্ৰী. সৰুপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভিতৰতে সৰ্বাধিক নম্বৰ লাভ কৰা ছাত্ৰী হিচাপে পৰিগণিত হৈছে। ছাত্ৰী গৰাকীক ৰিজাল্ট ঘোষণা কৰাৰ দিনাই পি.এম.শ্ৰী. সৰুপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ তৰফৰ পৰা আনিষ্ঠানিকভাৱে বিদ্যালয়ৰ কৰ্তৃপক্ষই সম্বৰ্ধনা জ্ঞাপন কৰে। তুষাৰ সফলতাত পিতৃ-মাতৃ আৰু বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে সমগ্ৰ ৰেংমাই গাঁৱবাসী ৰাইজ গৌৰৱান্বিত হৈ পৰিছে।

# দৰিদ্ৰতাৰ প্ৰাচীৰ ভাঙি উজলিল চালকৰ কন্যা পৰিস্মিতা কুৰ্মী

**অসম বাৰ্তা, খুমটাই, ২৯ এপ্ৰিল ঃ** ভোলাগুৰি আদৰ্শ বিদ্যাপীঠৰ এগৰাকী মেধাৱী ছাত্ৰী পৰিস্মিতা কুৰ্মীয়ে উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উৎকৃষ্ট ফলাফল প্ৰদৰ্শন কৰি সমগ্ৰ অঞ্চলটোক গৌৰৱান্বিত কৰিছে। তেওঁ বিজ্ঞান শাখাত ৮০.২ শতাংশ নম্বৰ লাভ কৰি বিদ্যালয়খনৰ ভিতৰত সৰ্বোচ্চ স্থান দখল কৰিবলৈ সক্ষম হয়। অতি দৰিদ্ৰ পৰিয়ালত জন্মগ্ৰহণ কৰা পৰিস্মিতাৰ এই সাফল্য সহজে অহা নহয়। তেওঁৰ পিতৃ এজন সাধাৰণ চালক, যিয়ে দিন-ৰাতি কঠোৰ পৰিশ্ৰম কৰি পৰিয়ালটো চলোৱাৰ লগতে কন্যাৰ শিক্ষাৰ খৰচ বহন কৰি আহিছে। সীমিত আয় আৰু জীৱনৰ বহুতো অভাৱ-অনাটনৰ মাজতো তেওঁ কেতিয়াও কন্যাৰ শিক্ষাত বাধা আহিবলৈ নিদিলে। মাতৃয়েও দিন হাজিৰা কৰি কন্যাৰ পঢ়া-শুনাত সহায় আগবঢ়াইছিল। পৰিস্মিতাৰ এই অসাধাৰণ সাফল্য তেওঁৰ মেধা, কঠোৰ অধ্যৱসায় আৰু অদম্য মনোবলৰ ফল। বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে তেওঁক একে মুখে প্ৰশংসা কৰি কয় যে তেওঁ সদায় অধ্যয়নৰ প্ৰতি আন্তৰিক আৰু শৃংখলাবদ্ধ আছিল। পাঠ্যপুথিৰ লগতে বাহিৰৰ জ্ঞান আহৰণতো তেওঁৰ গভীৰ আগ্ৰহ দেখা গৈছিল। ফলাফল ঘোষণাৰ পিছত কন্যাৰ সফলতা দেখি তেওঁৰ পিতৃ-মাতৃৰ চকুত আনন্দৰ অশ্ৰু বিৰাজ কৰে। পৰিয়ালটোৰ বাবে ই এক গৌৰৱৰ মুহূৰ্ত। পৰিস্মিতাৰ এই কৃতিত্বই প্ৰমাণ কৰিছে যে দৰিদ্ৰতা কোনো বাধা নহয়, যদি থাকেড দৃঢ় সংকল্প আৰু কঠোৰ পৰিশ্ৰমৰ মানসিকতা। ভৱিষ্যতে এগৰাকী চিকিৎসক হোৱাৰ সপোন দেখা পৰিস্মিতাই চিকিৎসা বিজ্ঞানত উচ্চ শিক্ষা গ্ৰহণ কৰি সমাজৰ দুখীয়া লোকসকলৰ সেৱা কৰিব বিচাৰে। তেওঁৰ এই মহৎ লক্ষ্যই সমাজৰ বহু তৰুণ-তৰুণীৰ বাবে অনুপ্ৰেৰণাৰ উৎস হৈ পৰিছে। সঁচাকৈয়ে, পৰিস্মিতা কুৰ্মীৰ এই সাফল্যই দেখুৱাইছে যে সাধনা, অধ্যৱসায় আৰু দৃঢ় মনোবল থাকিলে জীৱনৰ যিকোনো প্ৰতিকূলতাক জয় কৰিব পাৰি। তেওঁৰ উজ্জ্বল ভৱিষ্যতৰ বাবে সকলোৱে শুভেচ্ছা আৰু আশীৰ্বাদ অব্যাহত থাকিল।

# দৰিদ্ৰতাক নেওচি বিজ্ঞান শাখাত উজ্বলিল ই-ৰিস্কা চালকৰ কন্যা

**অসম বাৰ্তা, দলগাঁও, ২৯ এপ্ৰিল ঃ** যোৱা কালি ঘোষণা হোৱা উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাৰ ফলাফলত এক গৌৰৱোজ্জ্বল অধ্যায়ৰ সূচনা কৰিছে দলগাঁৱৰ শিলবৰীৰ এগৰাকী মেধাবী ছাত্ৰীয়ে। সকলো বাধা-বিপত্তি আৰু চৰম দৰিদ্ৰতাক নেওচি দলগাঁও আঞ্চলিক জাতীয় বিদ্যালয়ৰ বিজ্ঞান শাখাৰ ছাত্ৰী গৰাকীয়ে ৯৩.২ শতাংশ নম্বৰ লাভ কৰি সমগ্ৰ অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে। ছাত্ৰী গৰাকীৰ এই সাফল্যই বিশেষ চৰ্চা লাভ কৰাৰ আঁৰত আছে তেওঁৰ পৰিয়ালৰ সংগ্ৰামৰ কাহিনী। তেওঁৰ পিতৃ ছহিদুল ইছলাম পেছাত এজন ই-ৰিস্কা চালক। দিনটো ৰাজপথত ই-ৰিস্কা চলাই যি উপাৰ্জন হয় তাৰেই অতি কষ্টেৰে ছহিদুল ইছলামে পৰিয়ালটো পোহ-পাল দিয়াৰ লগতে কন্যাৰ পঢ়া-শুনাৰ খৰচ যোগাৰ কৰি আহিছিল। আৰ্থিক অৱস্থা অত্যন্ত শোচনীয় হোৱা সত্ত্বেও পিতৃ-কন্যাৰ একাগ্ৰতাৰ ফলত আজি এই বৃহৎ সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। ছাত্ৰীগৰাকীৰ এই কৃতিত্বত এতিয়া শিলবৰী গাঁৱৰ লগতে সমগ্ৰ দলগাঁও অঞ্চলত আনন্দৰ লহৰ উঠিছে। এয়া কেৱল এটা পৰিয়ালৰ নহয় বৰঞ্চ কঠোৰ পৰিশ্ৰম আৰু মেধাৰ এক অনন্য জয় বুলি অভিহিত কৰিছে অঞ্চলবাসীয়ে। দৰিদ্ৰতাই যে মেধাৰ পথত হেঙাৰ হ'ব নোৱাৰে তাকেই প্ৰমাণ কৰি দেখুৱালে এইগৰাকী ছাত্ৰীয়ে। বিভিন্ন দল-সংগঠন তথা স্থানীয় ৰাইজে ছাত্ৰীগৰাকীৰ বাসগৃহত উপস্থিত হৈ তেওঁক অভিনন্দন জনোৱাৰ লগতে উজ্জ্বল ভৱিষ্যত কামনা কৰিছে।

## সম্পাদকীয়

# পথ দুৰ্ঘটনা

২০২৬ চনৰ প্ৰথম তিনিমাহত অসমৰ পথে-প্ৰান্তে সংঘটিত হোৱা ৪২১৯টা দুৰ্ঘটনাত ১০০৮জন লোকে প্ৰাণ হেৰুওৱাৰ বাতৰিটোৱে এক গভীৰ উদ্বেগৰ সৃষ্টি কৰিছে। পৰিবহণ বিভাগৰ তথ্য অনুসৰি, যদিও ২০২৫ চনৰ দুৰ্ঘটনাৰ সংখ্যা প্ৰায় একে (৪২৩২ টা) আৰু মৃত্যুৰ সংখ্যা সামান্য হ্ৰাস পাইছে (১০৩৫ লৈ), তথাপি প্ৰতিদিনে গড়ে ১১জন লোকৰ মৃত্যু হোৱাটো এক অসহনীয় বাস্তৱ। মূল বিষয়টো হৈছে, দুৰ্ঘটনাৰ সংখ্যা স্থিৰ থকা সত্ত্বেও মৃত্যুৰ হাৰ মাত্ৰ ২.৬ শতাংশহে কমিছে, যিয়ে স্পষ্ট কৰে যে অসমৰ পথসমূহ এতিয়াও যথেষ্ট নিৰাপদ নহয়। চৰকাৰী পৰিসংখ্যাই আৰু উল্লেখ কৰিছে যে গুৱাহাটী মহানগৰ, কামৰূপ, নগাঁও, লখিমপুৰ, শোণিতপুৰ, গোলাঘাট, বৰপেটা, ধুবুৰী আৰু হোজাই - এই নখন জিলাত মুঠ মৃত্যুৰ প্ৰায় ৫০ শতাংশ ঘটিছে। অন্যহাতে, শোণিতপুৰ, নগাঁও, ধেমাজি, তিনিচুকীয়া, ডিব্ৰুগড় আৰু বিশ্বনাথ জিলাত মৃত্যুৰ সংখ্যা যথেষ্ট হ্ৰাস পাইছে। ই জিলা পৰ্যায়ৰ হস্তক্ষেপ আৰু কঠোৰ বলৱৎকৰণৰ সফলতাৰ উদাহৰণ। প্ৰশ্ন উঠে, যি জিলাবোৰত হ্ৰাস সম্ভৱ হৈছে, সেই জিলাবোৰৰ পদক্ষেপবোৰ আন জিলাত কিয় প্ৰয়োগ কৰা নহয়?

মুখ্য সচিব শ্ৰী ৰবি কোটাই সভাপতিত্ব কৰা পথ সুৰক্ষা পৰ্যালোচনা বৈঠকত জিলা উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকসকলক প্ৰতিটো দুৰ্ঘটনাৰ মূল কাৰণ বিশ্লেষণ কৰি তৎক্ষণাত সংশোধনী ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিয়া হৈছে। কিন্তু সাধাৰণ নাগৰিকৰ মনত কেইবাটাও প্ৰশ্নৰ উত্থাপন হৈছে। প্ৰথমতে, যি ব্লেক স্পটবোৰ চিনাক্ত কৰা হৈছে সেইবোৰৰ কিমান শতাংশত প্ৰকৃততে সংকেত, গতিবেগ নিয়ন্ত্ৰক বা ব্যৱস্থাগত পৰিৱৰ্তন আনি সমস্যাৰ মুলতে সমাধান কৰা হৈছে? দ্বিতীয়তে, 'গুৰুতৰ সূচক' (Severity Index) অসমৰ ০.২৪, যি ৰাষ্ট্ৰীয় গড় ০.৩৬তকৈ ভাল যদিও কেৰালা (০.১০) আৰু তামিলনাডু (০.১৩)ৰ তুলনাত বহু পিছত। মৃত্যুৰ এই উচ্চ হাৰৰ বাবে অতি বেগ, মদপান, হেলমেট আৰু চীট বেল্টৰ ব্যৱহাৰ নকৰা আদি কিমান দায়ী? এইবোৰৰ বিৰুদ্ধে কঠোৰ অভিযানৰ প্ৰভাৱ কিয় সীমিত?

আন এক গুৰুত্বপূৰ্ণ দিশ হৈছে ঘাইপথৰ অব্যৱস্থাপনা আৰু অপৰ্যাপ্ত পোহৰ। বহু ঠাইত পথৰ গাঁত, পৰ্যাপ্ত পোহৰ নথকা আৰু জীৱ-জন্তুৰ উপদ্ৰৱৰ বাবেও দুৰ্ঘটনা ঘটে। চৰকাৰে প্ৰায়েই 'ব্লেক স্পট সংশোধন'ৰ কথা কয়, কিন্তু এই সংশোধনী কামৰ সময়সীমা আৰু মান নিয়ন্ত্ৰণ কিমান কঠোৰ? লগতে, দুৰ্ঘটনাৰ পিছত প্ৰাথমিক চিকিৎসা আৰু দ্ৰুত উদ্ধাৰ ব্যৱস্থা কিমান সুলভ? প্ৰতি ক্ষণত প্ৰাণ হেৰুওৱা লোকৰ পৰিয়াল বাবে আপোনজনক অকালতে হেৰুওৱাৰ যন্ত্ৰণা অতি গভীৰ।

এই পৰিস্থিতিত কেৱল পৰিসংখ্যাৰ গড় নমাই আনিলেই নহয়। সেই মৃত্যুবোৰক সন্মান জনাই হ'লেও চৰকাৰক সক্ৰিয় ভূমিকা গ্ৰহণ কৰিবই লাগিব। জিলা পথ সুৰক্ষা সমিতিবোৰে কঠোৰতাৰে বৈঠক কৰা উচিত, কিন্তু তাৰ লগতে স্বাধীন নিৰীক্ষণ ব্যৱস্থাও আৱশ্যক। দ্ৰুতগতিৰ গাড়ী, মদ খাই গাড়ী চলোৱা, অপ্ৰাপ্তবয়স্ক ড্ৰাইভিংৰ বাবে জৰিমনা আৰু কাৰাবাসৰ ব্যৱস্থা কঠোৰ কৰাৰ লগতে ইলেক্ট্ৰনিক চাৰা প্ৰণালী (e-challan) কাৰ্যকৰী কৰাটো জৰুৰী। বিশেষকৈ যি নখন জিলাত ৫০ শতাংশ মৃত্যু হৈছে, সেই জিলাবোৰত অতিৰিক্ত মোবাইল ট্ৰাফিক ইউনিট মোতায়েন কৰক। লগতে, জনসাধাৰণৰ সজাগতা অভিযান কেৱল চৰকাৰী বিবৃতিত সীমাবদ্ধ নাথাকি, স্কুল-কলেজ, নামঘৰ, থানাসমূহত সাপ্তাহিক ভিত্তিত চলাব লাগিব।

শেষত, পথ দুৰ্ঘটনা মাতৃত্বকালীন বা সংক্ৰামক ৰোগৰ দৰে এক প্ৰতিষেধযোগ্য মৃত্যুৰ কাৰণ। মুখ্য সচিবৰ নিৰ্দেশনা অনুসৰি যদি প্ৰতিটো দুৰ্ঘটনাৰ পিছত প্ৰকৃত অৰ্থত বিশে-ষণ আৰু সংশোধনী ব্যৱস্থা গ্ৰহণ কৰা হয়, তেন্তে অসম কেৰালা বা তামিলনাডুৰ দৰে নিৰাপদ ৰাজ্য হ'ব পাৰে। কিন্তু তাৰ বাবে প্ৰশাসনৰ প্ৰতিটো স্তৰত - জিলা উপায়ুক্তৰ পৰা আৰক্ষী কনিষ্টবল লৈ- মনোভাবৰ পৰিৱৰ্তন অতি প্ৰয়োজন। আমাৰ পথ এতিয়াও প্ৰাণ লৈছে, আৰু প্ৰতিদিনে ১১টা পৰিয়ালৰ চকুপানী ৰখাৰ কোনো যান্ত্ৰিক পৰিসংখ্যা নহয়, ই এক জাতীয় ট্ৰেজেদী। চৰকাৰে এই বিষয়টোক 'সাধাৰণ পৰিসংখ্যা'ৰ পৰিৱৰ্তে 'শীৰ্ষ প্ৰাধান্য'ৰ তালিকাত ৰাখি দ্ৰুত পদক্ষেপ নল'লে, এই শোকৰ গড়ক কেতিয়াও সামৰিব নোৱাৰি।



পৰিয়ালৰ এই গাঁথনিগত পৰিৱৰ্তনৰ আটাইতকৈ স্পৰ্শকাতৰ আৰু সুদূৰপ্ৰসাৰী পৰিণতি হৈছে সন্তানৰ লালন-পালন আৰু সামাজিকীকৰণৰ প্ৰক্ৰিয়াত সৃষ্টি হোৱা জটিলতা। অতীতৰ যৌথ পৰিয়াল ব্যৱস্থাত, সন্তানৰ সামাজিকীকৰণ কেৱল পিতৃ-মাতৃৰ দ্বাৰাই নহয়, বৰং ককা-আইতা, খুৰা-খুৰী আৰু আন আত্মীয়-স্বজনৰ দ্বাৰাও সম্পন্ন হৈছিল। এই ব্যৱস্থাই সন্তানক এক বৃহৎ পৰিয়ালৰ সামাজিক জ্ঞান, নৈতিক শিক্ষা, আৰু অভিজ্ঞতা আহৰণৰ সুযোগ দিছিল, যিয়ে তেওঁলোকৰ ব্যক্তিত্বক অধিক পৰিপক্ক আৰু সামাজিকভাৱে সুদৃঢ় কৰি তুলিছিল। কিন্তু বৰ্তমানৰ একক পৰিয়ালত, কৰ্মৰত পিতৃ-মাতৃৰ বাবে সন্তানক গুণগত আৰু পৰ্যাপ্ত সময় দিয়াটো এক ডাঙৰ প্ৰত্যাহ্বান। পিতৃ-মাতৃৰ কৰ্মব্যস্ততাৰ ফলত সন্তানে প্ৰায়েই তেওঁলোকৰ আৱেগিক সান্নিধ্য, নিৰ্দেশনা আৰু মৰমৰ অভাৱ অনুভৱ কৰে। এই অভাৱ পূৰণ কৰিবলৈ, সন্তানে ডে-কেয়াৰ কেন্দ্ৰ, ব্যক্তিগত শিক্ষাদান ব্যৱস্থা বা ইলেক্ট্ৰনিক মাধ্যমৰ ওপৰত অধিক নিৰ্ভৰশীল হ'বলগীয়া হৈছে।

# পৰিয়াল ব্যৱস্থাৰ ৰূপান্তৰ আৰু ইয়াৰ পৰিণতি

পৰিয়াল হৈছে মানৱ সমাজৰ আটাইতকৈ মৌলিক আৰু অপৰিহাৰ্য ভেটি, যিয়ে কেৱল বংশগতিৰ ধাৰাবাহিকতাই নহয়, বৰং সামাজিকতা, আৱেগিক সংহতি, নৈতিকতা আৰু সংস্কৃতিক এক প্ৰজন্মৰ পৰা আন এক প্ৰজন্মলৈ কঢ়িয়াই নিয়ে। ই ব্যক্তিৰ জীৱনৰ প্ৰাথমিক শিক্ষাস্থলী, য'ত মৰম, সহযোগিতা, আৰু দায়বদ্ধতাৰ প্ৰথম পাঠ গ্ৰহণ কৰা হয়। পৰিয়ালৰ মাজত নিহিত হৈ থকা আন্তৰিকতাই ব্যক্তিৰ মনস্তাত্বিক সুস্থিৰতা আৰু সমাজৰ সামগ্ৰিক স্থিতি নিৰ্ধাৰণ কৰে। কিন্তু সাম্প্ৰতিক বিশ্বজুৰি যি দ্ৰুত আৰু অভূতপূৰ্ব পৰিৱৰ্তনৰ ঢৌ আহিছে, তাৰ ফলত এই চিৰাচৰিত পৰিয়াল ব্যৱস্থাৰ ৰূপ, কাৰ্যক্ৰম, আৰু আভ্যন্তৰীণ সম্পৰ্কত এক গভীৰ আৰু ব্যাপক ৰূপান্তৰ আহিছে। অতীতৰ কৃষিভিত্তিক সমাজত, যৌথ পৰিয়ালেই আছিল মূল আধাৰস্বৰূপ, য'ত কেইবাটাও প্ৰজন্মৰ লোকে একেলগে বাস কৰিছিল আৰু ভূমি তথা সম্পদসমূহৰ ওপৰত ভিত্তি কৰি এক শক্তিশালী অৰ্থনৈতিক আৰু সামাজিক নিৰাপত্তা প্ৰদান কৰিছিল। এই ব্যৱস্থাত, পৰিয়াল কেৱল এটা বাসস্থানৰ স্থান নাছিল, ই আছিল উৎপাদনৰ একক, জ্ঞান আৰু প্ৰজ্ঞাৰ স্থানান্তৰৰ কেন্দ্ৰ, আৰু সামাজিক নিয়ন্ত্ৰণৰ আধাৰ। কিন্তু ব্যক্তিগত স্বতন্ত্ৰতাৰ ধাৰণা শক্তিশালী হোৱা, কৰ্মসংস্থাপনৰ সন্ধানত জনসাধাৰণৰ গ্ৰাম্য অঞ্চলৰ পৰা চহৰ-নগৰলৈ প্ৰব্ৰজন, আৰু আধুনিক শিক্ষাৰ প্ৰসাৰৰ ফলত যুটীয়া পৰিয়ালৰ বান্ধোন ক্ৰমাৎ শিথিল হৈ পৰিছে। এই ঐতিহাসিক ৰূপান্তৰৰ ফলস্বৰূপে, ক্ষুদ্ৰ বা কেন্দ্ৰীভূত পৰিয়ালৰ প্ৰাদুৰ্ভাৱ বৃদ্ধি পাইছে, য'ত কেৱল স্বামী-স্ত্ৰী আৰু তেওঁলোকৰ অবিবাহিত সন্তানেহে একেলগে বাস কৰে। এই নতুন গাঁথনিয়ে ব্যক্তিক নিজৰ কেৰিয়াৰ, উচ্চাকাংক্ষা আৰু ব্যক্তিগত পছন্দসমূহ পূৰণৰ বাবে যথেষ্ট স্বাধীনতা প্ৰদান কৰিছে যদিও, ই সামাজিক সংযোগ, আত্মীয়তা আৰু সামূহিক দায়িত্ববোধৰ পৰিসৰ ক্ৰমান্বয়ে সংকুচিত কৰি আনিছে। এই সংকুচিত পৰিৱেশত, ব্যক্তিৰ ওপৰত মানসিক চাপ, আৱেগিক নিৰাপত্তাহীনতা, আৰু অকলশৰীয়াভাৱৰ বোজা বাঢ়িছে, যিটো নতুন সমাজৰ এক ডাঙৰ মনস্তাত্বিক সমস্যা। এই পৰিৱৰ্তনসমূহে পৰিয়ালৰ কেৱল বাহ্যিক গাঁথনিকে নহয়, বৰং ইয়াৰ আন্তৰিক মূল্যবোধ আৰু আৱেগিক বুজাবুজিসমূহতো গভীৰভাৱে প্ৰতিফলিত হৈছে, যিয়ে সমাজৰ মূল ভেটিটোক এক নতুন ধৰণে সংজ্ঞায়িত কৰিছে।

পৰিয়াল ব্যৱস্থাৰ এই ব্যাপক ৰূপান্তৰৰ মূল কাৰকসমূহৰ ভিতৰত নাৰী শিক্ষাৰ প্ৰসাৰ আৰু অৰ্থনৈতিক সৱলীকৰণে এক নিৰ্ণায়ক ভূমিকা লৈছে। অতীতৰ সমাজত, পৰিয়ালৰ ভিতৰত লিংগভিত্তিক ভূমিকাৰ এক সুদৃঢ় বিভাজন আছিল, য'ত পুৰুষে ঘৰৰ বাহিৰৰ অৰ্থনৈতিক কাৰ্যকলাপ চম্ভালা আৰু মহিলাই ঘৰুৱা দায়িত্ব, সন্তানৰ লালন-পালন আৰু যত্ন লোৱাৰ ক্ষেত্ৰত কেন্দ্ৰীয় ভূমিকা পালন কৰাটো আছিল সমাজ স্বীকৃত নীতি। কিন্তু আধুনিক শিক্ষাৰ প্ৰৱেশ আৰু অৰ্থনৈতিক স্বাধীনতাৰ প্ৰৱেশে মহিলাসকলক এই চিৰাচৰিত ভূমিকাৰ পৰা ওলাই আহি সমাজৰ প্ৰতিটো স্তৰত নিজৰ দক্ষতা আৰু প্ৰতিভা প্ৰদৰ্শন কৰিবলৈ উৎসাহিত কৰিছে। মহিলাসকলে বৰ্তমান উচ্চ পদবীত অধিষ্ঠিত হৈ, ঘৰৰ অৰ্থনৈতিক ভেটি গঢ়াত এক গুৰুত্বপূৰ্ণ অংশীদাৰ হৈ পৰিছে। ইয়াৰ ফলত, পৰিয়ালৰ ভিতৰত ক্ষমতাৰ বিতৰণ পূৰ্বতকৈ অধিক সমতাপূৰ্ণ আৰু গণতান্ত্ৰিক হৈছে। সিদ্ধান্ত গ্ৰহণৰ প্ৰক্ৰিয়াত ঘৰৰ মুৰব্বী বা পুৰুষৰ একচ্ছত্ৰী আধিপত্য কমি আহিছে আৰু স্বামী-স্ত্ৰী দুয়োৰে মাজত পাৰস্পৰিক আলোচনা, সহমত আৰু সমান অংশগ্ৰহণে গুৰুত্ব লাভ কৰিছে। অৱশ্যে, এই দ্বৈত ভূমিকা পালন কৰাৰ ফলত কৰ্মৰত মহিলাসকলৰ ওপৰত এক বৃহৎ চাপ পৰিছে, যিসকলে কৰ্মক্ষেত্ৰৰ প্ৰতিযোগিতাৰ লগতে ঘৰুৱা দায়িত্বৰ ভাৰসাম্যও ৰক্ষা কৰিবলগীয়া হৈছে। এই অৱস্থাই তেওঁলোকৰ মানসিক আৰু শাৰীৰিক স্বাস্থ্যৰ ওপৰত প্ৰভাৱ পেলাব পাৰে। তদুপৰি, পৰিয়ালৰ ভিতৰত পুৰুষ আৰু মহিলাৰ ভূমিকাৰ এই পৰিৱৰ্তনে চিৰাচৰিত মূল্যবোধ আৰু পৰম্পৰাত বিশ্বাসী লোকসকলৰ মাজত এক গভীৰ সংঘাতৰ সৃষ্টি কৰিছে, যিয়ে পৰিয়ালৰ আভ্যন্তৰীণ সম্পৰ্কত কেতিয়াবা অস্থিৰতা আৰু পাৰস্পৰিক অসন্তুষ্টি কঢ়িয়াই আনে। পুৰুষসকলে নিজৰ চিৰাচৰিত ক্ষমতাৰ স্থান এৰি দি ঘৰুৱা কাম-কাজ আৰু সন্তানৰ যত্নাচৰণত অংশগ্ৰহণ কৰিবলৈ শিকাটো অত্যাৱশ্যকীয় হৈ পৰিছে, যাৰ বাবে সামাজিক মানসিকতাৰ এক বৃহৎ ৰূপান্তৰৰ প্ৰয়োজন।

পৰিয়ালৰ এই গাঁথনিগত পৰিৱৰ্তনৰ আটাইতকৈ স্পৰ্শকাতৰ আৰু সুদূৰপ্ৰসাৰী পৰিণতি হৈছে সন্তানৰ লালন-পালন আৰু সামাজিকীকৰণৰ প্ৰক্ৰিয়াত সৃষ্টি হোৱা জটিলতা। অতীতৰ যৌথ পৰিয়াল ব্যৱস্থাত, সন্তানৰ সামাজিকীকৰণ কেৱল পিতৃ-মাতৃৰ দ্বাৰাই নহয়, বৰং ককা-আইতা, খুৰা-খুৰী আৰু আন আত্মীয়-স্বজনৰ দ্বাৰাও সম্পন্ন হৈছিল। এই ব্যৱস্থাই সন্তানক এক বৃহৎ পৰিয়ালৰ সামাজিক জ্ঞান, নৈতিক শিক্ষা, আৰু অভিজ্ঞতা আহৰণৰ সুযোগ দিছিল, যিয়ে তেওঁলোকৰ ব্যক্তিত্বক অধিক পৰিপক্ক আৰু সামাজিকভাৱে সুদৃঢ় কৰি তুলিছিল। কিন্তু বৰ্তমানৰ একক পৰিয়ালত, কৰ্মৰত পিতৃ-মাতৃৰ বাবে সন্তানক গুণগত আৰু পৰ্যাপ্ত সময় দিয়াটো এক ডাঙৰ প্ৰত্যাহ্বান। পিতৃ-মাতৃৰ কৰ্মব্যস্ততাৰ ফলত সন্তানে প্ৰায়েই তেওঁলোকৰ আৱেগিক সান্নিধ্য, নিৰ্দেশনা আৰু মৰমৰ অভাৱ অনুভৱ কৰে।



হিমাংশু ৰঞ্জন ভূঞা

এই অভাৱ পূৰণ কৰিবলৈ, সন্তানে ডে-কেয়াৰ কেন্দ্ৰ, ব্যক্তিগত শিক্ষাদান ব্যৱস্থা বা ইলেক্ট্ৰনিক মাধ্যমৰ ওপৰত অধিক নিৰ্ভৰশীল হ'বলগীয়া হৈছে। যদিও এই ব্যৱস্থাসমূহে কিছু পৰিমাণে সুবিধা প্ৰদান কৰে, তথাপিও পৰিয়ালৰ আন্তৰিক মৰম আৰু ব্যক্তিগত যত্নাচৰণৰ বিকল্প হিচাপে ইয়াৰ ভূমিকা সীমিত। এই অৱস্থাই সন্তানৰ মনত নিৰাপত্তাহীনতা, মানসিক চাপ আৰু আৱেগিক দুৰ্বলতা বৃদ্ধি কৰিব পাৰে, যাৰ ফলস্বৰূপে তেওঁলোকে আৱেগিকভাৱে দুৰ্বল হৈ পৰে আৰু ভৱিষ্যতৰ সম্পৰ্ক গঢ়াৰ ক্ষেত্ৰত জটিলতাৰ সন্মুখীন হয়। ইয়াৰ উপৰিও, পূৰ্বৰ প্ৰজন্মৰ পৰা পোৱা নৈতিক আৰু সামাজিক শিক্ষাৰ অভাৱে তেওঁলোকৰ সামাজিকীকৰণৰ প্ৰক্ৰিয়াক গভীৰভাৱে প্ৰভাৱিত কৰে, যাৰ পৰিণতি সমাজত নৈতিক অৱক্ষয় আৰু সামাজিক অস্থিতিশীলতাৰ ৰূপত দেখা পোৱা গৈছে। সন্তানে সঠিক পথ-প্ৰদৰ্শনৰ অভাৱত বহুক্ষেত্ৰত ভুল সিদ্ধান্ত গ্ৰহণ কৰিবলৈ বাধ্য হয়।

বিবাহৰ ধাৰণা আৰু ইয়াৰ স্থিৰতাৰ ওপৰত এই সামাজিক ৰূপান্তৰৰ প্ৰভাৱো অতি স্পষ্ট। আধুনিক সমাজত ব্যক্তিগত স্বতন্ত্ৰতা আৰু আত্ম-উপলব্ধিৰ ওপৰত গুৰুত্ব দিয়াৰ ফলত, বিবাহক এতিয়া পূৰ্বৰ দৰে এক অপৰিহাৰ্য আৰু অপৰিৱৰ্তনীয় সামাজিক বন্ধন হিচাপে গণ্য কৰা নহয়। বৰ্তমান বিবাহৰ লক্ষ্য কেৱল বংশ ৰক্ষা বা সামাজিক দায়িত্ব নহৈ, বৰং ই ব্যক্তিনিষ্ঠ সুখ, আৱেগিক সন্তুষ্টি আৰু পাৰস্পৰিক বুজাবুজিৰ ওপৰত কেন্দ্ৰীভূত হৈছে। ইয়াৰ ফলস্বৰূপে, বিবাহিত জীৱনত অসন্তুষ্টি বা সংঘাতৰ সৃষ্টি হ'লে ব্যক্তিয়ে সহজে বিবাহ বিচ্ছেদৰ সিদ্ধান্ত লয়, যাৰ বাবে বিবাহ বিচ্ছেদৰ সংখ্যা ক্ৰমাগতভাৱে বৃদ্ধি পাইছে। যদিও বিবাহ বিচ্ছেদে দুখন অসন্তুষ্ট মনক মুক্তি দিয়ে, ইয়াৰ ফলত সৃষ্টি হোৱা একক পিতৃ-মাতৃৰ পৰিয়ালৰ সংখ্যা বাঢ়িছে, যাৰ সামাজিক, অৰ্থনৈতিক আৰু আৱেগিক প্ৰত্যাহ্বানসমূহ যথেষ্ট গুৰুত্বপূৰ্ণ। বিবাহ বিচ্ছেদৰ আটাইতকৈ বেছি প্ৰভাৱ পৰে সন্তানৰ মনস্তত্ত্বৰ ওপৰত। সন্তানে পিতৃ-মাতৃৰ সংঘাত আৰু বিচ্ছেদৰ ফলত আৱেগিক আঘাতৰ সন্মুখীন হয়, যিয়ে তেওঁলোকৰ মানসিক স্বাস্থ্য, শিক্ষা আৰু ভৱিষ্যতৰ সম্পৰ্ক গঢ়াৰ ক্ষমতাত নেতিবাচক প্ৰভাৱ পেলাব পাৰে। তদুপৰি, পলমকৈ বিবাহ কৰোৱা, বিবাহ নোহোৱাকৈ একেলগে থকা (সহবাস), আৰু লিংগ সমতাৰ ওপৰত আধাৰিত বৈবাহিক সম্পৰ্কৰ প্ৰাদুৰ্ভাৱে পৰিয়াল ব্যৱস্থাৰ চিৰাচৰিত সংজ্ঞাক সলনি কৰি দিছে। এই নতুন ধৰণৰ সম্পৰ্কসমূহে ব্যক্তিগত পছন্দক সন্মান জনায় যদিও, ইয়াৰ সামাজিক স্বীকৃতি, আইনী নিৰাপত্তা আৰু দীৰ্ঘম্যাদী স্থিৰতাৰ অভাৱে কেতিয়াবা নতুন জটিলতাৰ সৃষ্টি কৰে, যিয়ে সমাজৰ নৈতিক স্থিৰতাৰ ওপৰত প্ৰশ্ন উত্থাপন কৰে। এই সমস্যাসমূহৰ সুস্থিৰ সমাধানৰ বাবে সামাজিক নীতিসমূহৰ পুনৰীক্ষণ অত্যাৱশ্যকীয়।

পৰিয়াল ব্যৱস্থাৰ পৰিৱৰ্তনৰ আটাইতকৈ গভীৰ আৰু মানৱীয় পৰিণতিটো হৈছে বৃদ্ধ আৰু অসুস্থ সদস্যসকলৰ নিৰাপত্তা আৰু যত্নৰ ক্ষেত্ৰত সৃষ্টি হোৱা সংকট। যৌথ পৰিয়াল ব্যৱস্থাত, বৃদ্ধ আৰু অসুস্থ লোকৰ যত্ন আৰু আলপৈচান ধৰাটো এক স্বাভাৱিক, নৈতিক আৰু সামূহিক দায়িত্ব আছিল, য'ত পৰিয়ালৰ সদস্যসকলে ইজনে সিজনৰ প্ৰতি আৱেগিকভাৱে দায়বদ্ধ আছিল। কিন্তু একক পৰিয়ালৰ প্ৰসাৰ আৰু কৰ্মব্যস্ততাৰ বাবে, কৰ্মক্ষম সদস্যসকলে বৃদ্ধ পিতৃ-মাতৃৰ বাবে উপযুক্ত সময় আৰু যত্ন দিব নোৱাৰে। বৃদ্ধ লোকসকলক বহুক্ষেত্ৰত অকলশৰে থাকিবলৈ বাধ্য কৰোৱা হয়, যাৰ ফলত তেওঁলোকে শাৰীৰিক যত্ন আৰু আলপৈচানৰ অভাৱৰ লগতে গভীৰ আৱেগিক নিসংগতাত ভোগে। এই অৱস্থাই তেওঁলোকৰ মনত নিৰাপত্তাহীনতা, হতাশা আৰু উদ্বেগ বৃদ্ধি কৰে। ইয়াৰ ফলস্বৰূপে, বৃদ্ধাশ্ৰম বা আন আনুষ্ঠানিক পৰিচৰ্যা কেন্দ্ৰৰ ওপৰত নিৰ্ভৰশীলতা বৃদ্ধি পাইছে, যিটো আমাৰ চিৰাচৰিত সামাজিক মূল্যবোধ আৰু নৈতিকতাৰ বিপৰীত। বৃদ্ধ লোকসকলৰ প্ৰতি সমাজৰ এই উদাসীনতাই মানৱীয় সম্পৰ্কৰ অৱক্ষয় আৰু স্বাৰ্থপৰতাৰ ইংগিত দিয়ে। ই কেৱল বৃদ্ধ লোকেই নহয়, বৰং সমগ্ৰ সমাজৰ বাবেই এক নৈতিক সংকটৰ সৃষ্টি কৰিছে, কাৰণ বৰ্তমানৰ যুৱ প্ৰজন্ময়ো তেওঁলোকৰ বৃদ্ধাৱস্থাত একেধৰণৰ নিৰাপত্তাহীনতাৰ সন্মুখীন হ'ব পাৰে বুলি আশংকা কৰে। এই সমস্যাৰ সমাধানৰ বাবে সমাজত আন্তঃপ্ৰজন্মগত সহযোগিতা আৰু বুজাবুজিৰ এক নতুন সংস্কৃতি গঢ়ি তোলাটো অপৰিহাৰ্য।

যৌথ পৰিয়ালৰ আৱেগিক সুৰক্ষা-জালখন নোহোৱা হোৱাৰ ফলত, ব্যক্তিয়ে জীৱনৰ প্ৰতিটো প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলৈ এককভাৱে সংগ্ৰাম কৰিবলগীয়া হৈছে। আধুনিক জীৱনৰ অহৰহ প্ৰতিযোগিতা আৰু চাপৰ ফলত মানসিক স্বাস্থ্যৰ সমস্যা যেনে - উদ্বেগ, হতাশা, মানসিক অশান্তি আৰু আত্মহত্যাৰ প্ৰৱণতাৰ বৃদ্ধি হৈছে। পৰিয়ালৰ সদস্যসকলৰ মাজত থকা উষ্ণতা, সান্নিধ্য আৰু পাৰস্পৰিক সমৰ্থনৰ আৱশ্যকতা বৰ্তমানৰ ব্যস্ততাপূৰ্ণ জীৱনশৈলীৰ ফলত ক্ৰমাৎ কমি আহিছে। ঘৰৰ ভিতৰত ইজনে সিজনৰ সৈতে গুণগত সময় কটোৱাৰ পৰিৱৰ্তে, মানুহে ব্যক্তিগত মনোৰঞ্জন, ডিজিটেল মাধ্যম আৰু কৰ্মক্ষেত্ৰৰ প্ৰতিযোগিতাৰ ওপৰত অধিক মনোযোগ দিছে, যাৰ ফলত আৱেগিক দূৰত্ব বৃদ্ধি পাইছে। এই আৱেগিক বিচ্ছিন্নতাই মানুহক ক্ৰমাৎ সংবেদনশীলতা হেৰুৱাই আত্মকেন্দ্ৰিক কৰি তুলিছে। পৰিয়াল, যিটো পূৰ্বতে আছিল সকলো দুখ-কষ্টৰ পৰা আশ্ৰয় লোৱাৰ স্থান আৰু মানসিক শান্তিৰ উৎস, সেয়া এতিয়া কেৱল এক আৱাসিক ঠিকনালৈ ৰূপান্তৰিত হৈছে, য'ত প্ৰতিজন সদস্যই নিজৰ নিজৰ জগতত বিলীন হৈ থাকে। এই মনস্তাত্বিক সমস্যাসমূহে কেৱল ব্যক্তিকেই নহয়, বৰং সামগ্ৰিকভাৱে সমাজৰ সামাজিক স্থিতিশীলতা আৰু উৎপাদনশীলতাতো প্ৰত্যাহ্বান জনাইছে, কাৰণ মানসিকভাৱে অসুস্থ সমাজে সুস্থ আৰু ফলপ্ৰসূ জীৱন নিৰ্বাহ কৰিব নোৱাৰে। পৰিয়ালৰ এই আৱেগিক অৱক্ষয় সমাজৰ ভৱিষ্যতৰ বাবে এক গভীৰ উদ্বেগৰ কাৰণ।

এই সকলোবোৰ জটিল পৰিণতিৰ প্ৰতি লক্ষ্য ৰাখি, পৰিয়ালসমূহৰ মংগলৰ বাবে কিছুমান সুচিন্তিত, কাৰ্যক্ষম আৰু সামূহিক ব্যৱস্থা গ্ৰহণ কৰাটো সময়ৰ আহ্বান। যদিও বৰ্তমান পুৰণি যৌথ পৰিয়ালৰ ধাৰণালৈ উভতি যোৱাটো বাস্তৱসন্মত নহয়, তথাপিও নতুন সমাজ ব্যৱস্থাৰ প্ৰতি লক্ষ্য ৰাখি পৰিয়ালৰ সদস্যসকলৰ মাজত আৱেগিক সংযোগ আৰু পাৰস্পৰিক বুজাবুজি পুনৰ স্থাপন কৰাৰ প্ৰয়োজন। ইয়াৰ বাবে, কৰ্মৰত পিতৃ-মাতৃৰ বাবে কৰ্মক্ষেত্ৰত নমনীয় কৰ্মসূচী আৰু পিতৃত্বৰ ছুটীৰ দৰে সুবিধা প্ৰৱৰ্তন কৰিলে, তেওঁলোকে সন্তান আৰু পৰিয়ালক অধিক সময় দিব পাৰিব। এই নীতিসমূহে কেৱল কৰ্মৰত লোকসকলকেই সহায় নকৰে, বৰং সন্তানৰ সুস্থ বিকাশ আৰু মানসিক স্থিৰতাত সহায়ক হয়। মহিলাসকলে কৰ্মক্ষেত্ৰত অংশগ্ৰহণ কৰাৰ লগে লগে, পুৰুষসকলেও ঘৰুৱা দায়িত্ব আৰু সন্তানৰ যত্নাচৰণৰ ক্ষেত্ৰত সমান অংশীদাৰ হোৱাৰ মানসিকতা গঢ়ি তোলা উচিত। এইক্ষেত্ৰত, লিংগ সমতাৰ ওপৰত আধাৰিত এক নতুন সামাজিক দৃষ্টিকোণ গঢ়ি তোলাটো অপৰিহাৰ্য। তদুপৰি, বৃদ্ধ লোকসকলৰ যত্ন, পৰিচৰ্যা আৰু সামাজিক অন্তৰ্ভুক্তিৰ বাবে চৰকাৰী আৰু বেচৰকাৰী সংস্থাৰ দ্বাৰা সামূহিক যত্নাচৰণ কেন্দ্ৰ আৰু আন্তঃপ্ৰজন্মগত সহযোগিতাৰ কাৰ্যসূচী গ্ৰহণ কৰা উচিত। বৃদ্ধ লোকসকলৰ অভিজ্ঞতাক সমাজৰ বাবে এক মূল্যৱান সম্পদ হিচাপে স্বীকৃতি দি, তেওঁলোকক সামাজিক আৰু অৰ্থনৈতিক কাৰ্যকলাপত জড়িত কৰাৰ ব্যৱস্থা কৰিলে তেওঁলোকৰ মানসিক স্বাস্থ্য উন্নত হ'ব আৰু তেওঁলোকে সমাজৰ বাবে এক গুৰুত্বপূৰ্ণ অৱদানকাৰী হৈ থাকিব পাৰিব। সামাজিক সংস্কাৰ আৰু শিক্ষাগত পদক্ষেপসমূহ এই ৰূপান্তৰৰ মোকাবিলা কৰাৰ বাবে গুৰুত্বপূৰ্ণ। শিক্ষা ব্যৱস্থাৰ জৰিয়তে মানৱীয় মূল্যবোধ, সহানুভূতি, পাৰস্পৰিক সন্মান আৰু সহযোগিতাৰ শিক্ষা প্ৰদান কৰাটো অপৰিহাৰ্য। বিদ্যালয়ৰ পাঠ্যক্ৰমত পৰিয়ালৰ গুৰুত্ব, আৱেগিক বুজাবুজি আৰু সামাজিক দায়বদ্ধতাৰ ওপৰত আলোকপাত কৰিলে, ভৱিষ্যত প্ৰজন্মই এই প্ৰত্যাহ্বানসমূহৰ মুখামুখি হ'বলৈ সাজু হ'ব। পৰিয়ালক পুনৰ এক মৰমিয়াল, নিৰাপদ আৰু আৱেগিক সমৰ্থনৰ কেন্দ্ৰ হিচাপে গঢ়ি তুলিবলৈ, আমি সকলোৱে ব্যক্তিগত স্বাৰ্থৰ ঊৰ্ধত থাকি সামূহিক মংগলৰ বাবে কাম কৰাৰ মানসিকতা গঢ়ি তুলিব লাগিব। ডিজিটেল মাধ্যমৰ প্ৰভাৱৰ ফলত সৃষ্টি হোৱা আৱেগিক দূৰত্ব হ্ৰাস কৰিবলৈ পৰিয়ালৰ সদস্যসকলে একেলগে গুণগত সময় কটোৱাৰ অভ্যাস গঢ়ি তোলা উচিত। সমাজৰ এই আটাইতকৈ মৌলিক ভেটিটো সুস্থ আৰু সবল হৈ থাকিলেহে, এক সুস্থ, নৈতিক আৰু প্ৰগতিশীল সমাজৰ আশা কৰিব পাৰি।

# সীমিত নম্বৰৰ পৰীক্ষাৰ ফলাফলে কেতিয়াও ভৱিষ্যত নিৰ্ণয় কৰিব নোৱাৰে

## আয়শা ছিদ্দিকা

বৰ্তমানৰ যান্ত্ৰিক যুগৰ শিক্ষা ব্যৱস্থাত নম্বৰৰ প্ৰতি থকা আমাৰ অতিৰিক্ত চাহিদাই সমাজখনক এক অঘোষিত প্ৰতিযোগিতাৰ পথাৰলৈ ঠেলি দিছে। শৈশৱৰ পৰাই এটা শিশুৰ মেধাক কেৱল তেওঁ লাভ কৰা নম্বৰৰ শতাংশৰ হাৰেৰে বিচাৰ কৰা হয়, যিটো অত্যন্ত দুৰ্ভাগ্যজনক। আচলতে পৰীক্ষাৰ নম্বৰবোৰ এজন শিক্ষাৰ্থীৰ স্মৃতিশক্তি বা এটা নিৰ্দিষ্ট সময়ৰ পৰিৱেশৰ ওপৰত নিৰ্ভৰশীল এক সাময়িক ফলাফলহে। পৰীক্ষাৰ সেই নিৰ্ধাৰিত কিছু সময়ছোৱাই এজন মানুহৰ গোটেই জীৱনটোৰ যোগ্যতা বা তেওঁৰ অন্তৰ্নিহিত গুণক কেতিয়াও সামৰি ল'ব নোৱাৰে। এগৰাকী শিক্ষাৰ্থী হয়তো গণিতত দুৰ্বল হ'ব পাৰে, কিন্তু তেওঁৰ তুলিকাত ফুটি উঠিব পাৰে এক অনন্য সৃষ্টিশীলতা, অথবা তেওঁৰ হাতত প্ৰাণ পাব পাৰে কোনো যন্ত্ৰৰ জটিল অংশ। এই মানৱীয় দক্ষতা আৰু ব্যৱহাৰিক জ্ঞানক কোনো নম্বৰৰ তালিকাৰে জোখা সম্ভৱ নহয়।

শিক্ষক, সমাজ আৰু অভিভাৱকসকলে বুজা উচিত যে সফলতাৰ সংজ্ঞা কেৱল ডাক্তৰ বা ইঞ্জিনীয়াৰ হোৱাকেই নুবুজায়। বৰ্তমানৰ পৰিৱৰ্তিত পৃথিৱীত নতুন নতুন কৰ্মক্ষেত্ৰৰ সৃষ্টি হৈছে য'ত নম্বৰতকৈ সৃষ্টিশীল চিন্তা আৰু কাৰিকৰী কৌশলকহে অধিক অগ্ৰাধিকাৰ দিয়া হয়। বহু সময়ত দেখা যায় যে পৰীক্ষাত শীৰ্ষস্থান দখল কৰা শিক্ষাৰ্থীসকলো জীৱনৰ প্ৰত্যাহ্বানৰ মুখত থমকি ৰয়, আনহাতে তথাকথিত 'পিছপৰা' শিক্ষাৰ্থীসকলে নিজৰ অদম্য সাহস আৰু ব্যৱহাৰিক বুদ্ধিয়ে বিশ্বৰ দৰবাৰত নিজৰ পৰিচয় দাঙি ধৰে। ইয়াৰ কাৰণ হ'ল জীৱনৰ প্ৰকৃত পৰীক্ষাগাৰত পাঠ্যপুথিৰ মুখস্থ বিদ্যাতকৈ ধৈৰ্য্য, যোগাযোগ দক্ষতা আৰু মানসিক স্থিৰতাহে আচল মূলধন হৈ পৰে।

পৰীক্ষাৰ নম্বৰক কেন্দ্ৰ কৰি গঢ়ি উঠা মানসিক চাপে কিশোৰ-কিশোৰীসকলৰ স্বাভাৱিক বিকাশতো বাধাৰ সৃষ্টি কৰে। বিফলতাৰ ভয়ে তেওঁলোকৰ নতুন কিবা এটা কৰাৰ সাহস কাঢ়ি নিয়ে। কিন্তু আমি পাহৰা উচিত নহয় যে থমাছ আলভা এডিচনৰ দৰে মহান উদ্ভাৱককো এসময়ত বিদ্যালয়ৰ পৰা অনুপযুক্ত বুলি উলিয়াই দিয়া হৈছিল। তেওঁৰ সীমিত নম্বৰ বা শৈক্ষিক প্ৰমাণপত্ৰই তেওঁক পৃথিৱী পোহৰাবলৈ বাধা দিব পৰা নাছিল। জীৱনটো এটা দীঘলীয়া মেৰাথান দৌৰৰ দৰে, য'ত প্ৰাৰম্ভিক পৰ্যায়ৰ স্থিতিৰ ওপৰত ভিত্তি কৰি শেষ ফলাফল ঘোষণা কৰিব নোৱাৰি। প্ৰতিটো ভুল আৰু প্ৰতিটো কম নম্বৰে এজন ব্যক্তিক নতুনকৈ নিজৰ ত্ৰুটিবোৰ বিচাৰি উলিওৱাৰ আৰু নিজক গঢ় দিয়াৰ সুযোগহে প্ৰদান কৰে।

জীৱন এক নিৰন্তৰ শিক্ষণৰ প্ৰক্ৰিয়া। পৰীক্ষাৰ নম্বৰ যিয়েই নহওক কিয়, ব্যক্তিৰ কঠোৰ পৰিশ্ৰম, সময়ানুবৰ্তিতা, নৈতিক দৃঢ়তা আৰু অভিযোজন ক্ষমতাৰ ওপৰতেই ভৱিষ্যত নিৰ্ভৰ কৰে। বহুতো লোক আছে যিয়ে একাদশ বা দ্বাদশ শ্ৰেণীত কম নম্বৰ পাইছিল, কিন্তু উচ্চ শিক্ষা বা ব্যৱসায়িক জীৱনত এক অভূতপূৰ্ব সফলতাৰ মুখ দেখিলে। গতিকে পৰীক্ষাৰ নম্বৰক আত্ম-মূল্যায়নৰ একমাত্ৰ দাপোন হিচাপে গণ্য নকৰি ইয়াক এক শিক্ষণীয় অভিজ্ঞতা হিচাপে লোৱাই যুক্তিসংগত। জীৱনৰ প্ৰকৃত পৰীক্ষা পৰীক্ষা হলৰ বাহিৰত, য'ত নম্বৰৰ পৰিৱৰ্তে চৰিত্ৰ আৰু দৃষ্টিভংগীয়ে ভৱিষ্যত নিৰ্ণয় কৰে। সীমিত কেইখনমান পৰীক্ষাৰ নম্বৰে কোনো সীমিত মানুহক সংজ্ঞায়িত কৰিব নোৱাৰে চকুৰ আগত সদায় বিশাল সম্ভাৱনাৰ পথ মুকলি থাকে।

# আন্তৰ্জাতিক মে -দিৱস

## বিনীতা শইকীয়া

এক মে' অৰ্থাৎ শ্ৰমিক দিৱস। সমগ্ৰ বিশ্বতে প্ৰতিবছৰৰ মে' মাহৰ এক তাৰিখে শ্ৰমিক দিৱস ৰূপে পালন কৰি আহিছে। পূৰ্বতে কিন্তু ই বসন্ত উৎসৱহে আছিল। পৃথিৱীৰ বহু ঠাইত মে মাহৰ পৰাহে বসন্তৰ আগমন হয়। ইউৰোপৰ প্ৰায় সকলো দেশতে বসন্ত উৎসৱ হিচাপে মে' দিৱস পালন কৰা হৈছিল। আমেৰিকাত ইয়াক চৰকাৰীভাৱে শিশু-স্বাস্থ্য-দিৱস হিচাপে পালন কৰা হৈছিল।

মে' দিৱস হিচাপে জনাজাত এই বসন্ত উৎসৱকে তাহানি সম্প্ৰতি পৃথিৱীৰ সকলো দেশতে শ্ৰমিক দিৱস হিচাপে পালন কৰা হয়। ৰুচিয়া, চীন আদি সমাজতান্ত্ৰিক দেশসমূহত ইয়াক ৰাষ্ট্ৰীয় উৎসৱৰ মৰ্যাদা দিয়া হৈছে। বৃহৎ সমাজতান্ত্ৰিক দেশ হিচাপে ৰাছিয়াত বনুৱাৰ অৰ্থাৎ শ্ৰমিকৰ মে' দিৱসক আন্তৰ্জাতিক উৎসৱ হিচাপে স্বভাৱিকতে গুৰুত্ব বেছি আছিল। কাৰণ এই দিৱসৰ অন্তৰালত সোমায় আছে শ্ৰমিকসকলৰ ত্যাগৰ বিনিময়ত পোৱা উৎসা আৰু আনন্দ লাভ কৰা পোন প্ৰথমে বনুৱা-উৎসৱ বা শ্ৰমিক দিৱস জন্ম হয় আমেৰিকাত। শ্ৰমিক বুলি কলে পুৰুষ আৰু নাৰী উভয়কে বুজোৱা হয়। বহু ক্ষেত্ৰত নাৰী আৰু পুৰুষৰ মজুৰিৰ পৰিমাণ ভিন্ন ভিন্ন হোৱা দেখা যায়। ১৯৭৬ চনৰ The equal Remuneration act ৰ মতে উভয় পক্ষৰ শ্ৰমিকে সমপৰিমাণে পাৰিশ্ৰমিক লাভ কৰিব লাগে। ইয়াৰ উপৰিও মহিলা শ্ৰমিক সকল মানসিক আৰু শাৰীৰিক অত্যাচাৰৰ সন্মুখীন হ'ব লগীয়া হয়! নাৰী -পুৰুষ উভয়কে কাম কৰিবৰ বাবে এটা সুস্থ পৰিৱেশ দিব নোৱাৰাটো অতি পৰিতাপৰ কথা। শিল্প বিপ্লৱৰ পাছৰে পৰা বৃহৎ কল-কাৰাখানা বোৰ গঢ় লৈ উঠাত বুজন সংখ্যকৰ শ্ৰমিক প্ৰয়োজন হোৱাত পুঁজিপতি শ্ৰেণীটোৰ জন্ম হৈছিল। এওঁলোকে অতি কম মজুৰিত শ্ৰমিকসকলক কামত নিয়োজিত কৰিছিল। দৈনিক ওঁঠৰৰ পৰা বিশ ঘণ্টা কামত খটুৱাইছিল। যিটো শ্ৰমিক সকলে মানি লোৱা নাছিল।

১৮৮৩ চনৰ পহিলা মে'ৰ দিনা আমেৰিকাৰ শ্ৰমিক সকলে নিজৰ দাবী উত্থাপন কৰি মহিলা সকলৰ বিৰোদ্ধে বিক্ষোভ প্ৰৰ্দশন কৰি শ্ৰমিক সংস্থাসমূহ একত্ৰিত হৈ সন্মিলিত এক গুৰুত্বপূৰ্ণ প্ৰস্তাৱ লৈছিল। যিটো প্ৰস্তাৱত কোৱা হৈছিল যে ১৮৮৬ চনৰ ১ মে'ৰ পৰা দৈনিক আঁঠ ঘণ্টা কামৰ সময় নিৰ্ধাৰিত কৰিব আৰু বাকী যোল্ল ঘণ্টা বিশ্ৰাম আৰু সাংস্কৃতিক বিনোদনৰ মাজেৰে পাৰ কৰিব। কিন্তু কাৰাখানাৰ মালিক সকলে এই দাবী মানি লোৱা নাছিল। ১৮৮৬ চনৰ চাৰি মে'ৰ সন্ধিয়া পাতলীয়া বৰষুণৰ মাজতে চিকাগো চহৰৰ হে-মাৰ্কেট নামৰ বাণিজ্যিক এলেকাত শ্ৰমিক সকলে শোভাযাত্ৰা কৰাৰ উদ্দেশ্যে একগোট হৈছিল। হৰ্থাৎ আগষ্ট স্পীজ নামৰ এজন নেতাই শ্ৰমিক সকলক উদ্দেশ্যকৰি কিছু ভাষণ দি থাকোঁতে হৰ্থাৎ ওচৰতে বোমা বিস্ফুৰণ ঘটে আৰু এজন পুলিচ বিষয়া নিহত হোৱাত তৎক্ষনাত শ্ৰমিক সকলৰ ওপৰত পুলিচ বাহিনীয়ে অতৰ্কিতে আক্ৰমণ কৰে। যাৰ ফলত ই এক গণহত্যাৰ ৰূপ লয়। লগে-লগে এঘাৰজন শ্ৰমিক শ্বহীদ হয়। এই অবিস্মৰণীয় ঘটনাৰ পিছৰ পৰাই মে'-দিৱসে নতুন অৰ্থ আৰু নতুন তাৎপৰ্য লৈ দেখা দিয়ে। ই হয় বিশ্বজোৰা বনুৱা বা শ্ৰমিক দিৱস, শোষণহীন সমাজ গঢ়াৰ সংকল্প লোৱাৰ দিৱস। ইয়াৰ পিছত-১৮৮৯ চনৰ জুলাই মাহৰ ১৭ তাৰিখে ফ্ৰান্সৰ পেৰি নগৰত বিশ্বৰ সমাজতন্ত্ৰীসকলৰ এখন অভিৱৰ্তন বহে আৰু এই অভিবৰ্তনে আমেৰিকাৰ শ্ৰমিকসকলৰ বিক্ষোভক আন্তৰ্জাতিক স্বীকৃতি দিয়ে। আৰু চিকাগো সন্মিলনৰ সময়ত শ্বহীদ হোৱা শ্ৰমিকসকলক শ্ৰদ্ধা আৰু স্মৰণ কৰি তেওঁলোকৰ ত্যাগৰ বিনিময়ত লাভ কৰা স্বীকৃতিৰ বাবে ১৮৯০ চনৰ প্ৰতিবছৰৰ মে' মাহৰ এক তাৰিখৰ পৰা আন্তৰ্জাতিক শ্ৰমিক দিৱস হিচাবে পালন কৰা হয়। সেই বছৰৰ চাৰি মে'ৰ দিনাখন ইংলেণ্ডৰ হাইৰ্ড পাৰ্কত লাখ লাখ বনুৱা অথাৎ শ্ৰমিকৰ সমাবেশ হয় আৰু বৃটেইনত এনেদৰেই প্ৰথম আন্তৰ্জাতিক মে' দিৱস উদ্‌যাপিত হয়। সেই বছৰতে ভিয়েনা আৰু অষ্টিয়াতো মে 'দিৱস পালন কৰি শ্ৰমিকসকল সফল হয়। চীন বিশ্বৰ অন্যতম জন-গণতান্ত্ৰিক দেশ। ১৯২৪ চনতেই চীনত প্ৰথম মে'দিৱস উদ্‌যাপন কৰা হৈছিল। ইয়াৰ নেতৃত্ব লৈছিল চীনৰ বিপ্লৱী নেতা ডঃ চান-ইয়েৎ-চেনে। অৱশ্যে চিয়াং চৰকাৰৰ দিনত ইয়াক বে-আইনী বুলি ঘোষণা কৰা হয়। এনেকৈয়ে এসময়ৰ বসন্ত উৎসৱ হৈ পৰে বিশ্বজোৰা বনুৱা উৎসৱ বা শ্ৰমিক দিৱস।

### সাংস্কৃতিক মঞ্চ উদ্বোধন বাসুগাঁও থানাৰ আৰক্ষী বিষয়াৰ
# হেকইপাৰাত ৰঙালী বিহু উদ্‌যাপন




**অসম বাৰ্তা, বাসুগাঁও, ২৯ এপ্ৰিল** ঃ ৰাজ্যৰ বিভিন্ন ঠাইত বৰ্তমান ৰঙালী বিহুৰ আনন্দ উল্লাস। বাসুগাওঁ চহৰতো কেইবাখনো বিহু বিষুৱা অনুষ্ঠিত হৈ আছে। ঠিক তেনেদৰে চিৰাং জিলাৰ অন্তৰ্গত বাসুগাঁও চহৰৰ কাষতে উত্তৰ হেকইপাৰাতো উলহ-মালহেৰে ৰঙালী বিহু উদ্‌যাপন কৰা দেখা হয়। নৱ-যুৱক সংঘ আৰু পুথিভঁৰালৰ সৌজন্যত ১৫, ২৭ আৰু ২৮ এপ্ৰিলত তিনিদিনীয়া বিস্তৃত আৰু বৰ্ণাঢ্য কাৰ্যসূচীৰে পালিত হোৱা বিহুৰ অন্তিম দিনা সাংস্কৃতিক অনুষ্ঠানত গুৱাহাটীৰ নিশাৰানী হালৈ আমন্ত্ৰিত শিল্পী হিচাপে গীত পৰিৱেশন কৰি শ্ৰোতা-দৰ্শকক আমোদ যোগায়। অনুষ্ঠানটিত আমন্ত্ৰিত বিহু হুঁচৰি দলৰ লগতে স্থানীয় মহিলা সকলে জেং বিহু প্ৰদৰ্শন কৰে। উল্লেখযোগ্য যে শেষৰ দিনা সাংস্কৃতিক অনুষ্ঠানৰ আৰম্ভণিতে যুৱ প্ৰজন্মৰ হাৰ্টথ্ৰৱ হিচাপে খ্যাতি অৰ্জন কৰা অমৃত কণ্ঠ জুবিন গাৰ্গ আৰু বিশ্ববৰেণ্য সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পন কৰে যথাক্ৰমে বি টি চিৰ পৰিষদীয় সদস্য শুকুৰসিং মুছাহাৰী আৰু কোকৰাঝাৰ জিলাৰ অতিৰিক্ত আয়ুক্ত দ্বিপন বৰ্মনে। মঞ্চটি ফিতা কাটি শুভ উদ্বোধন কৰে বাসুগাঁও থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ৰাজু মিলি। অনুষ্ঠানটিত চিৰাং জিলা বি জে পি দলৰ সভাপতি ৰতন চন্দ্ৰ ৰায়, বি পি এফ দলৰ নেত্ৰী দুলুমণি বৈদ্য, ব্ৰজেন ৰায় আদি উপস্থিত থাকে। আৰম্ভণিতে বিদ্যাপুৰৰ লোকবাদ্য দলে বিভিন্ন জাতি-জনগোষ্ঠীৰ কৃষ্টি প্ৰদৰ্শন কৰে। উল্লেখযোগ্য যে প্ৰথম দিনা অৰ্থাৎ ১৫ এপ্ৰিলত পতাকা উত্তোলন, স্মৃতি তৰ্পণ, গছপুলি ৰোপণ আদিৰ উপৰি দ্বিতীয় অৰ্থাৎ ২৭ এপ্ৰিলত বিভিন্ন আকৰ্ষণীয় খেল-ধেমালি প্ৰতিযোগিতা, বঁটা বিতৰণী, সাংস্কৃতিক অনুষ্ঠান আদি অনুষ্ঠিত হয়। তিনিও দিনাৰ কাৰ্যসূচী সুকলমে সমাপ্তি হোৱাত ৰঙালী বিহু উদযাপন সমিতিৰ সভাপতি বুদ্ধদেৱ সূত্ৰধৰ আৰু সম্পাদক মনোজ বৰ্মনে সকলোলৈকে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। উল্লেখযোগ্য যে অঞ্চলটিৰ বাসুগাঁও, নিম্নফুলগুৰি আদি ঠাইত অসমৰ জাতীয় উৎসৱ বিহু পালনৰ উপৰি শাকাতি, বিজয়গাঁও, কদমতলা আদি ঠাইত কোঁচ ৰাজবংশী জনগোষ্ঠীৰ জাতীয় উৎসৱ বিষুৱা পালনৰ লগতে কুৰ্শাকাটি, হৰিগাঁও, ডোগৰপাৰা আদি ঠাইত বড়ো জনগোষ্ঠীৰ জাতীয় উৎসৱ ৰংজালি বৈশাগু পালন কৰা হয়। জৰেগাঁও কিৰণ সংঘৰ উদ্যোগত বিহু-বিহুৱা একেলগে পালন কৰি একোতাৰ পৰিচয় দাঙি ধৰে গাঁৱবাসীয়ে।

# উত্তৰ চাৰিগাঁও আঞ্চলিক মহিলা সমিতিৰ সম্বৰ্ধনা অনুষ্ঠান সম্পন্ন; গ্ৰন্থ উন্মোচন

## ‘নাৰী শক্তিয়েই হৈছে আটাইতকৈ প্ৰবল শক্তি’

**অসম বাৰ্তা, নিমাতীঘাট, ২৯ এপ্ৰিল** ঃ "নাৰী শক্তিৰ প্ৰতিক, অদম্য সাহস আৰু অসীম ধৈৰ্যৰ বাবে নাৰীক সৰ্বশক্তিমান বুলি অভিহিত কৰা হয়। নাৰী শক্তিয়েই হৈছে আটাইতকৈ প্ৰবল শক্তি, যিয়ে উৎকৃষ্ট মানৱ সম্পদ সৃষ্টিৰে এখন সমাজ তথা ৰাষ্ট্ৰক সৰ্বশক্তিমান কৰি তুলিব পাৰে বা ধ্বংসও কৰিব পাৰে। " উত্তৰ চাৰিগাঁও আঞ্চলিক মহিলা সমিতিৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি যোৱা ২৫ এপ্ৰিলত উত্তৰ চাৰিগাঁও আঞ্চলিক মহিলা সমিতিৰ উদ্যোগত বাহনা তিনিআলিস্থিত সাধাৰণ জাতি উন্নয়ন পৰিষদৰ সমন্বয় সাংস্কৃতিক সংঘত অনুষ্ঠিত কৰা মুকলি সভা উদ্বোধন কৰি বাহনা মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ অৱসৰ প্ৰাপ্ত মুৰব্বী অধ্যাপক জীতেন নাথে এইদৰে কয়। ৰংদৈ উচ্চ ইংৰাজী বিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী তৰুলতা বৰাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা মুকলি সভাৰ উদ্দেশ্য ব্যাখ্যা আৰু আদৰণী ভাষণ আগবঢ়ায় ক্ৰমে আঞ্চলিক মহিলা সমিতিৰ সভানেত্ৰী ৰিঞ্জুমণি ভূঞা আৰু উদযাপন সমিতিৰ সভানেত্ৰী মঞ্জু দত্তই। সভাত নিৰ্দিষ্ট বক্তা হিচাপে অংশ গ্ৰহণ কৰি সদৌ অসম লেখিকা সমাৰোহৰ মুখপত্ৰৰ সম্পাদিকা তথা বাহনা মহাবিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ অৱসৰ প্ৰাপ্ত মুৰব্বী অধ্যাপিকা ড° ইন্দিৰা বৰুৱাই পদ্মশ্ৰী বিৰুবালা ৰাভা, চন্দ্ৰপ্ৰভা শইকীয়ানী, লখিমী বৰুৱাৰ দৰে কেইবাগৰাকী স্বনামধন্য মহিলাৰ উদাহৰণেৰে মহিলাৰ সৱলীকৰণৰ ওপৰত মনোগ্ৰাহী সময়োপযোগী বক্তৃতা প্ৰদান কৰে। প্ৰসংগক্ৰমে তেখেতে সতীদাহ প্ৰথা, বাল্যবিবাহ, স্ত্ৰী শিক্ষাৰ বিষয়েও উল্লেখ কৰে। মিণ্টুমনি দত্তৰ বৰগীতেৰে শুভাৰম্ভণী কৰা আৰু দক্ষিণ চাৰিগাঁও আঞ্চলিক মহিলা সমিতিৰ সভানেত্ৰী নিকুঞ্জ বৰুৱাই বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰা সভাত মহিলা সমিতিখন প্ৰতিষ্ঠাৰ লগত জড়িত বয়োজ্যেষ্ঠ মহিলা দুৰ্গেশ্বৰী কলিতা, অমল প্ৰভা শইকীয়া, কিৰণ বৰা, মাকন ভূঞা, বিৰহী কলিতা, উষা দত্ত, অঞ্জুমালা নাজিৰ, অনমাই দাস, ৰিনা বৰা, ধৰ্মেশ্বৰী ভূঞা, অনিমা দাস, পুণ্যপ্ৰভা হাজৰিকা, নিৰদা হাজৰিকা, লিলিমাই নেওগ, নয়নতৰা বৰা, জ্যোৎস্না বৰা, ৰুণুমী নাথ, দময়ন্তী শইকীয়া, প্ৰেমলতা বৰা, কিৰণ নাথ-ক মহিলা সমিতিৰ তৰফৰ পৰা গামোচা, চেলেং আৰু সম্বৰ্ধনা পত্ৰৰে সম্বৰ্ধনা জনোৱা হয়। ৰাষ্ট্ৰীয় পৰ্যায়ৰ ক্ৰীড়া প্ৰশিক্ষক মোহন চন্দ্ৰ বৰা, ভূমি দাতা পৰিয়ালৰ দীপক শইকীয়া, অৱসৰ প্ৰাপ্ত শিক্ষক, লেখক অঞ্জন বৰা, সংবাদ কৰ্মী উপেন্দ্ৰ নাথ কলিতা আমন্ত্ৰিত অতিথি হিচাপে অংশ গ্ৰহণ কৰা সভাতে ৮০ উৰ্ধৰ মহিলা অৱসৰ প্ৰাপ্ত শিক্ষয়িত্ৰী দুৰ্গেশ্বৰী কলিতাৰ "জীৱন সলনি কৰা সোণসেৰীয়া কথা" শীৰ্ষক গ্ৰন্থখনি উন্মোচন কৰে নিৰ্দিষ্ট বক্তা ড° ইন্দিৰা বৰুৱাই। সভাত পুণ্যলতা বৰাই বিহুগীত, দীপালি কলিতাই আধুনিক গীত আৰু মহিলা সকলে জেং বিহু পৰিবেশন কৰে। দুদিনীয়াকৈ অনুষ্ঠিত কৰা কাৰ্যসূচীৰ প্ৰথম দিনা, ২৪ এপ্ৰিলত মহিলা সমিতিৰ স্থায়ী কাৰ্যালয়ত পুৱা বন্তিপ্ৰজ্বলন কৰে মঞ্জু দত্ত আৰু দীপা ভূঞাই। পতাকা উত্তোলন কৰে ৰিঞ্জুমণি ভূঞাই। ইয়াৰ পিছতে অনুষ্ঠিত হোৱা কীৰ্তন পাঠৰ মূল পাঠত হিচাপে অংশ গ্ৰহণ কৰে জ্যোতি ভূঞা, সৰুমাই ভূঞাই। বিয়লি বিভা বৰুৱাৰ পৰিচালনাৰে দিহানাম পৰিৱেশন কৰা হয়। আঞ্চলিক মহিলা সমিতিৰ অন্তৰ্গত সকলো শাখা মহিলা সমিতি আৰু স্থানীয় মহিলাই দুয়োদিনৰ কাৰ্যসূচীত পূৰ্ণ সহযোগিতা আগবঢ়োৱাৰ বাবে আঞ্চলিক মহিলা সমিতিৰ তৰফৰ পৰা সকলোকে ধন্যবাদ জ্ঞাপন কৰছে।

# ২২টা ম'হসহ বাহন জব্দ, তিনিজনক আটক



**অসম বাৰ্তা, লখিমপুৰ বিশেষ, ২৯ এপ্ৰিল** ঃ আজি লখিমপুৰ জিলাৰ চাউলধোৱা আৰক্ষীয়ে পুৱা ৬-৩০ মান বজাত অবৈধভাৱে ২২টা ম'হ কঢ়িয়াই অনা এ এছ ২৫ এফ চি ৬০৯৯ নম্বৰৰ এখন ট্ৰাক জব্দ কৰাৰ লগতে তিনি সৰবৰাহকাৰীক আটক কৰে। ধেমাজি জিলাৰ পৰা বা'লৈ আনি থকা অৱস্থাতে চাউলধোৱা আৰক্ষী চকীৰ সন্মুখত আই চি অভিজিৎ গগৈৰ নেতৃত্বত আৰক্ষীয়ে জব্দ কৰে ম'হভৰ্তি বাহনখন। আটক কৰা তিনি সৰবৰাহকাৰী হৈছে দৰং জিলাৰ মঙ্গলদৈ থানাৰ অন্তৰ্গত ওজা গাঁৱৰ মটিবোৰ ৰহমানৰ পুত্ৰ মইনুদ্দিন আলি(২৩) আৰু বা'ৰ জিলাৰ নিকাচীৰ খগেন হালৈ(৫৫) আৰু একে ঠাইৰে বসন্ত হালৈ।

**কলা শাখাত ২য় স্থান অধিকাৰ দৰং জিলাৰ; দৰঙত কলা শাখাত উত্তীৰ্ণ হাৰ ৯২.৯৯%**

# উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ চূড়ান্ত পৰীক্ষাৰ ফলাফলত জয়যাত্ৰা মঙলদৈৰ চৰকাৰী বিদ্যালয়ৰ

**অসম বাৰ্তা, মঙলদৈ, ২৯ এপ্ৰিল** ঃ মঙ্গলবাৰে ঘোষিত উচ্চতৰ মাধ্যমিক বিদ্যালয় চূড়ান্ত পৰীক্ষাৰ ফলাফলত মঙলদৈত চৰকাৰী বিদ্যালয়ে জয়যাত্ৰা অব্যাহত ৰাখিবলৈ সক্ষম হয়। বিশেষকৈ মঙলদৈৰ স্ত্ৰী শিক্ষাৰ এক উল্লেখযোগ্য শিক্ষানুষ্ঠান পি এমশ্ৰী মংগলদৈ নগৰ বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কলা শাখাত মুঠ ১৩২ গৰাকী ছাত্ৰী পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ বিপৰীতে প্ৰথম বিভাগ ৯৪ গৰাকী, দ্বিতীয় বিভাগ ৩৬ গৰাকী আৰু তৃতীয় বিভাগ ২গৰাকী ছাত্ৰীয়ে লাভ কৰে। নৃতত্ত্ব বিভাগত এই বিদ্যালয়খনৰ পৰা ৰাজ্যখনৰ ভিতৰত সৰ্বোচ্চ নম্বৰ লাভ কৰে মুবিনা জামানে। ইয়াৰ উপৰিও ৰেহেনা বেগম আৰু পাৰবীন চুলতানাই এই নৃতত্ত্ব বিষয়ত ৯৮ নম্বৰকৈ লাভ কৰিবলৈ সক্ষম হয়। বিদ্যালয় খনৰ মুঠ ৬ গৰাকী ছাত্ৰীয়ে ডিষ্টিংশ্যন আৰু ১৮ গৰাকী ছাত্ৰীয়ে ষ্টাৰ মাৰ্ক পাবলৈ সক্ষম হয়। বৃত্তিমূলক শিক্ষা বিভাগত মুঠ ১৮ গৰাকী ছাত্ৰীয়ে পৰীক্ষাত অৱতীৰ্ণ হৈ প্ৰথম বিভাগত ১৪ গৰাকী আৰু দ্বিতীয় বিভাগত ৪ গৰাকীয়ে লাভ কৰে। বৃত্তিমূলক বিভাগৰ প্ৰত্যেক গৰাকী ছাত্ৰীয়ে দুটাকৈ বিষয়ত লেটাৰ মাৰ্ক পাবলৈ সক্ষম হয়। বিদ্যালয়খনত ছাত্ৰীৰ মুঠ লেটাৰ মাৰ্ক পোৱা সংখ্যা ১৫৩টা। বিদ্যালয় খনৰ এই সাফল্যত মঙলদৈ বাসীয়ে সন্তোষ লভা পৰিলক্ষিত হয়। একেদৰে মঙলদৈ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়েও ১০০ শতাংশ উত্তীৰ্ণ পিএমশ্ৰী মঙলদৈ নগৰ বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয় উচ্চতৰ মাধ্যমিক বিদ্যালয় শেষান্ত পৰীক্ষাৰ আশানুৰূপ ফল লাভ কৰে। বিদ্যালয়খনৰ কলা শাখাৰ ১৩৬ গৰাকী শিক্ষাৰ্থীৰ বিপৰীতে ১৩৪ গৰাকী উত্তীণ হয়। ৩গৰাকী শিক্ষাৰ্থীয়ে ডিষ্টিংশন ২৬ গৰাকীয়ে ষ্টাৰ নম্বৰ লাভ কৰে। বিজ্ঞান শাখাত ৪৭ গৰাকী শিক্ষাৰ্থীৰ বিপৰীতে গোটেই কেইগৰাকী শিক্ষাৰ্থী উত্তীৰ্ণ হয়। ষ্টাৰ মাৰ্ক লাভ কৰিছে ১৬ গৰাকী শিক্ষাৰ্থীয়ে। বৃত্তিমূলক শাখাত ২৭ গৰাকী শিক্ষাৰ্থীৰ বিপৰীতে ২৬গৰাকী উত্তীণ হয়। বিদ্যালয় খনত শিক্ষাৰ্থীসকলে লেটাৰ নম্বৰ পোৱা সংখ্যা ২৫৮টা। একেদৰে ২০২২ চনত অসম চৰকাৰৰ শিক্ষা বিভাগে উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰা লেঙ্গেৰীয়াঝাৰ কৃষক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ১২জন উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হৈছিল। ১২ জনেই প্ৰথম বিভাগত উত্তীৰ্ণ হৈছে। ইয়াৰে ৪জনে ষ্টাৰ নম্বৰ লাভ কৰিছে। উল্লেখযোগ্য যে আৰম্ভণি বৰ্ষৰ পৰাই বিদ্যালয়খনত উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত ১০০ শতাংশ উত্তীৰ্ণ হৈ আহিছে। লগতে জিলাখনৰ কেইবাখনো চৰকাৰী বিদ্যালয়ে এশ শতাংশ উত্তীৰ্ণৰে সফলতা লাভ কৰিবলৈ সক্ষম হৈছে।

# উচ্চতৰ মাধ্যমিকত ৯২ শতাংশ নম্বৰেৰে উজ্বলি উঠিল উদীয়মান কণ্ঠশিল্পীগৰাকী মাষ্টাৰ এঞ্জেল আৰন্ধৰা

**অসম বাৰ্তা, জাঁজী, ২৯ এপ্ৰিল** ঃ কণ্ঠৰ সুৰে শ্ৰোতাক যি দৰে মোহিত কৰে, ঠিক সেইদৰে এই বাৰ মেধাৰ উজ্জ্বলতাই সকলোকে আচৰিত কৰি তুলিছে। তেওঁ হল খনামুখৰ এঞ্জেল আৰন্ধৰা। এহাতে সংগীতৰ সাধনা আৰু আনহাতে পাঠ্যপুথিৰ অধ্যৱসায়। কালি ঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ৯২ শতাংশ নম্বৰ আৰু ৬টা বিষয়ত লেটাৰ লাভ কৰি এঞ্জেলে প্ৰমাণ কৰি দিলে যে প্ৰতিভাৰ কোনো সীমা নাই। সাংস্কৃতিক জগতত এগৰাকী প্ৰতিভাশালী কণ্ঠশিল্পী হিচাপে পৰিচিত এঞ্জেলৰ বাবে এই যাত্ৰা সহজ নাছিল। সংগীতৰ সাধনা আৰু পঢ়া-শুনাৰ মাজত ভাৰসাম্য ৰক্ষা কৰি তেওঁ লাভ কৰা এই ৯২ শতাংশ নম্বৰে তেওঁৰ কঠোৰ পৰিশ্ৰমৰ পৰিচয় দিছে। এঞ্জেলৰ এই বিৰল কৃতিত্বই এতিয়া সমগ্ৰ অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে। এঞ্জেলৰ মতে, "সংগীত মোৰ প্ৰাণ আৰু পঢ়া-শুনা মোৰ দায়িত্ব। সংগীতৰ সুৰে মোক একাগ্ৰতা দিছে যাৰ ফলত মই পৰীক্ষাতো সুফল লাভ কৰিবলৈ সক্ষম হৈছোঁ।" ভৱিষ্যতে এজন সফল শিল্পী হোৱাৰ লগতে এগৰাকী উচ্চশিক্ষিত নাগৰিক হোৱাৰ সপোন দেখা এঞ্জেলক এতিয়া বিভিন্ন মহলৰ পৰা শুভেচ্ছাৰে উপচাই পেলোৱা হৈছে। সুৰ আৰু মেধাৰ এই অনন্য সংমিশ্ৰণে আন বহুতো ছাত্ৰ-ছাত্ৰীৰ বাবে প্ৰেৰণাৰ উৎস হৈ পৰিব।

# পাল্লিৰতল নৱজাগৰণ জাতীয় বিদ্যালয়ৰ নাম উজ্বলাইছে প্ৰাক্তন ছাত্ৰ মুস্কাকিম আহমেদে

**অসম বাৰ্তা, যোগীঘোপা, ২৯ এপ্ৰিল** ঃ বঙাইগাওঁ জিলাৰ পাল্লিৰতল নৱজাগৰণ জাতীয় বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ সদ্যঘোষিত উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ২০২৬ বৰ্ষৰ চুৰান্ত পৰীক্ষাত নৱজাগৰণ জাতীয় বিদ্যালয়ৰ নাম উজলাইছে প্ৰাক্তন ছাত্ৰ মুস্কাকিম আহম্মেদ। বঙাইগাঁও জিলাৰ পাল্লীৰতল নৱজাগৰণ জাতীয় বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ মুস্তাকিম আহম্মেদ বিজ্ঞান শাখাত ৮৭ শতাংশ নম্বৰ লাভ কৰি ডিষ্টেংশ্বন পাবলৈ সক্ষম হয়। মুস্তাকিমে অধ্যয়ন কৰা বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ লগতে শিক্ষক শিক্ষয়িত্ৰী সকল আনন্দত উৎফল্লিত। কৃৰ্তিত্ব লাভ কৰা ছাত্ৰ সকলক বিদ্যালয়ৰ শিক্ষক সকলে আনুষ্ঠানিক ভাৱে সম্বৰ্ধনা জনায়। কৃৰ্তিত্ব লাভ কৰা ছাত্ৰ কেইগৰাকী হল মুস্তাকিম আহম্মেদ ৮৭ শতাংশ ডিষ্টিংশ্বন, ইফতিকাৰ আহম্মেদ ৭৯ শতাংশ আৰু নুৰ নবী আজাদ ৬২ শতাংশ পাবলৈ সক্ষম হৈছে। তিনিও গৰাকী বিজ্ঞান শাখাত ২০২৬ বৰ্ষৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ চুৰাত্ত পৰীক্ষাত সুখ্যাতিৰে সুনাম কৰি নৱজাগৰণ জাতীয় বিদ্যালয়ৰ লগতে অঞ্চলটোৰ নাম উজলাইছে।

# গোসাঁইগাঁৱত আৰক্ষীৰ অভিযান, গোসাঁইগাঁৱৰ শালজুৰিৰ পৰা অস্ত্ৰ সহ দুজনক আটক

**অসম বাৰ্তা, গোসাঁইগাঁও, ২৯ এপ্ৰিল** ঃ গোসাঁইগাঁও আৰক্ষীয়ে এক বিশেষ অভিযান চলাই শালজুৰি অঞ্চলৰ পৰা অস্ত্ৰ-শস্ত্ৰসহ দুজন লোকক আটক কৰিবলৈ সক্ষম হৈছে। আটকাধীন লোক দুজনক শালজুৰিৰ বাসিন্দা জিতেন হাচদা আৰু মাৰ্টিন হেম্ব্ৰম বুলি চিনাক্ত কৰা হৈছে। আৰক্ষীৰ তথ্য অনুসৰি সন্দেহজনক গতিবিধিৰ ভিত্তিত অভিযান চলোৱা সময়ত তেওঁলোকক আটক কৰা হয়। আটকাধীন লোক দুজনৰ পৰা আৰক্ষীয়ে এটা পিস্তল, এটা মেগজিন, তিনিটা সজীৱ গুলী, দুটা মোবাইল ফোন আৰু এখন মটৰ চাইকেল জব্দ কৰিছে। ঘটনাটোৰ সৈতে জড়িত অধিক তথ্য উদ্ধাৰৰ বাবে আৰক্ষীয়ে দুয়োজন লোকক সোধাপোছা অব্যাহত ৰাখিছে।

# টংলাত ওদালগুৰি জিলা বিজেপি মহিলা মৰ্চাৰজন আক্ৰোশ সমদল

৩৩ শতা




**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ২৯ এপ্ৰিল** ঃ "নাৰী শক্তিৰ অপমান সহ্য নকৰে হিন্দুঃস্থান", "নাৰীৰ অধিকাৰ হৰণকাৰী কংগ্ৰেছ হুচিয়াৰ হুচিয়াৰ", " জনগণৰ আহ্বান নাৰী শক্তিলৈ সন্মান "কংগ্ৰেছৰ গো বেক", "বিৰোধী ঐক্য মঞ্চ হুচিয়াৰ", "মহিলা সকলক ৰাজনৈতিক অধিকাৰ প্ৰদান কৰক" ইত্যাদি শ্লোগানৰে ৩৩ শতাংশ মহিলা সংৰক্ষণৰ দাবীত আজি টংলাৰ ৰাজ পথত কেইবা শতাধিক মহিলা বিজেপি নেত্ৰী কৰ্মীয়েজন আক্ৰোশ সমদল কাৰ্য্যসূচী অংশগ্ৰহণ কৰি আকাশ বতাহ কঁপাই তোলে। উক্ত সমদলৰ পূৰ্বে টংলা সুজিত নাৰজাৰী প্ৰেক্ষাগৃহত ওদালগুৰি জিলা বিজেপি মহিলা মৰ্চাৰ নেতৃত্বত এখন প্ৰতিবাদী সভা অনুষ্ঠিত হয়। ওদালগুৰি জিলা বিজেপি মহিলা মৰ্চাৰ সভানেত্ৰী বিনিতা কলিতাই সঞ্চালনা কৰা সভাত ৰাজ্যিক বিজেপি মহিলা মৰ্চাৰ সভানেত্ৰী নীলিমা দেৱী, জিলা বিজেপিৰ সভাপতি অজয় হাজৰিকা, সাধাৰণ সম্পাদক সুজিত সৰকাৰ, উপ সভাপতি বিকন চন্দ্ৰ ডেকা, পাৰিষদ ক্ৰমে অৰ্জুন দৈমাৰী আৰু দিগন্ত বৰুৱা, ৰাজ্যিক বিজেপি কাৰ্যনিৰ্বাহক নিৰঞ্জন সিংসহ বহু কেইগৰাকী দলীয় নেতা উপস্থিত থাকে। সভাত অজয় হাজৰিকাই ৩৩ শতাংশ মহিলা সংৰক্ষণৰ ব্যৱস্থা সম্পৰ্কে বিৱৰণ দাঙি ধৰাৰ লগতে ৰাজ্যিক বিজেপি মহিলা মৰ্চাৰ সভানেত্ৰী নীলিমা দেৱীয়ে ভাষণ প্ৰসংগত কয় যে, ৩৩ শতাংশ মহিলা সংৰক্ষণ সময়ৰ আহ্বান। ৰাষ্ট্ৰৰ মহিলাৰ ন্যায় আৰু ৰাজনৈতিক অংশীদাৰিত্বৰ বাবে সকলো এক হওক। তেওঁ আৰু কয় যে, নাৰী শক্তিক অপমান, নাৰী শক্তিক উত্থানত বাধা প্ৰদান কৰা কাৰ্য্যত ভাৰতীয় নাৰী লজ্জিত। নাৰী শক্তিক এনে অপমানমূলক আচৰণ কৰি কংগ্ৰেছ নেতৃত্ব বিৰোধীয়ে যি আনন্দ উল্লাস কৰিলে সেই লৈ ভাৰতীয় নাৰী অপমানিত আৰু দুঃখিত। সঁচাকৈয়ে নাৰীৰ অধিকাৰ ৰাজনৈতিক ভাবে প্ৰাপ্য পৰা বঞ্চিত কৰাৰ ক্ষেত্ৰত বিৰোধী দল সমূহে লোৱা ভূমিকা দেশৰ বাবে চিন্তনীয় বুলি উল্লেখ কৰে। ৩৩ শতাংশ মহিলা সংৰক্ষণ বিল কেবল বিজেপি দলৰ মহিলাৰ বাবে নহয়, এই বিল সকলো ৰাজনৈতিক দলৰ মহিলাৰ বাবে বুলি উল্লেখ কৰি তেওঁ আৰু কয় যে, দেশৰ অৰ্থনৈতিক, সাংস্কৃতিক, ৰাজনৈতিক আদি সুৰক্ষাৰ ক্ষেত্ৰত দেশৰ উত্থানৰ ক্ষেত্ৰত বিৰুধিৰ আসনত বহি বিৰোধিতা কৰি দেশখনক অস্থিৰ কৰা কংগ্ৰেছ দলৰ এটা পৰিয়াল কেন্দ্ৰিক ৰাজনৈতিক দল। এই দলে ৩৩ শতাংশ মহিলা সংৰক্ষণ বিল আহিলে তেওঁলোক যে ধূলিৎসা হব আৰু সেই ভয়তে ৩৩ শতাংশ মহিলা সংৰক্ষণ বিলক বিৰোধ কৰিছে। কেইবা শতাধিক মহিলা বিজেপি কৰ্মীৰ লগতে জিলা বিজেপিৰ নেতা কৰ্মী সকলে টংলা সুজিত নাৰজাৰী প্ৰেক্ষাগৃহৰ পৰা টংলা চাৰিআলিলৈজন আক্ৰোশ সমদল কৰি প্ৰতিবাদ সাব্যস্ত কৰে।

**▫ কৰ্কট ৰোগৰ সজাগতা গীত মুকলি; অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেশ্যনৰ বহুভাষিক আলোচনী ‘প্ৰত্যাশা’ৰ দ্বিতীয় খণ্ড উন্মোচন ▫**

# অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেচনৰ চতুৰ্থ বৰ্ষপূৰ্তি উদ্‌যাপন

**অসম বাৰ্তা, মঙলদৈ, ২৯ এপ্ৰিল** ঃ অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেচন (ACCF)-এ আজি ২৮ এপ্ৰিল ২০২৬ তাৰিখে ৪ৰ্থ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰে, লগতে দৰং কৰ্কট কেন্দ্ৰইও চতুৰ্থ বৰ্ষপূৰ্তী পালন কৰে বিভিন্ন কাৰ্যসূচীৰে। অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেশ্যনৰ জৰিয়তে অসম আৰু উত্তৰ-পূৰ্বাঞ্চলত কেঞ্চাৰ চিকিৎসা সেৱা প্ৰদানৰ ক্ষেত্ৰত চাৰি বছৰ ধৰি কৰা পৰিৱৰ্তনশীল কামৰ এক উল্লেখযোগ্য মাইলফলক চিহ্নিত কৰা হৈছে। অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেচনটোৰ ২৮ এপ্ৰিল ২০২২ তাৰিখে প্ৰতিষ্ঠা কৰা হৈছিল, সেই সময়ত ডিব্ৰুগড় কেঞ্চাৰ কেন্দ্ৰত উপস্থিত হৈ ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু উদ্যোগপতি ৰতন টাটাৰ উপস্থিতিত প্ৰথমে একেলগে অসমত ৭খন কেঞ্চাৰ চিকিৎসালয় উদ্বোধন কৰা হৈছিল। অসমত বিগত চাৰি বছৰত ACCF-এ সুলভ আৰু গুণগত মানৰ কেঞ্চাৰ চিকিৎসা লাভৰ সুবিধা বহল কৰিছে আৰু কেঞ্চাৰ ৰোগীসকলক চিকিৎসা সেৱা আগবঢ়ায় আছে। অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেশ্যনে আজি কেঞ্চাৰ সজাগতা অভিযানৰ গীত মুকলি কৰে, যি এক শক্তিশালী উদ্যোগ লোৱাৰ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। এই গীতটো শিল্পী ৰূপম ভূঞাৰ কণ্ঠ আৰু সুৰ আৰু সংগীতত আছে শিল্পী প্ৰিয়ঙ্কু বৰদলৈ লগতে গীতটি লিখিছে শিল্পী শশাঙ্ক সমীৰে। এই গীতটোৰ জৰিয়তে অসমৰ বিভিন্ন সমাজত কেঞ্চাৰ সজাগতা সৃষ্টি কৰি কেঞ্চাৰ ৰোগৰ বিৰুদ্ধে একত্ৰিত প্ৰচেষ্টাৰ অনুপ্ৰেৰণা দিয়া হৈছে কৰ্কট ৰোগী সকলক। ইয়াৰ উপৰিও অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেশ্যনৰ তৰফৰপৰা পৰা প্ৰকাশিত বহু ভাষিক আলোচনী ‘প্ৰত্যাশা’ৰ দ্বিতীয় খণ্ডটো আজি আনুষ্ঠানিক ভাৱে উন্মোচন কৰে ৰাজ্যিক কৰ্কক প্ৰতিষ্ঠানত এক গ্ৰাম্ভিৰ্মপুৰ্ণ অনুষ্ঠানৰ জৰিয়তে। অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেশ্যনৰ বহুভাষিক আলোচনী প্ৰত্যাশা সম্পাদনা ৰ দায়িত্ব গ্ৰহণ কৰি সজাই পৰাই তোলাত বিভিন্ন ভূমিকা গ্ৰহণ কৰে অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেশ্যনৰ কৰ্মচাৰী নন্দিনী কাকতি, চতনজীৎ শইকীয়া, নিৰঞ্জন শইকীয়াই। বহুভাষিক আলোচনী প্ৰত্যাশা উন্মোচন কৰে অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেশ্যনৰ মুখ্য সঞ্চালক ডাঃ (মেজৰ জেনেৰেল) জয় প্ৰকাশ প্ৰসাদৰ লগতে কেইবাগৰাকীও বিশিষ্ট অতিথিসকলৰ দ্বাৰা উন্মোচন কৰে ৰাজ্যিক কৰ্কট প্ৰতিষ্ঠান গুৱাহাটীত আয়োজন কৰা চতুৰ্থ বৰ্ষপূৰ্তী উদযাপন কাৰ্যসূচীত। এই বহুভাষিক আলোচনীৰ দ্বিতীয় খণ্ডৰ প্ৰকাশনটোত অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেশ্যনত চলি থকা উদ্যোগসমূহৰ বিৱৰণ, ৰোগীৰ সাহস আৰু আৰোগ্যৰ কাহিনী, আৰু চিকিৎসক, কেঞ্চাৰ ৰোগীসকলৰ চিকিৎসাৰ সুবিধা সমূহৰ বিৱৰণ, যত্নলয়, চৰকাৰ আৰু সমাজৰ যৌথ প্ৰচেষ্টাৰ প্ৰতিফলন দাঙি ধৰা হৈছে, যিয়ে কেঞ্চাৰ চিকিৎসা ব্যৱস্থাক উন্নত কৰি তুলিছে। দৰং কৰ্কট কেন্দ্ৰৰ ৰোগী সমন্বয়ক নিৰঞ্জন শইকীয়াই আঁতধৰা কাৰ্যসূচীৰ জৰিয়তে অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেশ্যনৰ চতুৰ্থ বৰ্ষপূৰ্তী অনুষ্ঠানৰ দৰং কৰ্কট কেন্দ্ৰত আয়োজন কৰা কাৰ্যসূচীত উপস্থিত থাকি বহুভাষিক আলোচনী প্ৰত্যাশা ৰ দ্বিতীয় খণ্ড আনুষ্ঠানিক ভাৱে উন্মোচন কৰে দৰং কৰ্কট কেন্দ্ৰৰ অধীক্ষক ডাঃ (কৰ্নেল )চৈয়দ ইফটিখাৰ চোভানীয়ে। বহুভাষিক আলোচনী প্ৰত্যাশা আৰু সজাগতা গীত উন্মোচন কাৰ্যসূচীত অংশগ্ৰহণ কৰে মঙলদৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলাকান্ত বৰা, দৰং ওডালগুৰি জিলাৰ জেষ্ঠ্য সাংবাদিক ভাৰ্গৱ কুমাৰ দাস, জেষ্ঠ্য সাংবাদিক ময়ূখ গোস্বামী, মঙলদৈ প্ৰেছ ক্লাবৰ প্ৰাক্তন সভাপতি মদন চন্দ্ৰ বৰুৱা, দৰং জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ দিল্লীৰাম অধিকাৰী, মঙলদৈ অসামৰিক চিকিৎসালয়ৰ অধীক্ষক ডাঃ উৎপল বৰুৱা, জেষ্ঠ্য চিকিৎসা বিষয়া ডাঃ কমলা কান্ত শৰ্মা, দৰং কৰ্কট কেন্দ্ৰৰ চিকিৎসক ডাঃ দীনেশ চন্দ্ৰ গোস্বামী, ডাঃ জয়ন্ত ডেকা, দৰং কৰ্কট কেন্দ্ৰৰ চিকিৎসক দন্দ ভাস্মি চাই প্ৰৱিন, দৰং কৰ্কট কেন্দ্ৰৰ চিকিৎসক ডাঃ ছহিদুল ইছলাম, দৰং কৰ্কট কেন্দ্ৰৰ চিকিৎসক ডাঃ ৰুবিনা ইয়াছমিন, অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেশ্যনৰ ওডালগুৰি জিলাৰ চিকিৎসক ডাঃ ৰিচভ দে, দৰং কৰ্কট কেন্দ্ৰৰ জিলা স্বাস্থ্য বিষয়া দীপমনি শৰ্মা, দৰং কৰ্কট কেন্দ্ৰৰ মানৱ সম্পদ বিষয়া গৌতম সন্দিকৈ, অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেশ্যনৰ ওডালগুৰি জিলাৰ জিলা সমন্বয়ক কয়েল ঘোষ, দৰং কৰ্কট কেন্দ্ৰৰ নাৰ্চিং অধীক্ষক চবনম নাৰ্গিজ হুছেইন, সাংবাদিক হেমন্ত কুমাৰ বৰুৱা, হেল্পিংহেণ্ড সংস্থাৰ অধ্যক্ষ যতীন্দ্ৰ নাথ কৃষ্ণ দাস, সমাজসেৱী চৈয়দা চচমে আৰা জাহান, মঙলদৈ জিএনএম প্ৰশিক্ষণ কেন্দ্ৰৰ অধ্যক্ষা অনিতা ডেকা, মঙলদৈ অসামৰিক চিকিৎসালয়ৰ মেট্ৰন কৃষ্ণা সন্দিকৈ, দৰং জিলা নিয়োগ বিভাগৰ বিষয়া আদিত্য বৰ্মন, দৰং জিলাৰ ডিপিচি গীতিকা দত্ত, দৰং কৰ্কট কেন্দ্ৰৰ কৰ্মচাৰী অৰুণ গোঠী, দীপু ডেকা, প্ৰদ্যুৎ দাস, নাৰ্ছিং অফিছাৰ ৰোস্না বেগম ৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেশ্যনৰ চতুৰ্থ বৰ্ষপূৰ্তি অনুষ্ঠানত অনুষ্ঠানত অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেশ্যনৰ জ্যেষ্ঠ বিষয়াসকলে ভাষণ প্ৰসংগত বক্তব্য আগবঢ়ায় অসমত কোনো ৰোগীয়ে যাতে উন্নত মানৰ কেঞ্চাৰ চিকিৎসাৰ বাবে দূৰলৈ যাব নালাগে, সেই প্ৰতিশ্ৰুতি পুনৰ দৃঢ় কৰে। অনুষ্ঠানটো বিগত চাৰি বছৰৰ অগ্ৰগতিক আগবঢ়াই লৈ যোৱাৰ আৰু কেঞ্চাৰ-মুক্ত ভৱিষ্যতৰ দিশে আগবঢ়াৰ শপত লোৱাৰ জৰিয়তে কাৰ্যসূচী সামৰণি মাৰে। অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেশ্যন হৈছে অসম চৰকাৰ আৰু টাটা ট্ৰাষ্টৰ যৌথ উদ্যোগ। ৰাজ্যখনত এক সমগ্ৰ আৰু বিস্তৃত কেঞ্চাৰ চিকিৎসা নেটৱৰ্ক গঢ়ি তোলাৰ লক্ষ্যৰে এইটো প্ৰতিষ্ঠা কৰা হৈছে, য'ত ৰোগী-কেন্দ্ৰিক পৰিকাঠামো, আগতীয়াকৈ চিনাক্তকৰণ আৰু সুলভ চিকিৎসাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেশ্যনে অসমৰ ৩৫ খন জিলাতে কৰ্কট ৰোগৰ সজাগতা, সাৱধানতা আৰু চিকিৎসাৰ ক্ষেত্ৰত কাম কৰি আহিছে সেই অনুসৰি দৰং কৰ্কট কেন্দ্ৰই ও দৰং ওডালগুৰি আৰু কামৰূপ গ্ৰাম্য জিলাৰ বিভিন্ন ঠাইত কৰ্কট ৰোগৰ সজাগতা, স্ক্ৰীনিং কাৰ্যসূচী ৰূপায়ণ কৰাৰ লগতে জনসাধাৰণৰ ওচৰত সজাগতামোলক কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে। অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেশ্যনৰ চতুৰ্থ বৰ্ষপূৰ্তী উপলক্ষে দৰং কৰ্কট কেন্দ্ৰৰ চিকিৎসক, নাৰ্ছ, কৰ্মচাৰী সকলৰ মাজত বিভিন্ন ক্ৰীড়া প্ৰতিযোগিতা অনুষ্ঠিত কৰে। আৰু বৰ্ষপূৰ্তী উপলক্ষে দৰং কৰ্কট কেন্দ্ৰত চিকিৎসা গ্ৰহণ কৰি থকা আৰু সুস্থ হৈ যোৱা কেইবাগৰাকীও ৰোগীক ফলমূল বিতৰণ কৰে। অসম কেঞ্চাৰ কেয়াৰ ফাউণ্ডেশ্যনৰ চতুৰ্থ বৰ্ষপূৰ্তী উপলক্ষে দৰং কৰ্কট কেন্দ্ৰৰ সমূহ কৰ্মচাৰীয়ে সাংস্কৃতিক কাৰ্যসূচী এটি ৰূপায়ণ কৰে গীত, নৃত্যৰ জৰিয়তে। লগতে সজাগতা মুলক নাটক প্ৰদৰ্শন কৰে।

## পুনৰ ৰাজপট দখলৰ দিশে

বিজেপি নেতৃত্বাধীন ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মিত্ৰজোঁট (এনডিএ)ক সংখ্যাগৰিষ্ঠতা প্ৰদান কৰাত সকলো একমত। এক্সি-মাই ইণ্ডিয়াৰ সমীক্ষা অনুসৰি বিজেপি মিত্ৰজোঁটে ৮৮ৰ পৰা ১০০খন আসন লাভ কৰিব। আনহাতে কংগ্ৰেছ নেতৃত্বাধীন মিত্ৰজোঁটে সীমাবদ্ধ থাকিব ২৪ৰ পৰা ৩৬খন আসনত। জেভিচি সংস্থাই বিজেপি মিত্ৰজোঁটক ৮৮ৰ পৰা ১০১খন, কংগ্ৰেছ মিত্ৰজোঁটক ২৩ৰ পৰা ৩৩খন আৰু অন্যান্য দলক ২ৰ পৰা ৫খন আসন দিয়াৰ ভৱিষ্যদ্বাণী কৰিছে। পি মাৰ্কৰ মতে সৰ্বনিম্ন ৮২ৰ পৰা সৰ্বোচ্চ ৯৪খন আসন বিজেপি মিত্ৰজোঁটৰ হাতলৈ যোৱাৰ সম্ভাৱনা দেখুৱাইছে পি মাৰ্কে। একেদৰে কংগ্ৰেছ মিত্ৰজোঁটে ৩০ৰ পৰা ৪০খন আৰু অন্যান্যই ১ৰ পৰা ৫খন আসন পাব বুলি অনুমান কৰা হৈছে। প'ল অৱ ইগজিট প'লছৰ এই গড় সমীক্ষাই বিজেপি মিত্ৰজোঁটক ৮৮খন, কংগ্ৰেছ মিত্ৰজোঁটক ২৭খন আৰু অন্যান্য দলক ৬খন আসন দিয়াৰ কথা কৈছে। বিজেপি মিত্ৰজোঁটৰ বাবে ৮৫ৰ পৰা ৯৫খন, কংগ্ৰেছ মিত্ৰজোঁটৰ বাবে ২৫ৰ পৰা ৩৫খন আৰু অন্যান্য দলৰ বাবে ৬ৰ পৰা ১২খন আসন দাবী কৰিছে মেট্ৰিজে। পিপুলছ পালছে কিছু বেলেগ ধৰণৰ ভৱিষ্যদ্বাণী কৰি এই সংস্থাই কৈছে যে বিজেপি মিত্ৰজোঁটে লাভ কৰিব ৬৮ৰ পৰা ৭২খন মহজ, কংগ্ৰেছ মিত্ৰজোঁটে ২২ৰ পৰা ২৬খন, বাকী ৭ৰ পৰা ১৫খন আসন অন্যান্য দলৰ হাতলৈ যাব। প'ল ডায়েৰীৰ সমীক্ষা মতে বিজেপি মিত্ৰজোঁটে ৮৬ৰ পৰা ১০১খন, কংগ্ৰেছ মিত্ৰজোঁটে ১৫ৰ পৰা ২৬খন আৰু অন্যান্য দলে ৩ৰ পৰা ৭খন আসন লাভ কৰিব। উল্লেখযোগ্য যে এইবাৰ অসমৰ বিধানসভা নিৰ্বাচনত ভোটাৰৰ উপস্থিতি আছিল ৮৫.৩৮ শতাংশ, যি ৰাজ্যৰ নিৰ্বাচনী ইতিহাসত এক অভিলেখ। ইমান বেছি সংখ্যক ভোটাৰে নিজৰ মত প্ৰকাশ কৰাত ৰাজনৈতিক বিশে-যকসকল ব্যাকুল হৈ পৰিছে। কেইবাটাও এগজিট প'লে বিজেপিৰ পক্ষত পূৰ্বৰ তুলনাত কম সংখ্যক আসনৰ ভৱিষ্যদ্বাণী কৰিলেও, তৃতীয়বাৰৰ বাবে চৰকাৰ গঠন কৰাৰ ক্ষমতা যে মিত্ৰজোঁটৰ হাতত থাকিব, তাত সন্দেহ নাথাকিল। অসমৰ ৰাজনীতিত জোৰদাৰ প্ৰত্যাৱৰ্তন ঘটাবলৈ সাজু হৈ থকা কংগ্ৰেছ নেতৃত্বাধীন মহা মিত্ৰজোঁটে অৱশ্য এতিয়ালৈকে এই সমীক্ষাসমূহক আনুষ্ঠানিকভাৱে প্ৰত্যাখ্যান কৰা নাই। কিন্তু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নিজৰ এ' হেণ্ডেলত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয়, "ভগৱান আৰু অসমৰ ৰাইজৰ আশীৰ্বাদত আমি আকৌ আহিছো। ৪ মে'ত স্পষ্ট হৈ যাব।" এতিয়া সকলোৰে দৃষ্টি ৪ মে'লৈ। সেইদিনা অসম, তামিলনাডু, পশ্চিমবংগ, কেৰালা আৰু পুডুচেৰীৰ বিধানসভা নিৰ্বাচনৰ ভোটগণনা একেলগে অনুষ্ঠিত হ'ব। তাৰ পিছতেই স্পষ্ট হৈ পৰিব অসমৰ ৰাইজে কাৰ হাতত শাসনৰ বাগডোৰ গতাই দিলে। এগজিট প'ল সমূহ সদায় নিৰ্ভুল নহয় বুলি ৰাজনৈতিক পৰ্যবেক্ষকসকলে সদায় সোঁৱৰাই দিয়ে। এইবাৰো তাৰ ব্যতিক্ৰম নহ'ব পাৰে। গতিকে সকলোৰে ধৈৰ্য ধৰি ৪ মে'লৈ অপেক্ষা কৰাটোৱেই উত্তম। তললৈ নমনা উত্তেজনাৰ মাজতে এতিয়া অসমবাসীয়ে নিশ্বাস ৰুদ্ধ কৰি বৈ আছে— হাতত কোনে লয় অসমৰ শাসনৰ বাঘজৰী, তাৰ উত্তৰ আহিব অহা সপ্তাহত।

## সম্পৰ্ক বিচ্ছেদ কৰিলে ব্যক্তিগত ফটো, ভিডিঅ'

পৰা ওলাই গৈছিলোঁ। মোক কোনেও জোৰ-জবৰদস্তি কৰা নাছিল। মোক কোনেও লৈ যোৱা নাছিল। এই ঘটনাৰ লগত কোনো তৃতীয় ব্যক্তি জড়িত নাছিল। উবেৰ বা ৰেপিড' চালক ইয়াৰ লগত জড়িত নাছিল।" তেওঁ লগতে কয়, "মই ঘৰৰ পৰা জালুকবাৰীলৈ গৈছিলোঁ। তাৰ পিছত পল্টনবজাৰৰ পৰা শ্বিলংলৈ গৈছিলোঁ। মাক যি মেছেজ পঠাইছিলোঁ যে মই বিপদত আছোঁ আৰু মোক ক'ৰবাত লৈ গৈছে - সেইটো সম্পূৰ্ণ অসত্য আছিল।" মানসিক অৱস্থাৰ বিষয়ে ব্যাখ্যা কৰি ভাৱনাই কয়, "মই সেই সময়ত ভীষণ মানসিক চাপত আছিলোঁ। মই মোৰ মাক-দেউতাক মানসিক অৱস্থাটোৰ বিষয়ে অনুভৱ কৰাব বিচৰা নাছিলোঁ। মই গৈ শ্বিলং পালোঁ আৰু এখন হোটেলত ৰাতিটো অকলে কটালোঁ। সেই সময়ত মই মানসিকভাৱে সম্পূৰ্ণ অস্থিৰ আছিলোঁ। বহুত চিন্তাত আছিলোঁ, বিভ্ৰান্ত হৈছিলোঁ আৰু মনটো একেবাৰে স্থিৰ নাছিল।" "এটা সময়ত মই মোৰ জীৱন শেষ কৰাৰো পৰিকল্পনা কৰিছিলোঁ। কিন্তু পাছত বুজিব পাৰিলোঁ যে এই সিদ্ধান্ত ল'ব নোৱাৰোঁ। তাৰ পিছত ঘূৰি অহাৰ সিদ্ধান্ত ল'লোঁ। পিছদিনা পুৱা ৰাস্তাত বহি থাকোঁতে এগৰাকী মহিলাক দেখি তেওঁৰ সহায়ত মাক ফোন কৰিলোঁ আৰু অসম আৰক্ষীৰ সহায়ত সুৰক্ষিতভাৱে ঘূৰি আহিলোঁ।" মানসিক চাপৰ মূল কাৰণ স্পষ্ট কৰি ভাৱনাই কয়, "যোৱা দুইবছৰ ধৰি মই নিহাৰজ্যোতি শৰ্মাৰ সৈতে সম্পৰ্কত আছিলোঁ। দুয়োটা পৰিয়ালে এই সম্পৰ্কৰ বিষয়ে জানিছিল। কিন্তু সময় গৈ থকাৰ লগে লগে মই ভীষণ চাপ আৰু ভয় অনুভৱ কৰিবলৈ ধৰিলোঁ।" তেওঁ লগতে কয়, "মোক কোৱা হৈছিল যে মই সম্পৰ্কটো বিচ্ছেদ কৰিলে মোৰ ব্যক্তিগত ফটো আৰু ভিডিঅ'বোৰ জনসমাজত প্ৰকাশ কৰা হ'ব আৰু মোৰ পৰিয়ালৰ ক্ষতি কৰা হ'ব। এই কথাবোৰৰ বাবে মই বহুদিন ধৰি ভয় আৰু চাপত জীয়াই আছিলোঁ। এইবোৰ কথা মই কাকো ক'ব পৰা নাছিলোঁ।" ভাৱনা শৰ্মাই স্পষ্টকৈ কয়, "মই ইতিমধ্যে এজাহাৰ দাখিল কৰিছোঁ। মই যি মানসিক অৱস্থাৰ মাজেৰে পাৰ হৈছোঁ, হয়তো বহুতে সেই কথা বুজি নাপাবও পাৰে। এই সময়খিনি মোৰ আৰু মোৰ পৰিয়ালৰ বাবে অতি কঠিন। মই এতিয়া মোৰ সুস্থতা আৰু আগবাঢ়ি যোৱাৰ ওপৰত গুৰুত্ব দিছোঁ।" উল্লেখ্য যে ২৪ এপ্ৰিলত ভাৱনা শৰ্মা নামৰ যুৱতীগৰাকী গুৱাহাটীৰ পৰা নিৰুদ্দেশ হৈছিল। এদিন পিছত শ্বিলঙত তেওঁক উদ্ধাৰ কৰা হয়। তাৰ পৰা আৰম্ভ হোৱা চাঞ্চল্যই গুৱাহাটী তথা সমগ্ৰ অসমত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল। ভাৱনাৰ এই স্পষ্টীকৰণে যদিও বহু প্ৰশ্নৰ উত্তৰ দিছে, তথাপি ঘটনাটোৰ আন দিশসমূহ এতিয়াও তদন্তৰ বাকী থাকিল। ইফালে, ভাৱনা শৰ্মাৰ এই ভিডিঅ' ঘোষণাই সামাজিক মাধ্যমত তুমুল আলোড়ন সৃষ্টি কৰিছে। মানসিক চাপ আৰু সম্পৰ্কজনিত জটিলতাৰ ফলত কেনেকৈ এজন ব্যক্তি চৰম সিদ্ধান্তলৈ আহে, সেই বিষয়ে এই ঘটনাই গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন কৰিছে।

## দেশৰ আটাইতকৈ দীৰ্ঘ আৰু

লগতে কয়, "গংগা এক্সপ্ৰেছৱে হৈছে উত্তৰ প্ৰদেশ আৰু সমগ্ৰ দেশৰ জীৱনৰেখা। আধুনিক ভাৰতৰ প্ৰতীক এই পথে মা গংগাৰ আশীৰ্বাদত বিকাশ আৰু বেকাৰী সমস্যা সমাধানত সহায় কৰিব।" এই এ'প্ৰেছৱেৰ এক উল্লেখযোগ্য বৈশিষ্ট্য হৈছে ইয়াৰ ৩.৫ কিলোমিটাৰ দীৰ্ঘ অংশ ভাৰতীয় বায়ুসেনাৰ যুদ্ধ বিমানে জৰুৰীকালীন অৱস্থাত অৱতৰণৰ বাবে উপযোগী কৰি ৰখা হৈছে। ১২খন জিলাক সামৰি লোৱা এই ছয়লেনযুক্ত এ'প্ৰেছৱেটো পৰৱৰ্তী সময়ত আঠলেনযুক্ত পথলৈ পৰিবৰ্তন কৰাৰো ব্যৱস্থা আছে। এ'প্ৰেছৱেৰ মুঠ দৈৰ্ঘ্যৰ ৪৬৪ কিলোমিটাৰ পথ আদানী ৰোডট্ৰান্সপৰ্ট লিমিটেড গ্ৰুপে নিৰ্মাণ কৰিছে। এই বিস্তৃত প্ৰকল্পত প্ৰায় ১২ হাজাৰ শ্ৰমিক নিয়োজিত হৈছিল। উত্তৰ প্ৰদেশ চৰকাৰৰ অনুমান অনুসৰি, এক্সপ্ৰেছৱেৰ ফলত ৩ লাখ চাকৰিৰ সৃষ্টি হোৱাৰ লগতে আগন্তুক দশকত ১ লাখ কোটি টকা অৰিহণা যোগাই ৰাজ্যখনৰ জিডিপি বৃদ্ধিত সহায় কৰিব। গংগা এক্সপ্ৰেছৱেৰ দাঁতিত কৃত্ৰিম বুদ্ধিমত্তা (এআই) দ্বাৰা পৰিচালিত চিচিটিভি কেমেৰা সংস্থাপন কৰা হৈছে। এই অত্যাধুনিক নিৰাপত্তা ব্যৱস্থাই পথটোৰ নিয়মীয়া নিৰীক্ষণ আৰু দুৰ্ঘটনা ৰোধত সহায় কৰিব। গংগা এক্সপ্ৰেছৱেৰ ফলত কৃষি, উদ্যোগ ক্ষেত্ৰত ব্যাপক পৰিৱৰ্তন আনিব। বিশেষকৈ প্ৰয়াগৰাজ আৰু বাৰাণসীৰ পৰ্যটন ক্ষেত্ৰ ইয়াৰ দ্বাৰা অধিক লাভান্বিত হ'ব বুলি উত্তৰ প্ৰদেশ চৰকাৰে উল্লেখ কৰিছে। মীৰুটৰ পৰা প্ৰয়াগৰাজলৈ যাত্ৰা সময় বহু পৰিমাণে হ্ৰাস পোৱাৰ ফলত ৰাজ্যখনৰ অৰ্থনৈতিক কাৰ্যকলাপ ত্বৰান্বিত হোৱাৰ সম্ভাৱনা আছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সপোনৰ প্ৰকল্পসমূহৰ ভিতৰত অন্যতম এই গংগা এক্সপ্ৰেছৱে উত্তৰ প্ৰদেশৰ উন্নয়নৰ গতি আনকি বাৰাণসীকে ধৰি পৱিত্ৰ নগৰীসমূহলৈ ভক্ত আৰু পৰ্যটকৰ যাত্ৰা সহজ কৰি তুলিব বুলি আশা কৰা হৈছে।

## বিজেপিয়ে আমাৰ দলৰ

শইকীয়াই সাংবাদিকক কয়, "আমাৰ দলত থকা চিপৰাংবিলাক বিজেপি দলে আদৰণি জনাই লৈ গৈছে। আমাৰ দলত চিপৰাং নাই - এইটো নিশ্চিত। কিন্তু কালি মই এবাৰ সুধি চাইছোঁ আমাৰ দলত চিপৰাং আছে নেকি। ক'ৰবাত এখন-দুখন পৰি থাকিব পাৰে, সেইটো নাজানো। কিন্তু বিজেপি আৰু অগপ দলত তামাম চিপৰাং ওলাইছে।" বিৰোধী দলপতিগৰাকীয়ে লগতে কয়, "বিজেপি-এজিপি দলৰ প্ৰাৰ্থীসকলে এই কথা সামাজিক মাধ্যমত ৰাজহুৱা কৰিছে। এইটোৱে শাসক পক্ষৰ বিপদ মাতিব যেন লাগিছে।" ৪ মে'ত ঘোষণা হ'বলগীয়া ফলাফল সম্পৰ্কে নিজৰ মত প্ৰকাশ কৰি কংগ্ৰেছ নেতাগৰাকীয়ে কয়, "অসমৰ ৰাইজ এতিয়া যথেষ্ট সচেতন হৈ উঠিছে। গতিকে জুবিন গাৰ্গৰ ন্যায়ৰ বিষয়টোৱে বহু ঠাইত নিৰ্বাচনী পৰিণতিত প্ৰভাৱ পেলাইছে।" তেওঁ লগতে কয়, "ছয় জনগোষ্ঠীক জনজাতিকৰণ কৰাৰ বাবদ বিজেপিয়ে দল-সংগঠনক জনতা ভৱনত চাহ খুৱাই আছিল, কিন্তু গাঁৱৰ ৰাইজে ইয়াক প্ৰতাৰণা বুলি ধৰি লৈছে। সামগ্ৰীৰ মূল্যবৃদ্ধি, চাহ শ্ৰমিকৰ মজুৰি বৃদ্ধি নকৰা - এইবিলাক কাৰণত চৰকাৰখনে ফল ভুগিব।" দেৱব্ৰত শইকীয়াই জয় ভাৰত পাৰ্টিৰ প্ৰসঙ্গ উল্লেখ কৰি কয়, "জয় ভাৰত পাৰ্টীয়ে চাহ বাগিচাৰ ভোটাৰ ৰাইজৰ মাজত যথেষ্ট সমাদৰ লাভ কৰিছে। য়ে বিজেপিক বিপদত পেলাইছে।" উল্লেখযোগ্য যে ৪ মে'ত অসমৰ ১২৬টা বিধানসভা সমষ্টিৰ ভোটগণনাৰ ফলাফল ঘোষণা হ'ব। এই ফলাফল ঘোষণাক লৈ নিৰ্বাচন আয়োগে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। ইতিমধ্যে ৰাজনৈতিক দলসমূহলৈ আয়োগে নিৰ্দেশনা প্ৰেৰণ কৰিছে। এই প্ৰেক্ষাপটত কংগ্ৰেছ দলে জিলাই জিলাই স্থাপন কৰা ষ্ট্ৰংৰূমসমূহ পৰিদৰ্শনৰ বাবে নেতাসকলক দায়িত্ব দিছে। আজি চৰাইদেউ জিলাৰ সদৰ সোণাৰিত ষ্ট্ৰংৰূম পৰিদৰ্শন কৰি ব্যৱস্থাপনাৰ বুজ লয় বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই। তেওঁৰ সৈতে উপস্থিত থাকে সোণাৰি সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী উৎপল গগৈ আৰু মাহমৰা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী জ্ঞানদীপ মহন। ইতিমধ্যে 'চিপৰাং' শব্দক লৈ ৰাজ্যৰ ৰাজনীতিত তুমুল বিতৰ্কই দেখা দিছে। বিজেপি নেতা দিলীপ শইকীয়াই কয়, "চিপৰাং-গাদ্দাৰ শব্দ বিজেপিৰ সংস্কৃতি নহয়। অনুশাসন অমান্য কৰিলে জবাবদিহি হ'ব। " আনফালে ৰণজিৎ কুমাৰ দাসে এক বিস্ফোৰক পোষ্ট দি কয়, "মই নেপোলিয়ন নহয়, মই ৰণজিৎ হে।" এই চিপৰাং ইস্যুৱে অসমৰ ২০২৬ বিধানসভা নিৰ্বাচনৰ ফলাফলৰ পূৰ্বে ৰাজনৈতিক মহলত যথেষ্ট চাঞ্চল্যৰ সৃষ্টি কৰিছে। ৪ মে'ত ঘোষিত ফলাফলে এই ইস্যুৰ প্ৰকৃত প্ৰভাৱ কিমান, সেই কথা স্পষ্ট হৈ পৰিব বুলি ৰাজনৈতিক বিশ্লেষকসকলে মত প্ৰকাশ কৰিছে।

## বামুণীমৈদামত ধাৰাসাৰ

দেখি স্থানীয় ৰাইজ আতংকিত হৈ পৰে। পুৱাৰ ভাগৰ পৰা অহৰহ বৰষুণ হোৱাত গুৱাহাটীৰ বিভিন্ন প্ৰান্তৰ লগতে বামুণীমৈদাম অঞ্চলতো একাঁঠু পৰ্যন্ত পানী জমা হয়। বাট-পথসমূহ জলমগ্ন হৈ পৰাত যাতায়াত ব্যৱস্থা সম্পূৰ্ণ ভাঙি পৰে। বিশেষকৈ কাৰ্যালয়মুখী সময়ছোৱাত বহু যান-বাহন পানীৰ মাজত আৱদ্ধ হৈ বিশৃংখলতাৰ সৃষ্টি হয়। কিন্তু এই সাঁতোৰ পানীৰ মাজতে দেখা পোৱা যায় এক বিভীষিকাময় দৃশ্য— সোঁতত ভাহি অহা এডাল মানুহৰ কটা ভৰি। স্থানীয় ৰাইজে তৎক্ষণাত গুৱাহাটী আৰক্ষীক ঘটনাৰ অৱগত কৰে। খবৰ পাই আৰক্ষীৰ দল ঘটনাস্থলীত উপস্থিত হয় আৰু ভৰিখন উদ্ধাৰৰ লগতে তদন্তৰ কাম আৰম্ভ কৰে। আৰক্ষীয়ে ভৰিখনটো জব্দ কৰি পৰীক্ষাগাৰলৈ প্ৰেৰণ কৰিছে। প্ৰাথমিকভাৱে ধাৰণা কৰা হৈছে যে এই ভৰিখন কোনো দুৰ্ঘটনাত বিচ্ছিন্ন হোৱা নে ইয়াৰ আঁৰত কোনো অপৰাধমূলক কাৰ্যকলাপ আছে, সেই সন্দৰ্ভত বহু কোণেৰে অনুসন্ধান চলাইছে। উল্লেখযোগ্য যে বৰ্তমানলৈকে এই ভৰিখনৰ পৰিচয় উদ্ধাৰ কৰিব পৰা হোৱা নাই— কাৰ ভৰি, কোন ঠাইৰ পৰা আহি ইয়ালৈ ওলালহি, সেই বিষয়ে কোনো স্পষ্ট তথ্য পোহৰলৈ অহা নাই। নিহত ব্যক্তিৰ অন্য অংগসমূহ ওচৰৰ কোনো স্থানত পৰি আছে নেকি, সেই সন্দৰ্ভতো আৰক্ষীয়ে সন্ধান চলাইছে। ঘটনাটোৱে ইতিমধ্যে বানপানীৰ জেৰজৰালত জৰ্জৰ হৈ পৰা ৰাইজৰ মনত অধিক ভীতিৰ সঞ্চাৰ কৰিছে। বৰষুণৰ পানীৰ লগত উটি অহা এই কটা ভৰিখনে যাতে আন কোনো সংক্ৰামক ৰোগৰ সৃষ্টি নকৰে, তাৰো ব্যৱস্থা গ্ৰহণৰ দাবী উঠিছে। স্থানীয় লোকসকলে আৰক্ষীক দ্ৰুত স্বচ্ছতা আৰু বিস্তাৰিত অনুসন্ধানৰ আবেদন জনাইছে। ঘটনাটোৰ আঁৰত অপৰাধমূলক কাৰ্যকলাপ থকাৰ সম্ভাৱনাকো নাকচ কৰিব নোৱাৰি বুলি আশংকা প্ৰকাশ কৰিছে বহুকে। আৰক্ষীৰ তদন্তৰ পাছতহে এই হত্যাকাণ্ড নে দুৰ্ঘটনা, সেই বিষয়ে স্পষ্ট হ'ব।

## ভোটগণনাৰ বাবে চূড়ান্ত

এই গণনা পৰ্বৰ প্ৰাকক্ষণত বুধবাৰে দিছপুৰত এক সংবাদমেলৰ আয়োজন কৰে ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে। এই সংবাদমেলত তেওঁ ভোটগণনাৰ বিভিন্ন দিশ, নিৰাপত্তা ব্যৱস্থা আৰু নিৰ্বাচন আয়োগৰ নিৰ্দেশনাৱলী স্পষ্টভাৱে দাঙি ধৰে। মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে স্পষ্টকৈ কয় যে নিৰ্বাচন আয়োগৰ নিৰ্দেশনা অনুসৰি ফলাফল ঘোষণাৰ পিছত কোনো ৰাজনৈতিক দল বা প্ৰাৰ্থীয়ে বিজয় সমদল উলিয়াব নোৱাৰিব। ইতিমধ্যে দল আৰু প্ৰাৰ্থীসকলক বিজয় উল্লাসৰ পৰা বিৰত থকাৰ আহ্বান জনোৱা হৈছে, যাতে আইন-শৃংখলাজনিত কোনো অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি নহয়। গোটেই ৰাজ্যতে আৰক্ষীক সজাগ অৱস্থাত ৰখা হৈছে বুলিও তেওঁ উল্লেখ কৰে। ৰাজ্যৰ ৩৫খন জিলাৰ ১২৬টা সমষ্টিৰ বাবে মুঠ ৪০টা ভোটগণনা কেন্দ্ৰ স্থাপন কৰা হৈছে। কোকৰাঝাৰ, তিনিচুকীয়া আৰু যোৰহাট জিলাত দুটাকৈ, আনহাতে নগাঁও জিলাত তিনিটা কেন্দ্ৰ ৰখা হৈছে। পোষ্টেল বেলটৰ গণনা পৃথকভাৱে কৰা হ'ব। ডাকযোগে পোৱা ছাৰ্ভিচ ভোটাৰৰ ভোট গণনাৰ বাবে নিৰ্ধাৰিত সময়লৈকে গ্ৰহণ কৰা হ'ব। ইভিএম মেচিন খোলাৰ আগতে পোষ্টেল বেলটৰ ভোটসমূহ আগতীয়াকৈ গণনা কৰা হয়। ইভিএমত কোনো ভুল হোৱাৰ সম্ভাৱনা নাই বুলি দাবী কৰে গোৱেলে কাৰণ মেচিনত যিকোনো ভোট দিয়া হয়, সেয়া স্বয়ংক্ৰিয়ভাৱে গণিত হয়। মাত্ৰ ৫-৬টা ভোটৰ পাৰ্থক্য থাকিলেহে পোষ্টেল বেলটৰ গণনা পুনৰ কৰিব পৰাৰ ব্যৱস্থা ৰখা হৈছে। ভোটগণনা প্ৰক্ৰিয়া স্বচ্ছ কৰিবলৈ দেশৰ নিৰ্বাচন আয়োগে ১২৬ গৰাকী বহিঃৰাজ্যৰ পৰ্যবেক্ষক নিযুক্তি দিছে। ইয়াৰ উপৰিও ৫, ৯৮১ গৰাকী কাউণ্টিং বিষয়া আৰু ২, ৩৪৮ গৰাকী মাইক্ৰ' অবজাৰ্ভাৰ নিযুক্ত কৰা হৈছে। প্ৰতিখন টেবুলতে কেন্দ্ৰীয় চৰকাৰৰ এজন মাইক্ৰ' পৰ্যবেক্ষক উপস্থিত থাকিব। ষ্ট্ৰংৰূমৰ সুৰক্ষাৰ বাবে চিআৰপিএফৰ ২৫টা কোম্পানী, অসম আৰক্ষীৰ ১৩টা কোম্পানী আৰু এটা প'-টুন ৯ এপ্ৰিলৰ পৰাই নিযুক্ত হৈ আছে। লগতে ষ্ট্ৰং ৰূমত অসম আৰক্ষীৰ ৮০০ গৰাকী জোৱান নিয়োগ কৰা হৈছে। অৰ্ধ সামৰিক বাহিনীৰ দুটা কোম্পানী মোতায়েন কৰাৰ উপৰিও অসম আৰক্ষীৰ ৯৩টা কোম্পানী জিলাসমূহত মোতায়ন কৰা হৈছে। লগতে আছে ৮৫টা এছল্ট গ্ৰুপ তথা কামাণ্ডো বাহিনী। ১৫ মাৰ্চৰ পৰা ২৭ এপ্ৰিললৈকে অসমত নিৰ্বাচনী আচৰণ বিধি বলবৎ থকা সময়ছোৱাত মুঠ ১১৪.৪৩ কোটি টকা মূল্যৰ নগদ ধন আৰু অন্যান্য সামগ্ৰী জব্দ কৰা হয়। জব্দকৃত সামগ্ৰীসমূহৰ ভিতৰত নগদ ধন ৫৯৯.৬৪ লাখ টকা, সুৰা ২, ২৬৮.৭৭ লাখ টকাৰ, আৰু ড্ৰাগছ ৬, ৭৪৬.৯০ লাখ টকাৰ বুলি মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে জানিবলৈ দিয়ে। এইবাৰৰ নিৰ্বাচনত দক্ষিণ শালমাৰা জিলাত সৰ্বাধিক ৯৫.৬০ শতাংশ ভোটদান হয়। সেইদৰে বীৰচিং জাৰুৱা সমষ্টিত ৯৬.৫৪ শতাংশ ভোট পৰে, যি ৰাজ্যৰ ভিতৰতে আটাইতকৈ বেছি। আনহাতে কামৰূপ মহানগৰ জিলাত সৰ্বনিম্ন ৭৭.৫১ শতাংশ আৰু নিউ গুৱাহাটী সমষ্টিত ৭২.৩৭ শতাংশ ভোটদান হয়। ৰাজ্যত মুঠ ভোটাৰৰ সংখ্যা ২, ৫০, ৫৪, ৪৬৩ গৰাকী। ইয়াৰে পুৰুষ ১, ২৫, ৩১, ৫৫২ গৰাকী, মহিলা ১, ২৫, ২২, ৫৯৩ গৰাকী আৰু ৩১৮ গৰাকী তৃতীয় লিংগৰ ভোটাৰ। বিশেষভাৱে সক্ষম ভোটাৰ ২০, ৫০৮৫ গৰাকী, ৮৫ বছৰৰ উৰ্ধৰ ভোটাৰ ১, ০২, ৩০২ গৰাকী। শতবৰ্ষ পাৰ কৰা ভোটাৰৰ সংখ্যা ২, ৪৬৬ গৰাকী। প্ৰথমবাৰৰ বাবে ভোট দিয়া ১৮-১৯ বছৰীয়া ভোটাৰ ৬, ৪২, ৩১৪ গৰাকী আৰু ২০-২৯ বছৰ বয়সৰ ভোটাৰ ৬৬, ৬৮, ৪৫৫ গৰাকী। সম্পূৰ্ণ নিৰাপত্তা আৰু স্বচ্ছ প্ৰক্ৰিয়াৰ মাজেৰে ভোটগণনা অনুষ্ঠিত কৰিবলৈ নিৰ্বাচন আয়োগে সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰি ৰখা বুলি মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে সাংবাদিকসকলক অৱগত কৰে।

## পশ্চিমবংগ বিধানসভা নিৰ্বাচনত দ্বিতীয় পৰ্যায়ত

পৰা কেইবাটাও সমষ্টিত শান্তিপূৰ্ণভাৱে ভোটগ্ৰহণ পৰ্ব চলি থাকে। অৱশ্যে দুই-এটা সমষ্টিত অপ্ৰীতিকৰ পৰিৱেশৰ খবৰ পোৱা গৈছিল যদিও নিৰাপত্তাৰক্ষীৰ তৎপৰতাত সোনকালেই ভোটকেন্দ্ৰসমূহৰ পৰিৱেশ সুস্থিৰ হয়। নিৰ্বাচন আয়োগৰ কঠোৰ নিৰ্দেশনাত কেন্দ্ৰীয় আৰু ৰাজ্যিক নিৰাপত্তাৰক্ষীসকলে মোতায়েন হৈ ভোটগ্ৰহণ সুচাৰুৰূপে সম্পন্ন কৰায়। দুপৰীয়াৰ ভাগত ভোটাধিকাৰ সাব্যস্ত কৰে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী তথা ভৱানীপুৰ সমষ্টিৰ তৃণমূল কংগ্ৰেছৰ প্ৰাৰ্থী মমতা বেনাৰ্জীয়ে। কলকাতাৰ এখন ভোটকেন্দ্ৰত উপস্থিত হৈ তেওঁ নিজৰ ভোটদান সম্পন্ন কৰে। এই সময়ত তেওঁৰ মুখত আছিল অপৰাজেয় আত্মবিশ্বাস। ভোটকেন্দ্ৰৰ পৰা বাহিৰলৈ ওলাই অহাৰ সময়ত তেওঁ দুহাতেৰে বিজয়ৰ ইংগিত দি সাংবাদিকসকলক কয়, "এইবাৰো বিজয় নিশ্চিত। চৰকাৰ তৃণমূল কংগ্ৰেছৰেই হ'ব।" তেওঁৰ এই ভিডিঅ' ইতিমধ্যে সামাজিক মাধ্যমত ভাইৰেল হৈ পৰিছে। ভৱানীপুৰ সমষ্টিৰ পৰাই মমতা বেনাৰ্জীয়ে এইবাৰ নিৰ্বাচনী মৰ্যাদাত অৱতীৰ্ণ হৈছে। তেওঁৰ বিপৰীতে বিজেপিৰ প্ৰাৰ্থী হিচাপে লড়ি আছে শুভেন্দু অধিকাৰী। আপাত দৃষ্টিত এই সমষ্টিত মমতা বেনাৰ্জী শক্তিশালী হৈ থকা দেখা গৈছে যদিও শুভেন্দু অধিকাৰীয়েও পূৰ্বতে তৃণমূল এৰি বিজেপিত যোগ দিয়াৰ পিছৰে পৰা এই সমষ্টিত যথেষ্ট সক্ৰিয়তা দেখুৱাই আহিছে। উল্লেখযোগ্য যে পশ্চিমবংগ বিধানসভা নিৰ্বাচন কেইবাপৰ্যায়ত অনুষ্ঠিত হৈছে। দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ সম্পন্ন হোৱাৰ লগে লগে নিৰ্বাচন আয়োগৰ দৃষ্টি এতিয়া অৱশিষ্ট পৰ্যায়সমূহৰ ফালে পৰিচালিত হৈছে। আগন্তুক মে' মাহত অনুষ্ঠিত হ'বলগীয়া পৰ্যায়সমূহৰ বাবেও প্ৰস্তুতি চলাই আছে আয়োগে। মমতা বেনাৰ্জীৰ আত্মবিশ্বাসী মন্তব্য আৰু দ্বিতীয় পৰ্যায়ৰ উচ্চ ভোটদানে আগন্তুক ফলাফলৰ প্ৰতি ৰাজনৈতিক মহলত তীব্ৰ কৌতূহলৰ সৃষ্টি কৰিছে।

## বিজেপিৰ চিপৰাং ৰাজনীতিৰ

কৰি এক গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়াইছে। বৰছলা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী ৰিপুণ বৰাই সাংবাদিকসকলৰ সৈতে মত বিনিময় কৰি কয়, "বিজেপিৰ চিপৰাং ৰাজনীতিৰ ফলত কংগ্ৰেছ দলৰ লাভৱান হোৱাৰ সম্ভাৱনা আছে। বিজেপিয়ে এইবাৰ পৰাজয়ৰ সন্মুখীন হ'ব জানে, সেয়েহে নিজৰ দুৰ্বলতা ঢাকিবলৈ তেওঁলোকে দোষ চিপৰাঙলৈ ঠেলিছে।" বিজেপি আৰু এজিপিৰ নেতাসকলৰ মাজত চিপৰাং লৈ হোৱা ফোন ৰেকৰ্ডিং ভাইৰেল হোৱাৰ প্ৰসংগ উল্লেখ কৰি তেওঁ কয়, "আমাৰ কংগ্ৰেছত ক'তো চিপৰাং ৰাজনীতি নাই। যিমান এতিয়া চিপৰাং ৰাজনীতিৰ কথা কোৱা হৈছে, সেয়া কেৱল বিজেপি আৰু এজিপিৰ নেতাসকলে কৰিছে। ফোন ৰেকৰ্ডিং ভাইৰেল হোৱাৰ পৰাই স্পষ্ট যে তেওঁলোকে ইতিমধ্যে বুজি পাইছে যে ফলাফল কি হ'ব। সেইবাবেই নিজৰ দুৰ্বলতা আঁতৰাবলৈ তেওঁলোকে চিপৰাংক অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিছে।" ষ্ট্ৰংৰূম পৰিদৰ্শন কৰি ভোটগণনাৰ ব্যৱস্থা বুজি লোৱাৰ পিছত ৰিপুণ বৰাই দৰং জিলাৰ সমষ্টিসমূহৰ ফলাফল সম্পৰ্কে ভৱিষ্যদ্বাণী কৰি কয়, "দৰঙৰ তিনিটা সমষ্টিৰ ভিতৰত দুটাত কংগ্ৰেছৰ জয় নিশ্চিত। ছিপাঝাৰ আৰু মঙলদৈ (সদৰ) সমষ্টিত কংগ্ৰেছ বিজয়ী হ'ব। দলগাঁও সমষ্টিত অৱশ্যে আমাৰ মিত্ৰজঁটৰ প্ৰাৰ্থীগৰাকীৰ বিষয়ে অলপ অসন্তুষ্টি আছিল, সেই সমষ্টিটোত কঠিন যুঁজ হ'ব। কিন্তু বাকী দুখন আসন কংগ্ৰেছে নিশ্চিতভাৱে লাভ কৰিব।" নিজৰ বৰছলা সমষ্টিৰ বিষয়ে তেওঁ আত্মবিশ্বাসেৰে কয়, "মোৰ নিজৰ বৰছলা সমষ্টিত মই জয়ী হ'ম। ৰাইজেও মোক এই কথা জনাইছে। ব্যৱধানৰ পৰিমাণ এতিয়া কোৱাটো সম্ভৱ নহ'ব, কিন্তু ইমান কোৱাটো নিশ্চিত যে বিপুল ভোটৰ ব্যৱধানত মই বিজয়ী হ'ম।" সমগ্ৰ ৰাজ্যৰ ফলাফল সম্পৰ্কে নিজৰ মত দাঙি ধৰি ৰিপুণ বৰাই কয়, "এইবাৰ কোনো সন্দেহ নাই। ইতিমধ্যে বিভিন্ন নেচনেল চেনেলেও ফ'কাছ কৰিছে যে অসমত পৰিবৰ্তন আহিব। আজি যি এগজিট পোল ওলাব, সেয়া সত্য নহয়। কাৰণ এগজিট পোল বহু সময়ত শাসকপক্ষই মেনেজ কৰে। এগজিট পোলৰ ফল যিয়েই নহওক কিয়, কংগ্ৰেছে গৌৰৱ গগৈৰ নেতৃত্বত সংখ্যাগৰিষ্ঠতা লাভ কৰিব আৰু কংগ্ৰেছে চৰকাৰ গঠন কৰিব।" তেওঁ লগতে কয়, "আচলতে এইবাৰৰ নিৰ্বাচন হৈছে অসমৰ ৰাইজ বনাম বিজেপি। ৰাইজে বিজেপিক প্ৰত্যাখ্যান কৰিব।" উল্লেখযোগ্য যে মঙলদৈ মহাবিদ্যালয়ত অৱস্থিত ষ্ট্ৰংৰূমত দৰং জিলাৰ ছিপাঝাৰ, মঙলদৈ আৰু দলগাঁও সমষ্টিৰ ইভিএম মেচিনসমূহ সংৰক্ষণ কৰি ৰখা হৈছে। ৪ মে'ত এই মহাবিদ্যালয়তেই ভোটগণনা অনুষ্ঠিত হ'ব। ষ্ট্ৰংৰূম পৰিদৰ্শনৰ সময়ত কেইবাগৰাকী কংগ্ৰেছ নেতা-কৰ্মীয়ে ৰিপুণ বৰাক সংগ দিয়ে। এই পৰিদৰ্শন কংগ্ৰেছ দলৰ ভোটগণনাৰ প্ৰস্তুতিৰ এক অংগ বুলি জানিবলৈ দিয়ে। ৰিপুণ বৰাৰ এই দাবীৰ পিছতে দৰং জিলাৰ ৰাজনৈতিক মহলত তুমুল আলোড়ন সৃষ্টি হৈছে। ৪ মে'ত ঘোষিত ফলাফলে কাৰ ভৱিষ্যদ্বাণী শুদ্ধ হয়, সেই কথা স্পষ্ট হৈ পৰিব।

## পৰাজয়ৰ ভয়ত হিমন্তই কূট

অসম প্ৰদেশ মহিলা কংগ্ৰেছৰ সভানেত্ৰী মীৰা বৰঠাকুৰে সংবাদমেলত অংশগ্ৰহণ কৰি একাধিক চাঞ্চল্যকৰ দাবী কৰে। বুধবাৰে নগাঁওস্থিত ৰাজীৱ ভৱনত আয়োজিত সংবাদমেলত ৰকিবুল হুছেইনে কয়, "হিমন্ত বিশ্ব শৰ্মাই এইবাৰ পৰাজিত হোৱাৰ ভয়ত বিভিন্ন ধৰণৰ কূটকৌশল অৱলম্বন কৰিব পাৰে। আজি পশ্চিমবংগৰ নিৰ্বাচন শেষ হোৱাৰ পিছত এগজিট প'ল আৰম্ভ হোৱাৰ লগে লগে তেওঁৰ কথা শুনা চেনেলবোৰৰ জৰিয়তে বিজেপিৰ চৰকাৰ হ'ব বুলি প্ৰচাৰ চলাই বিষয়াসকলক মানসিকভাৱে হেঁচা দিয়াৰ চেষ্টা চলোৱা হৈছে।" তেওঁ লগতে কয়, "২০১৬ চনত আমি ক্ষমতাত থাকোঁতে বুজি পোৱা নাছিলোঁ যে আমাৰ ক্ষমতা যাব। কিন্তু হিমন্ত বিশ্ব শৰ্মাই এইবাৰ পৰাজয়ৰ কথা আগতেই জানি বিভিন্ন কূটকৌশল ৰচনা কৰিব পাৰে। তেওঁৰ মাত-কথা এতিয়া উচ্ছৃংখল হৈ পৰিছে। ইয়াৰ অৰ্থ এইবাৰ হিমন্তৰ চৰকাৰ 'গেল' (যাব)। এইবাৰ গৌৰৱ গগৈৰ নেতৃত্বত কংগ্ৰেছৰ চৰকাৰ হোৱাটো নিশ্চিত বুলি দাবী কৰি ৰকিবুল হুছেইনে কয়, "জীৱনত কংগ্ৰেছক কেতিয়াও ভোট নিদিয়া লোকেও এইবাৰ নিৰ্বাচনত গোপনে কংগ্ৰেছক ভোটদান কৰিছে। ৰাইজৰ মনোবিজ্ঞান সলনি হৈছে।" ৰকিবুল হুছেইনে বিজেপিক আক্ৰমণ কৰি কয়, "ৰাজনৈতিক সন্ন্যাস লোৱা বদৰুদ্দিন আজমলে হিমন্ত বিশ্ব শৰ্মাৰ উদ্ধাৰৰ বাবে তেওঁৰ আমন্ত্ৰণত নৰেন্দ্ৰ মোদীৰ বন্ধু আছাদুদ্দিন ওৱেইছিৰ সহায় লৈ অসমত নিৰ্বাচন খেলিছে। বৰ্তমান তেওঁলোকৰ মাজত চিপৰাং, গাদ্দাৰ আদি শব্দৰ পয়োভৰ ঘটিছে।" সংবাদমেলত উপস্থিত থাকি অসম প্ৰদেশ মহিলা কংগ্ৰেছৰ সভানেত্ৰী মীৰা বৰঠাকুৰে এক তীব্ৰ মন্তব্য কৰে, "কেইজনমান সাংবাদিকে এতিয়া সাংবাদিকতা এৰি বিজেপিৰ হৈ কাম কৰি আছে। সেয়ে এগজিট প'লক কোনেও গুৰুত্ব দিব নালাগে। এই এগজিট প'লসমূহ সম্পূৰ্ণৰূপে পক্ষপাতদুষ্ট আৰু বিশ্বাসযোগ্য নহয়।" ইয়াৰ আগতে বুধবাৰে ৰকিবুল হুছেইনৰ নেতৃত্বত কংগ্ৰেছৰ এটা দলে নিয়ম-নীতি মেনি ষ্ট্ৰংৰূম পৰিদৰ্শন কৰে। এই পৰিদৰ্শনত বিধায়িকা শিৰামণি বৰা, নগাঁও জিলাৰ মিত্ৰজঁটৰ প্ৰাৰ্থীসকল উপস্থিত থাকে। ষ্ট্ৰংৰূম পৰিদৰ্শনৰ অন্তত ৰাজীৱ ভৱনত এই সংবাদমেলৰ আয়োজন কৰা হয়। সংবাদমেলত অজাপৰ প্ৰাৰ্থী ৰাজেন গোঁহাইসহ নগাঁও জিলাৰ বিৰোধী মিত্ৰজঁটৰ বিভিন্ন প্ৰাৰ্থী উপস্থিত থাকে। তেওঁলোকেও বিজেপিৰ বিৰুদ্ধে একত্ৰিত হৈ কংগ্ৰেছক সমৰ্থন জনায়। উল্লেখ্য যে অহা ৪ মে'ত অসমৰ ১২৬টা বিধানসভা সমষ্টিৰ ভোটগণনা অনুষ্ঠিত হ'ব। তাৰ পূৰ্বে বিভিন্ন নিউজ চেনেল আৰু সংস্থাই প্ৰকাশ কৰা এগজিট প'লে ৰাজনৈতিক মহলত যথেষ্ট আলোড়ন সৃষ্টি কৰিছে। কিন্তু কংগ্ৰেছ দলে এই এগজিট প'লসমূহক সম্পূৰ্ণৰূপে অস্বীকাৰ কৰি নিজৰ বিজয়ৰ প্ৰত্যয় ব্যক্ত কৰি আহিছে। ৰকিবুল হুছেইন আৰু মীৰা বৰঠাকুৰৰ এই তীব্ৰ মন্তব্যৰ পিছত ৰাজ্যৰ ৰাজনৈতিক মহলত বিজেপি-কংগ্ৰেছৰ মৌখিক যুঁজ অধিক জোৰাল হৈ উঠিছে। ৪ মে'ত ঘোষিত ফলাফলেই অৱশ্যে এই সকলো দাবীৰ সত্যাসত্য নিৰ্ণয় কৰিব।

## দেৱব্ৰত শইকীয়াৰ দৃঢ় দাবী; এগজিট প'ল ভুল,

কৰা এগজিট প'লৰ সমীক্ষাই ৰাজনৈতিক মহলত চৰ্চাৰ সূচনা কৰিছে। এই সমীক্ষাসমূহে অসমত বিজেপিৰ পুনৰাগমনৰ ভৱিষ্যদ্বাণী কৰিছে যদিও ৰাজ্যৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই সেই ফলাফল সম্পূৰ্ণৰূপে নস্যাৎ কৰিছে। নাজিৰা বিধানসভা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী তথা বিধানসভাৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই সংবাদ সংস্থা এএনআইক দিয়া এক সাক্ষাৎকাৰত স্পষ্ট ভাষাত কয়, "এগজিট প'লৰ সমীক্ষাত মই বিশেষ গুৰুত্ব নিদিওঁ। এইবাৰ সাধাৰণ ৰাইজে বিজেপিক ভোট দিয়া নাই।" তেওঁ দৃঢ়তাৰে কয় যে বিজেপিয়ে এক দশক আগতে অসমবাসীক যি 'ভাল দিন' দিয়া বুলি প্ৰতিশ্ৰুতি দিছিল, তাৰ পৰিৱৰ্তে ৰাজ্যখনত অহা হৈছে 'বেয়া দিন'। বিৰোধী দলপতিগৰাকীয়ে বিজেপি নেতৃত্বাধীন চৰকাৰৰ বিৰুদ্ধে এক এৰা নধৰা অভিযোগ উত্থাপন কৰি কয় যে ২০১৯ চনত গৃহীত নাগৰিকত্ব সংশোধনী আইন (চিএএ)ৰ জৰিয়তে বিদেশী নাগৰিকক অসমলৈ অনাৰ ষড়যন্ত্ৰ চলাইছে। তেওঁ উল্লেখ কৰে, "অসম চুক্তিৰ এক গুৰুত্বপূৰ্ণ অংশ হৈছে বিদেশী নাগৰিকৰ সমস্যা। কিন্তু বিজেপিয়ে চিএএৰ জৰিয়তে ২০২৪ চনলৈ বিদেশীক অসমলৈ আনিবলৈ সাজু হৈছে।" ইয়াৰ লগতে শইকীয়াই অভিযোগ কৰে যে ছয়টা জনগোষ্ঠীক অনুসূচিত জনজাতি (এছটি)ৰ মৰ্যাদা দিয়া প্ৰতিশ্ৰুতি দিয়া হৈছিল যদিও বাৰ বছৰ পাৰ হৈ গৈয়ো সেই প্ৰতিশ্ৰুতি পূৰণ হোৱা নাই। চাহ বাগিচাৰ শ্ৰমিকসকলৰ প্ৰতি বিজেপিৰ ব্যৱহাৰৰো তীব্ৰ সমালোচনা কৰি তেওঁ কয়, "২০১৪ চনত বিজেপিয়ে চাহ শ্ৰমিকক দৈনিক ৩৫০ টকাকৈ মজুৰি দিয়া বুলি প্ৰতিশ্ৰুতি দিছিল। কিন্তু এতিয়াও তেওঁলোকে মাত্ৰ ২৫০ টকাহে পাইছে।" অসমৰ বৰ্তমান পৰিস্থিতি সম্পৰ্কে মন্তব্য কৰি বিৰোধী দলপতিগৰাকীয়ে কয় যে ৰাজ্যখনত নিবনুৱাৰ সংখ্যা ৩৩ লাখতকৈ অধিক। তেওঁ কয়, "নিবনুৱা সমস্যা অসমৰ বাবে এক ডাঙৰ চিন্তাৰ বিষয়। ইমান সংখ্যক যুৱক-যুৱতীৰ বাবে চৰকাৰে একো কৰা নাই। মুদ্ৰাস্ফীতিৰ জুইত পুৰি ছাই হৈছে সাধাৰণ মানুহৰ সংসাৰ।" জনপ্ৰিয় সংগীত শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ প্ৰসঙ্গ উল্লেখ কৰি শইকীয়াই মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ প্ৰতিশ্ৰুতিৰ কথা মনত পেলায়। তেওঁ কয়, "মুখ্যমন্ত্ৰীয়ে এপ্ৰিল মাহৰ ভিতৰতে জুবিন হত্যাৰ ন্যায় নিশ্চিত কৰাৰ প্ৰতিশ্ৰুতি দিছিল। কিন্তু এতিয়ালৈকে জুবিনে ন্যায় পোৱা নাই। আপোনালোকে ভাবিব পাৰেনে যে এনে এটা চৰকাৰে আকৌ ভোট বিচাৰিব?" কংগ্ৰেছ নেতাগৰাকীয়ে বিজেপি চৰকাৰৰ অধীনত দুৰ্নীতি আগতকৈ অধিক বৃদ্ধি পোৱাৰ অভিযোগ উত্থাপন কৰে। তেওঁ কয়, "বিজেপিয়ে দুৰ্নীতিমুক্ত শাসনৰ প্ৰতিশ্ৰুতি দিছিল, কিন্তু বাস্তৱতা সম্পূৰ্ণ বিপৰীত।" অৰুণোদয় আঁচনিৰ অধীনত প্ৰদান কৰা ১, ২৫০ টকাৰ বিষয়েও শইকীয়াই কয় যে বহু যোগ্য ব্যক্তিয়েও সেই ধন পোৱা নাই। তেওঁ দাবী কৰে, "যিসকলে এই ধন লাভ কৰিব লাগিছিল, তেওঁলোকেই মুকলিভাৱে কৈছে যে তেওঁলোকে একো পোৱা নাই। চাহ বাগিচা অঞ্চলসমূহত বিজেপিৰ কোনো আঁচনিয়েই সফল হোৱা নাই।" উল্লেখ্য যে এক্সি মাই ইণ্ডিয়াৰ এগজিট প'ল অনুসৰি অসমৰ ১২৬খন আসনৰ ভিতৰত বিজেপিৰ নেতৃত্বাধীন এনডিএই ৮৮ৰ পৰা ১০০খন আসন লাভ কৰিব বুলি ভৱিষ্যদ্বাণী কৰা হৈছে। আনহাতে জেভিচিয়ে বিজেপিৰ বাবে ৮৮ৰ পৰা ১০১খন আৰু কংগ্ৰেছৰ বাবে ২৩ৰ পৰা ৩৩খন আসন ভৱিষ্যদ্বাণী কৰিছে। এআইইউডিএফৰ বাবে তেওঁলোকে ০ৰ পৰা ২খন আসন দৰ্শাইছে। কিন্তু দেৱব্ৰত শইকীয়াই এই সমীক্ষাক নাকচ কৰি কয়, "বিজেপিৰ সপক্ষে বহু ভোট দিয়া হোৱা নাই বুলি মই জানো। ৰাজ্যখনৰ প্ৰায় ২১ কোটি ভোটাৰৰ ভিতৰত ৭০ লাখতকৈ অধিক যুৱ ভোটাৰ আছে, যাৰ বয়স ২৯-৩০ বছৰৰ ভিতৰত। তেওঁলোকে পৰিৱৰ্তন বিচাৰে। গতিকে বিজেপিয়ে বহু ভোট লাভ কৰা বুলি মই নাভাবো।" উল্লেখ্য যে ২০২১ চনৰ বিধানসভা নিৰ্বাচনত এনডিএই ৭৫খন আসন লাভ কৰিছিল। সেই সময়ত বিজেপিয়ে এককভাৱে ৬০খন আসন লাভ কৰিছিল। কিন্তু এইবাৰ কংগ্ৰেছেছটা দলৰ সৈতে মিত্ৰতা কৰি বিজেপিক প্ৰত্যাহ্বান জনাইছে। অসমতে পূৰ্বৰ তুলনাত অভিলেখসংখ্যক ৮৫.৩৮ শতাংশ ভোটদান সম্পন্ন হৈছে। অহা ৪ মে'ত অসম, তামিলনাডু, পশ্চিমবংগ, কেৰালা আৰু পুডুচেৰীৰ বিধানসভা নিৰ্বাচনৰ ভোট গণনা অনুষ্ঠিত হ'ব। তাৰ পিছতেই স্পষ্ট হৈ পৰিব কোন দল অসমৰ গদি দখল কৰে। কিন্তু শইকীয়াই স্পষ্ট কৰি দিয়ে, "মানুহে মোক কৈছে এইবাৰ কথাবোৰ ভাল নহ'ব। কিন্তু মোৰ বাবে বেয়া হ'ব বুলি মই নাভাবো, মোৰ বিশ্বাস মোৰ বাবেও কথাবোৰ ভালেই হ'ব।"

## সিদ্ধাৰ্থ শৰ্মাৰ বেংক একাউণ্ট

জাৰি কৰে। দীৰ্ঘদিনীয়া শুনানিৰ অন্তত বুধবাৰে আদালতে সিদ্ধাৰ্থ শৰ্মাৰ নামত থকা ছয়খন বেংক একাউণ্ট তৎক্ষণাত জব্দ কৰিবলৈ নিৰ্দেশ দিয়ে। এই একাউণ্টসমূহত কোটি কোটি টকা জমা থকা বুলি তদন্তকাৰী সংস্থাই আদালতত জানিবলৈ দিয়ে। আনকি আদালতৰ নিৰ্দেশ নিৰ্দেশনামাত উল্লেখ কৰা মতে, অহা সময়ত সিদ্ধাৰ্থ শৰ্মাই এই ধনখিনি নিজৰ বুলি প্ৰমাণ কৰিব নোৱাৰিলে সমুদায় জব্দকৃত অৰ্থ জুবিন গাৰ্গৰ পৰিয়ালৰ সদস্য বা গঠন হোৱা কোনো ট্ৰাষ্টলৈ হস্তান্তৰ কৰা হ'ব। একেদৰে আদালতে সিদ্ধাৰ্থ শৰ্মা মালিকানাধীন চৈগাঁও অঞ্চলৰ শোইগাঁও শিল্পাঞ্চলত অৱস্থিত 'মহাবীৰ একুৱা' নামৰ বটলজাত পানীৰ কাৰখানাটো জব্দ কৰিবলৈ নিৰ্দেশ দিয়ে। গোচৰৰ তদন্তকাৰী সংস্থাই দাবী কৰা মতে, সিদ্ধাৰ্থই জুবিন গাৰ্গৰ ধন আত্মসাৎ কৰি এই কাৰখানাটো স্থাপন কৰিছিল আৰু প্ৰায় ১.১০ কোটি টকা ইয়াত লগতি লগাইছিল। আদালতৰ এই নিৰ্দেশৰ লগে লগে উক্ত কাৰখানাটো সম্পূৰ্ণৰূপে জব্দৰ অন্তৰ্গত হৈছে। আদালতে সিদ্ধাৰ্থ শৰ্মাৰ একমাত্ৰ বেংক একাউণ্ট নহয়, তেওঁৰ সৈতে ধন-সম্পত্তি লেনদেন কৰা কেইবাজনো লোকৰ বেংক একাউণ্টো জব্দ কৰিবলৈ নিৰ্দেশ জাৰি কৰে। তদন্তকাৰী সংস্থাই সন্দেহ প্ৰকাশ কৰি অহা অনুসৰি, অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাই জুবিন গাৰ্গৰ ধন আত্মসাৎ কৰি তৃতীয় ব্যক্তিৰ বেংক একাউণ্ট ব্যৱহাৰ কৰি অহাৰ সম্ভাৱনা আছে। আদালতৰ এই নিৰ্দেশই তদন্তকাৰী সংস্থাক সম্পৰ্কীয় লেনদেনসমূহ গভীৰভাৱে অনুসন্ধানৰ সুযোগ দিছে।

## গুৱাহাটীত অভিযান চলাবলৈ

ধনদাবী আৰু ধন লোৱাৰ অভিযোগত দিছপুৰ আৰক্ষীয়ে ওই দলটোক আটক কৰে। আৰক্ষীৰ বিশেষ সূত্ৰৰ পৰা জানিব পৰা মতে, ছত্তীশগড়ৰ ৰায়পুৰ আৰক্ষীৰ এজন পৰিদৰ্শক, এজন হেড কনিষ্টবল আৰু দুজন কনিষ্টবলসহ চাৰিজনীয়া দলটোৱে দেওবাৰে ৰাজ্যখনৰ এটা চাইবাৰ অপৰাধ গোচৰৰ তদন্ত কৰিবলৈ গুৱাহাটীলৈ আহে। তেওঁলোকে প্ৰথমে বিহাৰৰ এজন অভিযুক্তক গ্ৰেপ্তাৰ কৰাৰ পিছত গুৱাহাটীলৈ আহি সোমবাৰে গুৱাহাটীতে আন তিনিজন বিহাৰী লোকক আটক কৰে। অভিযোগ অনুসৰি, আৰক্ষী দলটোৱে দুজন অভিযুক্তৰ পৰা ধন লৈ তেওঁলোকক মুক্ত কৰি দিয়ে। আনহাতে তৃতীয়জন অভিযুক্তক বাকী ধন পৰিশোধ নকৰালৈকে আটক কৰি ৰখা হৈছিল। ধন লৈ মুক্তি পোৱা দুজন অভিযুক্তই দিছপুৰ আৰক্ষী থানাত এই বিষয়ে অভিযোগ দাখিল কৰে। অভিযোগৰ ভিত্তিতে দিছপুৰ আৰক্ষী থানাত গোচৰ ৰুজু কৰা হয়। আৰক্ষীয়ে তৎক্ষণাত অভিযান চলাই মঙলবাৰে নিশা ছত্তীশগড়ৰ আৰক্ষী দলটোক আটক কৰে। সোধাপোছাৰ অন্তত বুধবাৰে তেওঁলোকক যাবলৈ দিয়া হয়। লগতে তেওঁলোকক পুনৰ বিচাৰিলে আৰক্ষী থানাত উপস্থিত থাকিবলৈ নিৰ্দেশ দিয়া হয়। ইফালে, অভিযুক্তজনক পিআৰ বণ্ডত মুক্তি দিয়া হৈছে যদিও গোচৰটোৰ তদন্ত আৰক্ষীয়ে অব্যাহত ৰাখিছে। দিছপুৰ আৰক্ষী থানাৰ পৰা ওলাই যোৱাৰ সময়ত ঘটনা সম্পৰ্কে সাংবাদিকে প্ৰশ্ন সোধাত আৰক্ষী দলটোৱে কোনো ধৰণৰ মন্তব্য দিবলৈ অস্বীকাৰ কৰে আৰু সাংবাদিকক এৰাই চলে। তদুপৰি কাৰ পৰা ধন সংগ্ৰহ কৰা হৈছিল সেই বিষয়েও এতিয়ালৈকে বিশেষ তথ্য লাভ কৰা হোৱা নাই। ছত্তীশগড় আৰক্ষীৰ এই ঘটনাই দুখন ৰাজ্যৰ মাজতে চাঞ্চল্যৰ সৃষ্টি কৰিছে। দিছপুৰ আৰক্ষীয়ে এই গোচৰটোৰ তদন্ত আগবঢ়াই নিব বুলি জানিবলৈ দিয়া হৈছে।

# কালদি গোপাল থান উচ্চ মাধ্যমিক বিদ্যালয়ৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ কৃতি শিক্ষাৰ্থীক সম্বৰ্ধনা

**অসম বাৰ্তা, চামতা, ২৯ এপ্ৰিল ঃ** নলবাৰী জিলাৰ কালদিস্থিত গোপাল থান উচ্চ মাধ্যমিক বিদ্যালয়ৰ এই বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত কৃতি শিক্ষাৰ্থী সকলক বুধবাৰে সম্বৰ্ধনা জনায় বিদ্যালয় কৰ্তৃপক্ষই। ছাত্ৰ ছাত্ৰী সকলক উৎসাহিত কৰাৰ উদ্দেশ্যে আজি বিদ্যালয়ৰ সভাকক্ষত এখনি সম্বৰ্ধনা সভা অনুষ্ঠিত কৰি বিদ্যালয়খনৰ পৰা এইবেলি হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ৮ গৰাকী শিক্ষাৰ্থীক সম্বৰ্ধনা জনোৱা হয়। কালদিস্থিত গোপাল থান উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা ৮১ গৰাকী ছাত্ৰ ছাত্ৰীয়ে হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হৈছিল। ইয়াৰে এগৰাকী ডিষ্টিংচন, এগৰাকী ষ্টাৰ মাৰ্ক সহ মুঠ ৮ গৰাকী প্ৰথম বিভাগ, ৫৫ গৰাকী দ্বিতীয় বিভাগত আৰু ৫ গৰাকী তৃতীয় বিভাগত উত্তীৰ্ণ হয়। বিদ্যালয়খনৰ উত্তীৰ্ণৰ হাৰ আছিল ৮৩.৯৫ শতাংশ। আজি বিদ্যালয় সভাকক্ষত বিদ্যালয়ৰ প্ৰধান শিক্ষক চিত্তৰঞ্জন শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত কৰা সম্বৰ্ধনা সভাখনত ৮ গৰাকী কৃতি শিক্ষাৰ্থীক সম্বৰ্ধনা জনোৱা হয়। সভাখনত বিদ্যালয় পৰিচালনা কমিটিৰ উপ-সভাপতি মানসজ্যোতি তালুকদাৰে উপস্থিত থাকি কৃতি শিক্ষাৰ্থী সকলক শুভেচ্ছা জনোৱাৰ লগতে বিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হোৱা বুলি উল্লেখ কৰে। লগতে পৰৱৰ্তী সময়ত ইয়াতকৈ উন্নত ফলাফল লাভ কৰিবলৈ সকলো ছাত্ৰ-ছাত্ৰীকে কঠোৰ পৰিশ্ৰম কৰি অধ্যয়ন কৰিবলৈ আহ্বান জনায়। আনহাতে, সভাখনত উপস্থিত থাকি ছাত্ৰ ছাত্ৰীক উদ্দেশ্যে ভাষণ প্ৰদান কৰে প্ৰধান শিক্ষক চিত্তৰঞ্জন শৰ্মাকে ধৰি কেইবাজনো গণ্যমান্য ব্যক্তিয়ে। সম্বৰ্ধনা সভাখনত উপস্থিত থাকে পৰীক্ষা পৰিচালনা সমিতিৰ সভাপতি কমল দাস, মুকালমুৱা জাগাৰা জিলা পৰিষদৰ সদস্যা দিপ্তী তালুকদাৰ, পৰিচালনা সমিতিৰ সদস্য দধী বৰ্মন, অৱসৰী শিক্ষক অনিৰুদ্ধ বৰ্মন, সহ পৰীক্ষা নিয়ন্ত্ৰক হামিদ আলী, সহ সম্পাদক যতিন্দ্ৰ ৰাজবংশী, পৰীক্ষা নিয়ন্ত্ৰক চবিন চন্দ্ৰ কলিতাকে ধৰি বিদ্যালয় খনৰ শিক্ষক শিক্ষয়িত্ৰী, ছাত্ৰ ছাত্ৰীকে ধৰি পৰিচালনা সমিতিৰ বিষয়ববীয়া সকল। উল্লেখযোগ্য যে কালদিস্থিত গোপাল থান উচ্চ মাধ্যমিক বিদ্যালয়ত নতুনকৈ স্থাপন কৰা হৈছিল হাইস্কুল শিক্ষান্ত পৰীক্ষা কেন্দ্ৰ। নতুনকৈ স্থাপন কৰা পৰীক্ষা কেন্দ্ৰটোত এইবেলি পৰিচালনা কমিটিৰ বিষয়ববীয়া, শিক্ষক-শিক্ষয়িত্ৰী তথা স্থানীয় লোকৰ তৎপৰতাত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হোৱা হাইস্কুল শিক্ষান্ত পৰীক্ষা সুকলমে সম্পন্ন হৈছিল। পৰীক্ষা কেন্দ্ৰটোত কেইবাখন বিদ্যালয়ৰ মুঠ ৩১৭ গৰাকী শিক্ষাৰ্থীয়ে হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হৈছিল। ইয়াৰে ২৬৮ গৰাকী পৰীক্ষাৰ্থী উত্তীৰ্ণ হবলৈ সক্ষম হয়। ইয়াৰে প্ৰথম বিভাগত ৬৬ গৰাকী, দ্বিতীয় বিভাগত ১৮৭ গৰাকী আৰু তৃতীয় বিভাগত ১৫ গৰাকী পৰীক্ষাৰ্থী উত্তীৰ্ণ হৈছিল। পৰিক্ষা কেন্দ্ৰটোত উত্তীৰ্ণৰ হাৰ আছিল ৮৪.৫৪ শতাংশ। প্ৰথমবাৰৰ বাবে হাইস্কুল শিক্ষান্ত পৰীক্ষা অনুষ্ঠিত হোৱা পৰীক্ষা কেন্দ্ৰটোৰ ফলাফলক লৈ সন্তোষ প্ৰকাশ কৰে স্থানীয় লোকৰ লগতে বিভিন্ন দল সংগঠনে।

# ডিব্ৰুগড়ৰ অসম আই.টি. আই শিক্ষা প্ৰতিষ্ঠানত বৰ্ণাঢ্য কাৰ্যসূচীৰে বহাগী উৎসৱ পালন

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২৯ এপ্ৰিল ঃ** ডিব্ৰুগড়ৰ অসম আই.টি.আই শিক্ষা প্ৰতিষ্ঠানৰ উদ্যোগত এক আনন্দময় পৰিৱেশত আজি উদযাপন কৰা হয় বহাগী উৎসৱ। হাৰ্টথ্ৰ'ব জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্জ্বলন কৰি আৰম্ভ কৰা এই ব'হাগী উৎসৱৰ কাৰ্যসূচী। ডিব্ৰুগড়ৰ মিলন নগৰ মানকটা পথস্থিত অসম আই টি আই প্ৰেক্ষাগৃহত অনুষ্ঠিত হোৱা এই উৎসৱত ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী তথা স্থানীয়লোকৰ উৎসাহী অংশগ্ৰহণে উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হয়। উৎসৱৰ অংশ হিচাপে বিভিন্ন বাৰেৰহনীয়া সাংস্কৃতিক কাৰ্যসূচী আয়োজন কৰা হয়, য'ত সংগীত আৰু নৃত্য প্ৰদৰ্শনৰ লগতে অসমীয়াৰ ঐতিহ্যবাহী সংস্কৃতিৰ সুন্দৰ প্ৰতিফলন দেখা যায়। অনুষ্ঠানত কেবাগৰাকীও বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অনুষ্ঠানত প্ৰসিদ্ধ বিহুৱা জিতেন দাসৰ এটি বিহু দলে বিহু নৃত্য প্ৰদৰ্শন কৰি উপস্থিত শ্ৰোতা দৰ্শকক আপ্লুত কৰে। তেওঁলোকৰ উদ্দীপনামূলক প্ৰদৰ্শনে অনুষ্ঠানটোক অধিক প্ৰাণৱন্ত আৰু স্মৰণীয় কৰি তোলে। এই বহাগী উৎসৱে অসমীয়া সংস্কৃতিৰ সমৃদ্ধি আৰু ঐতিহ্যক আগবঢ়াই নিয়াৰ লগতে নৱপ্ৰজন্মৰ মাজত সাংস্কৃতিক চেতনা জাগ্ৰত কৰাৰ ক্ষেত্ৰতো এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। অনুষ্ঠানত অসম আই টি আই ৰ পৰিচালক গৌতম দাস, শিল্পী দিগন্ত চেতিয়া, বৰবিহুৱা জিতেন দাস, সাংবাদিক প্ৰশান্ত শইকীয়া লগতে ভালে সংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# ৰূপহী আদৰ্শ জাতীয় বিদ্যালয়ত কৃতি শিক্ষাৰ্থীক সম্বৰ্ধনা জ্ঞাপন

**অসম বাৰ্তা, লখিমপুৰ বিশেষ, ২৯ এপ্ৰিল ঃ** লখিমপুৰ জিলাৰ চাউলধোৱাঘাটৰ ৰূপহী আদৰ্শ জাতীয় বিদ্যালয়ত আজি বিদ্যালয়খনৰ পৰা কালি ঘোষণা কৰা উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক বিদ্যালয়খনৰ তৰফৰ পৰা সম্বৰ্ধনা জ্ঞাপন কৰা হয়। বিদ্যালয়খনৰ পৰা ১১ গৰাকী পৰীক্ষাৰ্থী পৰীক্ষাত অৱতীৰ্ণ হৈছিল। ইয়াৰে দুগৰাকীয়ে ডিষ্টিংচন, চাৰিখৰাকীয়ে ষ্টাৰ নম্বৰসহ প্ৰথম বিভাগত আৰু পাঁচগৰাকীয়ে প্ৰথম বিভাগত উত্তীৰ্ণ হৈ ১০০ শতাংশ সফলতা অৰ্জন কৰিবলৈ সক্ষম হয়। আজি ৰূপহী আদৰ্শ জাতীয় বিদ্যালয়ৰ অধ্যক্ষা ভৱানী চেতিয়াই আঁত ধৰা সভাত ফুলাম গামোচাৰে কৃতি শিক্ষাৰ্থীসকলক সম্বৰ্ধনা জনাই আৰু মত বিনিময় অনুষ্ঠানৰ আয়োজন কৰে।

# উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ডুমডুমাৰ ফলাফল সন্তোষজনক

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ২৯ এপ্ৰিল ঃ** কালি অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদ (সংমণ্ডল-২) এ ঘোষণা কৰা ২০২৬ বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ডুমডুমা অঞ্চলৰ শিক্ষানুষ্ঠানসমূহৰ ফলাফল সন্তোষজনক হোৱা দেখা গৈছে। অৱশ্যে চৰকাৰী খণ্ডৰ শিক্ষানুষ্ঠানৰ তুলনাত এইবাৰো ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠানে উন্নত ফলাফল প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে। ডুমডুমা অঞ্চলৰ আগশাৰীৰ শিক্ষানুষ্ঠান ডনবস্কো চিনিয়ৰ চেকেণ্ডেৰী স্কুলৰ বিজ্ঞান শাখাত উত্তীৰ্ণৰ হাৰ এশ শতাংশ হোৱাৰ বিপৰীতে বাণিজ্য আৰু কলা শাখাৰ উত্তীৰ্ণৰ হাৰ ক্ৰমে ৯৭.৪১ শতাংশ আৰু ৯৪.৩৭ শতাংশ। বাণিজ্য শাখাত ৰাহুল পাণ্ডেই ৯৩ শতাংশ নম্বৰ লাভ কৰি বিদ্যালয়খনৰ ভিতৰত শ্ৰেষ্ঠত্ব অৰ্জন কৰে। আনহাতে কলা শাখাত প্ৰিয়াক্ষী বৰকটকীয়ে ৯১.০৮ শতাংশ আৰু বিজ্ঞান শাখাত কাব্য কল্প উপাধ্যায়ে ৮৭.২ শতাংশ নম্বৰ লাভ কৰি বিদ্যালয়খনৰ ভিতৰত শ্ৰেষ্ঠত্ব অৰ্জন কৰিবলৈ সক্ষম হয়। আনহাতে, ৰূপাই চাইডিঙত অৱস্থিত ৰিফ্লেকচন ভেলী চিনিয়ৰ চেকেণ্ডেৰী স্কুলেও এই বাৰ বিজ্ঞান আৰু কলা দুয়োটা শাখাতে এশ শতাংশ উত্তীৰ্ণৰে ডুমডুমালৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। বিদ্যালয়খনৰ পৰা বিজ্ঞান শাখাত বিনীত ঢাকালে ৯০.৪ শতাংশ আৰু কলা শাখাত চামিয়ানা গোঁহাইয়ে ৯০.৬ শতাংশ নম্বৰ লাভ কৰি উত্তীৰ্ণ হয়। ইপিনে কলা শাখাত ৰূপাই জাতীয় বিদ্যালয় আৰু ৰিফ্লেকচন চিনিয়ৰ চেকেণ্ডেৰী স্কুলেও এশ শতাংশ উত্তীৰ্ণৰে ডুমডুমালৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। ৰূপাই চাইডিঙতে অৱস্থিত আন এখন শিক্ষানুষ্ঠান লাৰ্ণাচ চিনিয়ৰ চেকেণ্ডেৰী স্কুলৰ বিজ্ঞান আৰু বাণিজ্য শাখাত উত্তীৰ্ণৰ হাৰ এশ শতাংশ হোৱাৰ বিপৰীতে কলা শাখাত উত্তীৰ্ণৰ হাৰ ৭৭.৭৭ শতাংশ। ডুমডুমা অঞ্চলৰ আন এখন আগশাৰীৰ শিক্ষানুষ্ঠান ছেইণ্ট মেৰীজ হায়াৰ চেকেণ্ডেৰী স্কুলৰ ফলাফলো সন্তোষজনক বুলিব পাৰি। উচ্চতৰ মাধ্যমিক পৰ্যায়লৈ উন্নীত হোৱাৰ পাছত এইবাৰ বিদ্যালয়খনৰ পৰা কলা শাখাত দ্বিতীয়বাৰৰ বাবে পৰীক্ষাত অৱতীৰ্ণ হোৱা শিক্ষাৰ্থীসকলৰ ৮৬.৩৬ শতাংশ উত্তীৰ্ণ হয়। ৰূপাই চাইডিঙত অৱস্থিত মডাৰ্ণ একাডেমী চিনিয়ৰ চেকেণ্ডেৰী স্কুলৰ কলা শাখাৰ উত্তীৰ্ণৰ হাৰ ৭৫ শতাংশ আনহাতে, ডুমডুমা চিনিয়ৰ চেকেণ্ডেৰী স্কুলৰ কলা শাখাৰ উত্তীৰ্ণৰ হাৰ ৬৯.২৩ক্ষ আৰু বাণিজ্য শাখাৰ উত্তীৰ্ণৰ হাৰ ৬২.৫ শতাংশ। ইপিনে চৰকাৰী খণ্ডৰ শিক্ষানুষ্ঠানসমূহৰ ভিতৰত ডুমডুমা মহাবিদ্যালয়ৰ বিজ্ঞান শাখাৰ উত্তীৰ্ণৰ হাৰ ৮২.৮৯ শতাংশ হোৱাৰ বিপৰীতে কলা আৰু বাণিজ্য শাখাৰ উত্তীৰ্ণৰ হাৰ ক্ৰমে ৮২.২১ শতাংশ আৰু ৭০.৩৯ শতাংশ। আনহাতে, ডুমডুমাৰ পিএমশ্ৰী হুনলাল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ কলা শাখাৰ উত্তীৰ্ণৰ হাৰ ৮৪.২২ শতাংশ। ডুমডুমা বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ কলা শাখাৰ উত্তীৰ্ণৰ হাৰ হৈছে ৬৮.৭৫শতাংশ। সামগ্ৰিকভাৱে পূৰ্বৰ তুলনাত এইবাৰ ডুমডুমা অঞ্চলৰ ফলাফল সন্তোষজনক বুলিব পাৰি। অনাগত দিনবোৰতো এই ধাৰা অব্যাহত ৰাখি আৰু অধিক সফলতা প্ৰাপ্তিৰ আশা কৰিছে অঞ্চলটোৰ সচেতন ৰাইজে।

# লাওঁখোৱা ৭ নং বগামুখৰ ১২ বছৰীয়া কিশোৰ নিৰুদ্দেশ; অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি

**অসম বাৰ্তা, লাওঁখোৱা, ২৯ এপ্ৰিল ঃ** নগাঁও জিলাৰ লাওঁখোৱা চাপৰি আৰক্ষী থানাৰ অন্তৰ্গত ৭নং বগামুখৰ পৰা ১২ বছৰীয়া কিশোৰ নিৰুদ্দেশ হোৱা ঘটনাই অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। আজি তিনিদিনেও সন্ধান নাই ৭নং বগামুখৰ ১২ বছৰীয়া কিশোৰ তাইজুল হকৰ। কিশোৰজনক ঘৰত থৈ পিতৃ-মাতৃ নগাঁৱৰ এখন চিকিৎসালয়লৈ গৈছিল, চিকিৎসালয়ৰ পৰা আহি দেখে তাইজুল আৰু ঘৰত নাই। পিতৃ মাতৃ তথা গাওঁবাসীয়ে আত্মীয় স্বজনৰ ঘৰত বিচাৰ খোচাৰ কৰিও তিনি দিনে তাইজুলৰ কোনো সন্ধান লাভ নকৰাত চিন্তিত হৈ পৰিছে তাইজুলৰ পৰিয়াল। তাইজুলক কাষত নাপাই শোকত ভাগি পৰিছে মাতৃ। কোনো সদাশয় ব্যক্তিয়ে যদি যদি ফটোত দেখা ১২ বছৰীয়া কিশোৰজনৰ কোনো সন্ধান লাভ কৰে তেন্তে লাওঁখোৱা চাপৰি আৰক্ষী থানা অথবা পৰিয়ালৰ লগত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে পৰিয়ালৰ লোকে। যোগাযোগ নম্বৰ ৯৩৯৫০১৬৮৫৩।

# জাঁজী মৰাণছিগা মধ্য ইংৰাজী বিদ্যালয়ৰ সফুঁৰা বৃত্তি পৰীক্ষাত ছাত্ৰ-ছাত্ৰীৰ সাফল্য

**সম বাৰ্তা, জাঁজী, ২৯ এপ্ৰিল ঃ** সদ্য ঘোষিত "সফুৰা" বৃত্তি পৰীক্ষাত ভগামুখ আদৰ্শ বিদ্যা মন্দিৰ পৰীক্ষা কেন্দ্ৰৰ পৰা অৱতীৰ্ণ হৈ শিৱসাগৰ জিলাৰ জাঁজী মৰাণছিগা মধ্য ইংৰাজী বিদ্যালয়ৰ ৯ গৰাকী ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হৈছে। তেওঁলোক হ'ল ক্ৰমে সম্প্ৰীতি দত্ত, অনুভূতি বৰগোহাঁই, দেৱজিৎ দাস, কিশোৰ বড়া, সুৱজিৎ বৰুৱা, বিশাল শইকীয়া, অভিজ্ঞান চেতিয়া, অৱনীতা দত্ত আৰু আয়ুস্মিতা বৰুৱা। ছাত্ৰ-ছাত্ৰী সকলৰ এনে সাফল্যত বিদ্যালয় শিক্ষক গোট আৰু অভিভাৱক/অভিভাৱিকাৰ লগতে অঞ্চলটোৰ স্থানীয় ৰাইজে সন্তুষ্টি প্ৰকাশ কৰিছে। উল্লেখ্য যে বিগত বৰ্ষতো বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী সকলে জিজ্ঞাস, নেৰিটচ আৰু সঁফুৰা বৃত্তি পৰীক্ষাত উত্তীৰ্ণ হৈ বিদ্যালয় খনৰ মান অক্ষুণ্ণ ৰাখিছিল।

# দৰঙৰ ঔতলা বেছিমাৰীত দেউল ভেটি, মগৰ প্ৰতিষ্ঠা, স্থায়ী দেউল গৃহৰ দ্বাৰ উন্মোচন

**অসম বাৰ্তা, মঙলদৈ, ২৯ এপ্ৰিল ঃ** দৰঙী কোচ ৰজা চন্দ্ৰনাৰায়ণৰ পৃষ্ঠপোষকতাত-যোল্লশ শতিকাত স্থাপিত ঐতিহ্যমণ্ডিত ঔতলা সত্ৰৰ পূৰ্বজ সত্ৰাধিকাৰ সকলৰ উদ্যোগত বেছিমাৰী শিল বুঢ়া গোসাঁই স্থানত ঔতলা সত্ৰৰে সৈতে সংযোজিত প্ৰায় দুশ বছৰ পূৰ্বে স্থাপিত ব'হাগ মাহত অনুষ্ঠিত দেউলৰ স্থায়ী গৃহ, দেউল ভেটি (বেদী) উন্মোচন আৰু মগৰ প্ৰতিষ্ঠা অনুষ্ঠান - আধ্যাত্মিক পৰিৱেশত ৰবিবাৰে ভক্তপ্ৰাণ ৰাইজৰ উপস্থিতিত আড়ম্বৰপূৰ্ণভাৱে সম্পন্ন হয়। বৰ ঔতলা সত্ৰৰ সত্ৰাধিকাৰ তথা উতলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক বিনোদ কুমাৰ গোস্বামী আৰু পৰিয়ালবৰ্গৰ উদ্যোগত প্ৰয়াত সত্ৰাধিকাৰ পিতৃ হেমচন্দ্ৰ গোস্বামী শাস্ত্ৰী, প্ৰয়াত মাতৃ দুৰ্গেশ্বৰী গোস্বামী আৰু জ্যেষ্ঠ ভাতৃ শিক্ষাবিদ প্ৰয়াত বহু কান্ত গোস্বামীৰ পবিত্ৰ স্মৃতিত দেউল ভেটি (বেদী), মগৰ প্ৰতিষ্ঠা আৰু দেউল গৃহ স্থায়ীভাৱে বেছিমাৰী গাঁওবাসী ৰাইজৰ সহযোগত নিৰ্মাণ কৰি ৰাইজৰ আশিষ ধন্য হয়। পুৰোহিতৰ মন্ত্ৰোচাৰণ, আয়তিৰ উৰুলি আৰু ভক্তপ্ৰাণ ৰাইজৰ হৰিধ্বনিৰে আমন্ত্ৰিত বিশিষ্ট ব্যক্তি সকলৰ উপস্থিতিত দেউল ভেটি (বেদী) আৰু মগৰ প্ৰতিষ্ঠা কৰা স্থায়ী দেউল গৃহৰ দ্বাৰ উন্মোচন কৰে ছিপাঝাৰ আঞ্চলিক পঞ্চায়তৰ সভাপতি জয়ন্ত কুমাৰ শৰ্মাই। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি বিশিষ্ট শিক্ষাবিদ, ঔতলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অবসৰপ্ৰাপ্ত বিষয় শিক্ষক, জ্ঞানম একাডেমী জুনিয়ৰ কলেজৰ অধ্যক্ষ ধনী ডেকাৰ সঞ্চালনাত অনুষ্ঠিত আধ্যাত্মিক সভাখনত কেইবাজনো বিজ্ঞ ব্যক্তিয়ে দৰঙী দেউলৰ তাৎপৰ্য আৰু লোক সংস্কৃতিৰ ক্ষেত্ৰখনত প্ৰভাৱ সম্পৰ্কে আলোকপাত কৰে। বেছিমাৰী গাঁও উন্নয়ন সমিতি তথ্য বেছিমাৰী শিৱ মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি নলিনী কুমাৰ চহৰীয়াই আঁত ধৰা সভাখনত টেঙাবাৰী গাঁও পঞ্চায়তৰ সভানেত্ৰী ভাৰতী দত্ত, মঙলদৈ আঞ্চলিক পঞ্চায়তৰ উপ-সভাপতি মিণ্টু চহৰীয়া, অসমীয়া প্ৰতিদিন কাকতৰ কলাইগাঁৱৰ জ্যেষ্ঠ সাংবাদিক ধ্ৰুৱ প্ৰসাদ চহৰীয়া, ঔতলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ধৰ্মেশ্বৰ ডেকা, বিশিষ্ট সমাজকৰ্মী, দণ্ডিৰাম ডেকা, সত্য গোস্বামী, তৰুণ গোস্বামী, ৰীণা দেবী, বিজেপিৰ দৰং জিলাৰ সভাপতি মকুণ্ড ডেকা, পশ্চিম মঙলদৈ মণ্ডল বিজেপিৰ সভাপতি জগদীশ ডেকা প্ৰমুখ্যে কেবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে। আনহাতে উদ্যোক্তাসকলে আমন্ত্ৰিত অতিথিসকলক আদৰণি জনোৱাৰ লগতে স্থায়ী দেউল গৃহৰ নিৰ্মাণ দাঁতা সত্ৰাধিকাৰ বিনোদ কুমাৰ গোস্বামীক এটি স্মাৰক, গামোচা, চেলেং চাদৰেৰে সম্বৰ্দ্ধনা জ্ঞাপন কৰে। আবেলি দলগাঁৱৰ আমন্ত্ৰিত উন্মনা ডেকা আৰু সংগীবৃন্দই মন্দিৰ চৌহদত নাগৰা নাম প্ৰদৰ্শন কৰে। অনুষ্ঠানটিৰ সফল সামৰণিত সত্ৰাধিকাৰ পৰিয়ালবৰ্গই বেছিমাৰী গাঁওবাসী ৰাইজৰ সহযোগিতাৰ বাবে কৃতজ্ঞতা স্বীকাৰ কৰে।

# জীৱনৰ পাঠ পঢ়িবলৈ বিশ্ববিদ্যালয়ৰ ডিগ্ৰীৰ প্ৰয়োজন নাই ঃ ড° অৱনী কুমাৰ ভাগৱতী




**অসম বাৰ্তা, নলবাৰী, ২৯ এপ্ৰিল ঃ** জীৱনৰ পাঠ পঢ়িবলৈ বিশ্ববিদ্যালয়ৰ ডিগ্ৰীৰ প্ৰয়োজন নাই। ইয়াৰ উদাহৰণ অম্বিকাগিৰী ৰায়চৌধুৰী, ৰঘুনাথ চৌধাৰী, বিষ্ণুবালা ৰাভা, যাদৱ পায়েঙ আৰু বহুতো বুলি মন্তব্য কৰে বিশিষ্ট ভূ-বিজ্ঞানী, গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভূগোল বিজ্ঞান বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক, নলবাৰী ৰত্ন ড° অৱনী কুমাৰ ভাগৱতীয়ে। আৰ্য সাহিত্য সভাৰ উদ্যোগত আজি দুপৰীয়া বিশিষ্ট সমাজকৰ্মী প্ৰয়াত কালিনাথ শৰ্মাৰ প্ৰথম মৃত্যু বাৰ্ষিকী উপলক্ষে অনুষ্ঠিত স্মৃতিচাৰণ আৰু সোঁৱৰণী গ্ৰন্থ উন্মোচনী সভাত উন্মোচক হিচাপে উপস্থিত থাকি ড° ভাগৱতীয়ে কয় যে প্ৰয়াত কালিনাথ শৰ্মাই তেওঁৰ বৰ্ণিল জীৱনৰ মাজেৰে সমাজ আৰু জাতিৰ বাবে উল্লেখনীয় বৰঙনি আগবঢ়াই যাবলৈ সক্ষম হৈছিল। সাম্প্ৰতিক সময়ত মানুহৰ ধন সম্পদ বৃদ্ধি হৈছে যদিও সমাজৰ পৰা হাঁহি আৰু বিশ্বাস ক্ৰমান্বয়ে হেৰাই যাবলৈ ধৰা সময়ত পৰিয়ালৰ সহযোগত আৰ্য সাহিত্য সভাই গ্ৰহণ কৰা এনেধৰণৰ ইতিবাচক কামে ক্ষয়িষ্ণু সমাজখনলৈ বিশেষ বাৰ্তা প্ৰেৰণ কৰিবলৈ সক্ষম হ'ব বুলি তেওঁ মন্তব্য কৰে। আৰ্য সাহিত্য সভাৰ সভাপতি তথা নলবাৰী মহাবিদ্যালয়ৰ অৱসৰী অধ্যক্ষ ড° দীপক কুমাৰ গোস্বামীয়ে পৌৰোহিত্য কৰা আৰু সহকাৰী সম্পাদক তপন তালুকদাৰে পৰিচালনা কৰা উন্মোচনী অনুষ্ঠানত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি নলবাৰী প্ৰেছক্লাবৰ সভাপতি, সাংবাদিক জিতেন শৰ্মাই কয় যে জীৱন সমৃদ্ধ হয় তেতিয়া, যেতিয়া সেই জীৱনে সমাজ-জাতি আৰু অন্য দহজনৰ জীৱন সমৃদ্ধ কৰে। সাংবাদিক গৰাকীয়ে সমাজহিতৈষী কালিনাথ শৰ্মাৰ জীৱনৰ ওপৰত আলোকপাত কৰি প্ৰকাশ কৰা তেওঁৰ স্মৃতিগ্ৰন্থখন এখন মূল্যৱান দস্তাবেজ ৰূপে বিবেচিত হ'ব বুলি মন্তব্য কৰে। আন এগৰাকী নিৰ্দিষ্ট বক্তা, বিশিষ্ট গল্পকাৰ বসন্ত কুমাৰ হালৈয়ে কালিনাথ শৰ্মাক এগৰাকী মানৱদৰদী আৰু সাংস্কৃতিকভাৱে সমৃদ্ধ ব্যক্তি বুলি অভিহিত কৰে। অনুষ্ঠানত বৰ্ষীয়ান অভিনেতা তথা স্মৃতিগ্ৰন্থ সম্পাদনা সমিতিৰ সভাপতি যতীন গোস্বামীয়ে লিখিত ভাষণ পাঠ কৰে। সভাপতি ড° দীপক কুমাৰ গোস্বামীয়ে বিভিন্ন সময়ত কালিনাথ শৰ্মাৰ সৈতে অতিবাহিত কৰা স্মৰণীয় মুহূৰ্তৰ স্মৃতিচাৰণ কৰে। উল্লেখযোগ্য যে প্ৰয়াত কালিনাথ শৰ্মাৰ সহধৰ্মিনী কণিকা দেৱীয়ে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা আৰু ভব্যা ভৰদ্বাজৰ মংগলাচৰণমেৰে আৰম্ভ হোৱা বিশেষ অনুষ্ঠানটিত গীত আৰু কবিতা পৰিবেশন কৰে ক্ৰমে অমূল্য প্ৰসাদ দাস, ৰুণুমী দেৱী গোস্বামী তথা মণিকা দেৱীয়ে। আৰ্য সাহিত্য সভাৰ সম্পাদক দিলীপ কুমাৰ ভট্টাচাৰ্যই শলাগৰ শৰাইৰে সামৰা অনুষ্ঠানটিত উপস্থিত থাকে আৰ্য সাহিত্য সভাৰ উপ-সভাপতি বিপুল কুমাৰ চক্ৰৱৰ্তী, বিশিষ্ট অভিনেতা বুবুল নায়ক, সমাজহিতৈষী সুৰেন্দ্ৰ নাথ গোস্বামী, অৱসৰী প্ৰধান শিক্ষক ৰমেন্দ্ৰ নাথ শৰ্মা, শিক্ষাবিদ অমৰ নায়ক, আৰ্য সাহিত্য সভাৰ প্ৰাক্তন সভাপতিদ্বয় অমূল্য প্ৰসাদ দাস আৰু নিৰঞ্জন গোস্বামী, জিতু শৰ্মা, প্ৰশান্ত শৰ্মা, হৰমোহন বৰ্মন, গোকুল শৰ্মা, তফজ্জুল হুছেইন, শিক্ষাবিদ কৰুণাকান্ত শৰ্মা প্ৰমুখ্যে বিভিন্নজন গুণমুগ্ধ আৰু কালিনাথ শৰ্মাৰ পৰিয়ালবৰ্গ।

# ডিব্ৰুগড়ৰ বৰবৰুৱা ছোৱালী হাইস্কুলত কানৈ কমাৰ্চৰ এন এছ এছৰ বিশেষ শিবিৰ

**অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ২৯ এপ্ৰিল ঃ** ডিব্ৰুগড়ৰ হনুমান বক্স সুৰজমল কানৈ কমাৰ্চ মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ উদ্যোগত ডিব্ৰুগড়ৰ বৰবৰুৱা বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ত এন এছ এছৰ বিশেষ শিবিৰত ২৮ এপ্ৰিল পৰা ৪ মে' লৈকে সাত দিনীয়া কাৰ্য্যসূচীৰে আৰম্ভ হয়। শিবিৰৰ প্ৰথম দিনাৰ কাৰ্যসূচী হিচাপে উদ্বোধনী অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে কানৈ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জয়দেৱ গগৈয়ে। পৰৱৰ্তী কাৰ্য্যসূচী হিচাপে এন এছ এছৰ স্বেচ্ছাসেৱকসকলে এন এছ এছ সংগীত পৰিবেশন কৰে। আদৰণি ভাষণত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° গগৈয়ে এন্ এছএছৰ গুৰুত্বৰ বিষয়ে আলোকপাত কৰি সমাজৰ দায়িত্বশীল আৰু শৃংখলাবদ্ধ যুৱ প্ৰজন্ম গঢ়ি তোলাত ইয়াৰ ভূমিকা সম্পৰ্কত ব্যক্তব্য দাঙি ধৰে। মুখ্য অতিথি হিচাপে উপস্থিত থাকি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ এন এছ এছ কোষৰ সহকাৰী কাৰ্য্যক্ৰম সমন্বয়ক ড° হিমাদ্ৰি বৰ্মণে স্বেচ্ছাসেৱকসকলক নিষ্ঠা আৰু আন্তৰিকতাৰ সৈতে সমাজ সেৱাত জড়িত হ'বলৈ উৎসাহিত কৰে। কানৈ বাণিজ্য মহাবিদ্যালয়ৰ জ্যেষ্ঠ সহযোগী অধ্যাপিকা ড° স্বপ্না নাথে "মহিলা সৱলীকৰণ" বিষয়ত ভাষণ প্ৰদান কৰি শিক্ষা আৰু সচেতনতাৰ ভূমিকা বৰ্ণনা কৰে। কানৈ কমাৰ্চ্চৰ সহকাৰী অধ্যাপক কেশৱানন্দ হালৈয়ে এন এছ এছৰ উদ্দেশ্য আৰু গুৰুত্বৰ বিষয়ে ভাষণ প্ৰদান কৰে। মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিশ্চয়তা কোষৰ সমন্বয়ক ড° লুকু মৰাঙে উপস্থিত সকলোকে এনে কাৰ্যসূচীত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ উৎসাহিত কৰে। শিবিৰৰ কাৰ্যসূচী আৰু বিভিন্ন কাৰ্যকলাপৰ বিষয়ে এন এছ এছ গোটৰ কাৰ্য্যক্ৰম বিষয়া ৰিয়া দাসে বিস্তৃতভাৱে ব্যাখ্যা কৰে। অনুষ্ঠানত উক্ত বিদ্যালয়ৰ প্ৰধান শিক্ষক বিশ্বজিত মালাকাৰেও ভাষণ আগবঢ়ায়। এন এছ এছৰ স্বেচ্ছাসেৱিকা জয়শ্ৰী বৰকাকতীয়ে সংগীত পৰিবেশন কৰে। স্বেচ্ছাসেৱক ৰিকি লালুং আৰু ঈশা পলে আঁতধৰা অনুষ্ঠানটোত উপস্থিত থাকে বিদ্যালয়ৰ শিক্ষকবৃন্দ তথা ভালেসংখ্যক ছাত্ৰী আৰু এন এছ এছৰ স্বেচ্ছাসেৱক সকল। উদ্বোধনী অনুষ্ঠানৰ পিছতেই স্বেচ্ছাসেৱক সকলে বিদ্যালয় চৌহদ আৰু দাঁতি কাষৰীয়া অঞ্চলত এক স্বচ্ছতা অভিযানত অংশগ্ৰহণ কৰি পৰিৱেশ পৰিষ্কাৰ, আবৰ্জনা সংগ্ৰহ আৰু স্থানীয় লোকসকলৰ মাজত পৰিচ্ছন্নতা আৰু স্বাস্থ্যবিধিৰ প্ৰতি সজাগতা বৃদ্ধি কৰে।

# অভয়াপুৰী মাকা একাডেমী উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত বিজ্ঞান শাখাত এশ শতাংশ উত্তীণ

**অসম বাৰ্তা, অভয়াপুৰী, ২৯ এপ্ৰিল ঃ** বিজ্ঞান শাখাত এশ শতাংশ উত্তীৰ্ণৰে উজলি উঠিল অভয়াপুৰীৰ ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান মাকা একাডেমীয়ে। বিদ্যালয় খনৰ পৰা ডিষ্টিংচন লাভ কৰি উত্তীৰ্ণ হল দৰিদ্ৰ পৰিয়ালৰ ছাত্ৰ মাজহাৰুল ইছলামে। পিতৃয়ে দৈনিক হাজিৰা কৰি পঢ়ুৱাইছিল পুত্ৰ মাজহাৰুলক। পুত্ৰৰ বাবে অসমবাসীৰ পৰা আৰ্শীবাদ বিচাৰিছে মাজহাৰুলৰ পিতৃয়ে। বিদ্যালয় খনৰ ছাত্ৰ-ছাত্ৰীয়ে এনে সাফল্যত উৎফুল্ল হৈ আতচ বাজি ফুটাই আনন্দত মতলীয়া হৈ পৰে। বিদ্যালয় খনৰ পৰা বিজ্ঞান শাখাৰ পৰীক্ষাত অৱতীৰ্ণ হৈছিল ১০১জন ছাত্ৰ-ছাত্ৰী। ইয়াৰে এজনে পালে ডিষ্টিংচন। দুজনে পালে ষ্টাৰ মাৰ্ক। ৫০ জনে পালে প্ৰথম বিভাগ। ৪৪ জনে পালে দ্বিতীয় বিভাগ। তৃতীয় স্থান পালে ৫ জনে। উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত মাকা একাডেমীৰ এনে সাফল্যত আনন্দত আত্মহাৰা হৈ বিদ্যালয় কৰ্তৃপক্ষই মেধাৱী ছাত্ৰ-ছাত্ৰীক ফুলাম গামছাৰে আদৰণী জনোৱাৰ লগতে মিঠাইবিতৰণ কৰে। সুন্দৰ ফলাফল দাঙি ধৰাৰ বাবে সমগ্ৰ অভয়াপুৰী অঞ্চলত বিশেষ ভাৱে চৰ্চিত হৈছে মাকা একাডেমী নামৰ শিক্ষানুষ্ঠান খনে।

# লখিমপুৰ জিলাৰ বেচৰকাৰী বিদ্যালয় বাধাকৰা ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত চমকপ্ৰদ ফলাফল প্ৰদৰ্শন




**অসম বাৰ্তা বিশেষ, বগীনদী, ২৯ এপ্ৰিল ঃ** ঘোষণা হ'ল উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফল। ফলাফল ঘোষণা হোৱাৰ লগে লগে ৰাজ্যৰ প্ৰতিখন বিদ্যালয়ত দেখা গ'ল উৎসৱমুখৰ পৰিৱেশ। এই আনন্দ-উচাহ মাজতে লখিমপুৰ জিলাৰ এখন বেচৰকাৰী বিদ্যালয়ে লাভ কৰিছে বিশেষ সাফল্য, আৰু হৈ পৰিছে চৰ্চাৰ কেন্দ্ৰবিন্দু। লখিমপুৰ জিলাৰ বাধাকৰা অঞ্চলস্থিত বাধাকৰা ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলে সদ্য ঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত ১০০ শতাংশ উত্তীৰ্ণ হাৰ লাভ কৰি অঞ্চলটোৰ বাবে গৌৰৱ কঢ়িয়াই আনিছে। পিছপৰা অঞ্চলটোত ২০০৫ চনত প্ৰতিষ্ঠা লাভ কৰা এই বিদ্যালয়খনে প্ৰতিষ্ঠাৰ পৰা শিক্ষাৰ ক্ষেত্ৰত সু-নাম অৰ্জন কৰি আহিছে। বিশেষকৈ বিনা বেতনেৰে শিক্ষাদান কৰি অহা এই বিদ্যালয়খনে ছাত্ৰ-ছাত্ৰীৰ উন্নত ফলাফলৰ জৰিয়তে পুনৰ এবাৰ নিজৰ দক্ষতা প্ৰমাণ কৰিছে। বিদ্যালয়খনৰ অধ্যক্ষা বৰ্ণালী হাজৰিকা আৰু উপাধ্যক্ষ অনন্ত বৰাৰ মতে, ২০২৬ বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত কলা শাখাৰ মুঠ ১১৫জন ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। তাৰে ভিতৰত ১ জনে ডিষ্টিংচন, ৬ জনে ষ্টাৰ, ৪০ জনে প্ৰথম বিভাগ, ৬৩ জনে দ্বিতীয় বিভাগ আৰু ৫ জনে তৃতীয় বিভাগ লাভ কৰি স ১১৫ জনেই উত্তীৰ্ণ হয়। এই ১০০ শতাংশ সফলতাই অঞ্চলটোলৈ নতুন দিশ সূচনা কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীৰ মাজত সৃষ্টি কৰিছে নতুন উৎসাহ আৰু প্ৰেৰণা। বিদ্যালয়খনৰ এই কৃতিত্বৰ বাবে অধ্যক্ষা, উপাধ্যক্ষ আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলৰ ত্যাগ আৰু নিষ্ঠাক অঞ্চলবাসী, বিভিন্ন দল-সংগঠন তথা সচেতন মহলে উষ্ম অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰিছে।

### নৃত্য হৈছে এক বিশ্বজনীন ভাষা ঃ ড° মাধুৰ্যমণ্ডিত বৰুৱা

# আউনীআটী বিশ্ববিদ্যালয়ত আন্তঃৰ্জাতিক নৃত্য দিৱস

**অসম বাৰ্তা, উজনী মাজুলী, ২৯ এপ্ৰিল ঃ** আউনীআটী বিশ্ববিদ্যালয়ৰ পৰিৱেশ্য কলা বিভাগৰ উদ্যোগত বিশ্ববিদ্যালয় খনত এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত আজি আন্তঃৰাষ্ট্ৰীয় নৃত্য দিৱস উদ্‌যাপন কৰা হয়। বিশ্ববিদ্যলয়ৰ পঞ্জীয়ক তথা পৰিৱেশ্য কলা বিভাগৰ মুৰব্বী অধ্যাপক ড° মাধুৰ্যমণ্ডিত বৰুৱাই প্ৰথমে আধ্যাত্মিক পৰিৱেশৰ মাজেৰে অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰাৰ পিছতেই বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° প্ৰকাশ জ্যোতি বৰঠাকুৰে আনুষ্ঠানিকভাৱে অনুষ্ঠানটো উদ্বোধন কৰে। অনুষ্ঠান উদ্বোধন কৰি দিয়া নিজ ভাষণত ড° বৰঠাকুৰে বিশ্ববিদ্যলয়ৰ শৈক্ষিক উৎকৰ্ষ আৰু নৱ-গৱেষণাৰ দিশত ছাত্ৰ-ছাত্ৰীসকলক মনোনিৱেশ কৰাৰ আহ্বান জনোৱাৰ লগতে জ্ঞান-অন্বেষণৰ জৰিয়তে নিজকে সমৃদ্ধ কৰাৰ বাবে অনুপ্ৰেৰণামূলক বক্তব্য ৰাখে। অনুষ্ঠানত আউনীআটী বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক, বিশিষ্ট সাহিত্যিক তথা ইতিহাসবিদ ড° মাধুৰ্যমণ্ডিত বৰুৱাই তেওঁৰ মননদীপ্ত ভাষণত উল্লেখ কৰে যে নৃত্য হৈছে এক বিশ্বজনীন ভাষা-যি ভাষা জাতি, জনগোষ্ঠী, বৰ্ণ, সম্প্ৰদায় আৰু সংস্কৃতিৰ সকলো সীমা অতিক্ৰম কৰে। তেওঁ কয় যে আমেৰিকা, ফ্ৰান্স বা চীনৰ নৃত্য যিয়েই নৃত্য কৰক, আমাৰ অসমৰ মানুহে সেই নৃত্যৰ সৌন্দৰ্য অনুভৱ কৰিব পাৰে; ঠিক তেনেদৰে আমাৰ মাটি-পানী-বায়ুৰে গঢ়ি উঠা সত্ৰীয়া পৰম্পৰাৰ নৃত্যও বিদেশীৰ মনত সমানেই অনুৰণন তোলে। নৃত্যত ভাষাৰ কোনো প্ৰাচীৰ নাই-ই হৃদয়ৰ এক গভীৰ প্ৰকাশ বুলি তেওঁ উল্লেখ কৰে। পৰিৱেশ্য কলা বিভাগৰ সহকাৰী অধ্যাপিকা অঞ্জলি বৰবৰা বৰঠাকুৰে আঁতধৰা অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা উপস্থাপিত মননশীল আৰু ৰসসিক্ত নৃত্য পৰিৱেশনে অনুষ্ঠানটো অধিক সজীৱ কৰি তোলে। অনুষ্ঠানত বিভাগটোৰ চতুৰ্থ ষান্মাষিকৰ ছাত্ৰ-ছাত্ৰীসকলে নৃত্য আৰু সংগীতৰ তত্ত্বভিত্তিক বিষয়সমূহৰ ওপৰত গৱেষণাধৰ্মী আলোচনা পত্ৰ উপস্থাপনে অনুষ্ঠানটিৰ গাম্ভীৰ্য আৰু বৌদ্ধিক গভীৰতা বৃদ্ধি কৰে। পৰিৱেশ্য কলা বিভাগৰ বিভাগীয় সমন্বয়ক জয়ন্ত শইকীয়াৰ বিশেষ তৎপৰতা আৰু দুৰ্গেশ্বৰ বৰুৱাৰ সহযোগিতাত আয়োজিত অনুষ্ঠানটোৰ সামৰণিত অঞ্জলি বৰবৰা বৰঠাকুৰে শলাগ জ্ঞাপন কৰাৰ পাছতে বিভাগটোৰ সহকাৰী অধ্যাপিকা ৰিতুস্মিতা ডেকাই গুৰুবন্দনা পৰিৱেশন কৰে। অনুষ্ঠানটোত বিশ্ববিদ্যালয়ৰ সমাজতত্ত্ব বিভাগৰ সহকাৰী অধ্যাপিকা তথা গৱেষণা শাখাৰ সমন্বয়ক আৰু প্ৰশাসনিক বিষয়া বীথিকা শইকীয়া, গ্ৰাম্য উন্নয়ন বিভাগৰ সহকাৰী অধ্যাপক তথা আভ্যন্তৰীণ মান নিৰূপণ কোষৰ উপ-সঞ্চালক মৌচুমী খনিকৰ, অসমীয়া বিভাগৰ সহকাৰী অধ্যাপকদ্বয় ড° অলি গগৈ আৰু কুঁকি বৰা, ৰাজনীতি বিজ্ঞান বিভাগৰ ড° কৈলাস প্ৰতিম হাজৰিকা, ইতিহাস বিভাগৰ সহকাৰী অধ্যাপক তথা বিশ্ববিদ্যালয়ৰ ছাত্ৰ কল্যাণ আৰু ক্ৰীড়া বিষয়া ড° ৰাজদ্বীপ বৰগোহাঞি, লোকবিদ্যা অধ্যয়ন বিভাগৰ সহকাৰী অধ্যাপক তথা এন ই পি সমন্বয়ক উপাসনা হাজৰিকা, সমাজতত্ত্ব বিভাগৰ মায়াশ্ৰী বৰগোহাঞি, পুথিভঁৰাল আৰু তথ্য বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক কৃষ্ণাজ্যোতি শইকীয়া, লোকবিদ্যা অধ্যয়ন বিভাগৰ সহকাৰী অধ্যাপক তথা পঞ্জীয়কৰ কাৰ্যালয়ৰ সংযোজক ৰিণ্টীৰাণী ভূঞা, শিক্ষাতত্ত্ব বিভাগৰ বৰ্ণালী নেওগ, পৰিৱেশ্য কলা বিভাগৰ প্ৰশিক্ষক অমিতাভ বৰদলৈ প্ৰমুখ্যে বিশ্ববিদ্যলয়ৰ সকলো অধ্যাপক-অধ্যাপিকা আৰু বিভিন্ন বিভাগৰ ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

## জ্যোতি বাৰিকক বিদায় সম্বৰ্ধনা

**অসম বাৰ্তা, উজনী মাজুলী, ২৯ এপ্ৰিল ঃ** শিশু উন্নয়ন প্ৰকল্প বিষয়া কাৰ্যালয়, মাজুলী কমলাবাৰীত সদ্য অৱসৰ প্ৰাপ্ত মুখ্য সেৱিকা জ্যোতি বাৰিকক বিদায় সম্বৰ্ধনা জনোৱা হয়। সেই উপলক্ষে আজি বিয়লি ১ বজাৰ পৰা প্ৰকল্প বিষয়াৰ কাৰ্যালয়ৰ সভাকক্ষত মাজুলীৰ এগৰাকী প্ৰসিদ্ধ লেখিকা, সমাজকৰ্মী লক্ষ্মীমাই শইকীয়া বৰাই সভাপতিত্ব কৰা সভাখনিত মাজুলী জিলা সাংবাদিক সংস্থাৰ প্ৰাক্তন সম্পাদক দিপু বৰাই জ্যোতি বাৰিক বিশ্বনাথ জিলাত জন্মগ্ৰহণ কৰিছিল যদিও কৰ্মসূত্ৰে মাজুলীৰ পৰিবেশত নিজকে খাপ খুৱাই সত্ৰৰ সত্ৰীয়া পৰম্পৰা, কৃষ্টি সংস্কৃতিৰ লগত একাত্ম হৈ পৰিছিল বুলি উল্লেখ কৰে। । ২০১৭ চনৰ পৰা কৰ্মৰত জ্যোতি বাৰিকে যোৱা ৩১ মাৰ্চ ২০২৬ তাৰিখে চৰকাৰী নিয়ম অনুসৰি অৱসৰ গ্ৰহণ কৰিছিল। উক্ত সভাখনিত শিশু উন্নয়ন প্ৰকল্প বিষয়া কাৰ্যালয়ৰ কৰ্মচাৰী মুখ্য সেৱিকা আৰতি ডেকা, পম্পী দত্ত, কনিষ্ঠ সহায়ক বলিন বৰা, খণ্ড সমন্বয়ক যদুমনি ভূঞাৰ লগতে কাৰ্যালয়ৰ প্ৰতিগৰাকী কৰ্মচাৰীয়ে তেখেতৰ কাৰ্যকালত জ্যোতি বাৰিকে কৰা সেৱাসমূহক অতি শ্ৰদ্ধাৰে সোঁৱৰে। আৱেগিক পৰিবেশৰ মাজেৰে সকলোৰে তেখেতৰ ভৱিষ্যত উজ্জ্বল কামনা কৰাৰ লগতে সু-স্বাস্থ্য কামনা কৰি সকলোৰে বিদায় সম্বৰ্ধনা জ্ঞাপন কৰে।

### ঠিকাদাৰ আৰু লোকনিৰ্মাণ বিভাগৰ লেহেমীয়া কামত অতিষ্ঠ হৈ ওলাই আহিল ৰাইজ; ঠিকাদাৰ গ' বেক ধ্বনিৰে প্ৰতিবাদ মহিলাৰ

# চাৰি বছৰে নিৰ্মাণ সম্পূৰ্ণ নহ'ল টংলা-ভেৰগাঁও পথৰ পৰা উদমাৰী সংযোগী মুঠ আঢ়ৈ কিলোমিটাৰ পকী পথ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ২৯ এপ্ৰিল ঃ** ওদালগুৰি জিলা লোকনিৰ্মাণ বিভাগৰ লগতে বিভাগীয় ঠিকাদাৰৰ অতি লেহেমীয়া পথ নিৰ্মাণ কাৰ্য্যৰ বিৰুদ্ধে ক্ষোভত আজি টংলা আৰু ভেৰগাঁৱৰ নিকটবৰ্তী উদমাৰি গাঁওবাসী ৰাইজে প্ৰতিকূল বতৰকো নেওচি ঘৰৰ পৰা ওলাই প্ৰতিবাদ সাব্যস্ত কৰা পৰিলক্ষিত হয়। উল্লেখ যে, টংলা আৰু ভেৰগাঁৱৰ নিকটবৰ্তী উদমাৰী এখন ঐতিহাসিক ভাবে লেখত লবলগীয়া ৰাজহ গাঁও। পিছে দেশে স্বাধীনতা লাভৰ পিছতো টংলা আৰু ভেৰগাঁৱলৈ যাতায়ত কৰিবলৈ এটা পকী পথ লাভ কৰা নাছিল যদিও অৱশেষত সমষ্টি পুনৰ নিৰ্ধাৰণৰ পূৰ্বে বিগত বিধান সভা নিৰ্বাচনত পানেৰী বিধান সভা সমষ্টিৰ বিধায়ক তথা অসম বিধান সভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰী বিধায়ক নিৰ্বাচিত হৈয়ে ওদালগুৰি জিলা লোকনিৰ্মাণ বিভাগৰ দ্বাৰা মুখ্যমন্ত্ৰীৰ পকী পথ নিৰ্মাণ আঁচনিৰ অধীনত ২০২২-২৩ বৰ্ষৰ উদমাৰীলৈ অহা যোৱা কৰা মূল পথটো পকীকৰণৰ বাবে আবণ্টিত হয় যদিও আজিলৈ পথটোৰ নিৰ্মাণ সম্পূৰ্ণ নহ'ল। প্ৰায় তিনি কোটি টকা ব্যয় সাপেক্ষে টংলা-ভেৰগাঁও পথৰ পৰা উদমাৰীলৈ যোৱা প্ৰায় আঢ়ৈ কিলোমিটাৰ দৈৰ্ঘ্যাৰ পথটো মুখ্য মন্ত্ৰীৰ পকী পথ নিৰ্মাণ আঁচনিৰ অধীনত চিত্তন বিশ্বাস নামৰ বিভাগীয় ঠিকাদাৰ নামত আবন্তিত হয় যদিও উক্ত পথটো চাৰি বছৰে নিৰ্মাণ সম্পূৰ্ণ নহ'ল। লোকনিৰ্মাণ বিভাগ আৰু ঠিকাদাৰৰ লেহেমীয়া আৰু দায়িত্ব জ্ঞানহীন কাম কাজত স্থানীয় ৰাইজ অতিষ্ঠ হৈ আজি ওলাই আহি প্ৰতিবাদ সাব্যস্ত কৰিবলৈ বাধ্য হৈছে। পথটো নিৰ্মাণৰ ক্ষেত্ৰত মাজে মাজে শিল বালি পেলাই ঠিকাদাৰ বহু মাহ কাম নকৰাকৈ বহি থাকে আকৌ মাজত সুবিধা পালেই অলপ মাটি, শিল আৰু বালি ছটিয়াই পকী পথ নিৰ্মাণৰ কাম এনেদৰে আধৰুৱা কৰি পেলাই থয় বুলি স্থানীয় ৰাইজে অভিযোগ কৰে। নিৰ্মীয়মান পথটোৰ ওপৰত কটা শিল পেলাই তাৰ ওপৰত বালি দিছিল যদিও বহু মাহ কাম নকৰাকৈ থোৱাৰ ফলত বালিবোৰ আঁতৰি যোৱাত কটা শিলবোৰ ওলাই পৰা সেই পথটোৰে দৈনিক শতাধিক ছাত্ৰ ছাত্ৰী আৰু স্থানীয় ৰাইজ বিশেষকৈ চাইকেল চলাই যাতায়ত কৰা সকলৰ বাবে সমস্যাৰ সৃষ্টি হয়। চাইকেল আৰু মটৰ চাইকেল চলাই যাতায়ত কৰা সকলৰ প্ৰায়ে চকা ফুটি বিদ্যালয় বা কলেজ যাব নোৱাৰা হয় বুলি ৰাইজে অভিযোগ কৰে। ৰাইজে উক্ত পথটো প্ৰাককলন আৰু আঁচনি অনুসৰি ৰূপায়ণ নকৰাৰ অভিযোগ কৰে। উক্ত পথটোত নিৰ্মাণ কৰিবলগীয়া এটা বক্স কালভাৰ্ত নিৰ্মাণৰ নামত ৰাইজক ঠিকাদাৰ আৰু লোকনিৰ্মাণ বিভাগে পণবন্দীৰ দৰে কৰাৰ অভিযোগ কৰিছে। যিহেতু উক্ত কালভাৰ্তটো খৰালী সময়ত নিৰ্মাণৰ কাম কৰিব লাগিছিল। কিন্তু এতিয়া বাৰিষা অহাৰ সময়ত ডোঙৰ পানী বান্ধি সৰু নলাৰে পানী এৰি অহাত ধান খেতিৰ বাবে পানীৰ অভাৱ হোৱাৰ আশংকা কৰিছে ৰাইজে। মাত্ৰ ২.৫ কিলোমিটাৰ পথটো নিৰ্মাণ কৰিবলৈ চাৰি বছৰে সক্ষম নোহোৱাত ঠিকাদাৰৰ কামত অতিষ্ঠ হৈ আজি স্থানীয় শতাধিক মহিলা আৰু পুৰুষ ওলাই আহি ঠিকাদাৰ গ'বেক, পথ নিৰ্মাণ সোনকালে কৰক, আমাৰ পথ আমাক লাগিব আদি শ্লোগান দি প্ৰতিবাদ সাব্যস্ত কৰে। পথটোৰ নিৰ্মাণ যদি অতি সোনকালে সম্পূৰ্ণ নকৰে তেন্তে ৰাইজে ৰাজ পথত তীব্ৰ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰিব বুলি ঘোষনা কৰে। এই ক্ষেত্ৰত সংশ্লিষ্ট বিভাগে কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া হব লক্ষণীয়।

# ডিমাকুচিত পি জি এছ বিষয়ত দুদিনীয়া প্ৰশিক্ষণ কাৰ্যসূচী ৰূপায়ণ

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ২৯ এপ্ৰিল ঃ** এছ ইউ এছ টি এ আই এন (SusTAIN ) প্ৰকল্পৰ অধীনত গ্ৰামিন ছাহাৰা (Grameen Sahara)ৰ উদ্যোগত আৰু ট্ৰেঞ্চফ্ৰম ট্ৰেড (Transform Trade)ৰ সহায়ত উদালগুৰি জিলাৰ ডিমাকুচিত পি জি এছ (Participatory Guarantee System) বিষয়ত এখন দুদিনীয়া প্ৰশিক্ষণ কাৰ্যসূচী সফলভাৱে অনুষ্ঠিত হয়। ২৪ আৰু ২৫ এপ্ৰিলত সদৌ বড়োলেণ্ড ক্ষুদ্ৰ চাহ খেতিয়ক সন্থা ( All Bodoland Small Tea Growers Association) ৰ প্ৰাঙ্গণত অনুষ্ঠিত এই প্ৰশিক্ষণৰ মুখ্য লক্ষ্য আছিল ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ মাজত পৰিৱেশ-অনুকূল আৰু স্থায়ী চাহ খেতিৰ পদ্ধতি উন্নত কৰা। এই পদক্ষেপে অসমত ক্ষুদ্ৰ চাহ খণ্ডত পি জি এছ মডেল প্ৰৱৰ্তনৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে। প্ৰশিক্ষণখন সঞ্চালনা কৰে অভিজ্ঞ সম্পদ ব্যক্তি নিৰ্জুমণি দত্ত ভৰালীয়ে, যি বিভিন্ন কৃষি খণ্ডত পি জি এছ ৰূপায়ণৰ ক্ষেত্ৰত সুপৰিচিত। অনুষ্ঠানত সন্মানীয় অতিথি হিচাপে ডেভিডচন ডাইমাৰীয়ে অংশগ্ৰহণ কৰে। টেংকীবস্তি আৰু সাধুবস্তিৰ ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ লগতে চি আৰ পি সকল আৰু কোকৰাঝাৰ-উদালগুৰি জিলাৰ এছ ইউ এছ টি এ আই এন (SusTAIN) প্ৰকল্পৰ দলসমূহে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে উল্লেখযোগ্যভাৱে, এই কাৰ্যসূচীয়ে বি টি চিৰ কোকৰাঝাৰ আৰু উদালগুৰি জিলাৰ বিভিন্ন অংশীদাৰক একেলগে আনিবলৈ সক্ষম হৈছে। প্ৰশিক্ষণৰ মূল উদ্দেশ্য আছিল পি জি এছ পদ্ধতিৰ জৰিয়তে ৰাসায়নিক চাহ খেতিৰ পৰা প্ৰাকৃতিক কৃষি পদ্ধতিলৈ যাবলৈ খেতিয়কসকলক উৎসাহিত আৰু সক্ষম কৰা। আলোচনাৰ মুখ্য বিষয়সমূহ আছিল প্ৰাকৃতিক কৃষি কৌশল, প্ৰমাণীকৰণৰ নিয়মাৱলী, মাটিৰ স্বাস্থ্য ব্যৱস্থাপনা, জীৱবৈচিত্ৰ্য সংৰক্ষণ আৰু খেতিয়ক-নেতৃত্বাধীন গুণগত মান নিশ্চিতকৰণ ব্যৱস্থা। অংশগ্ৰহণকাৰীসকলক PGS-ৰ বিষয়ে সমাজভিত্তিক প্ৰমাণীকৰণ ব্যৱস্থা হিচাপে পৰিচয় কৰোৱা হয়, যিয়ে সহ-সমীক্ষা আৰু স্থানীয় অংশগ্ৰহণৰ জৰিয়তে স্বচ্ছতা আৰু আস্থা বৃদ্ধি কৰে। দ্বিতীয় দিনটোত গোট গঠন, জৈৱ প্ৰমাণীকৰণ সূচক আৰু পৰিৱেশগত সাম্যতাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। খেতিয়কসকলক বহুমুখী ফচল ব্যৱস্থা গ্ৰহণ কৰিবলৈ আৰু একফচলীয় পদ্ধতি পৰিহাৰ কৰিবলৈ পৰামৰ্শ দিয়া হয়। লগতে জীৱামৃত, ব্ৰহ্মাস্ত্ৰ আৰু নিমাস্ত্ৰৰ দৰে প্ৰাকৃতিক উপাদান ব্যৱহাৰ কৰিবলৈ উৎসাহিত কৰা হয়। এই প্ৰশিক্ষণ কাৰ্যসূচীয়ে অংশগ্ৰহণকাৰীসকলৰ পৰা যথেষ্ট সঁহাৰি লাভ কৰে। বহু খেতিয়কে পি জি এছ গোট গঠন আৰু এই স্থায়ী পদ্ধতি গ্ৰহণৰ ক্ষেত্ৰত আগ্ৰহ প্ৰকাশ কৰে। এই উদ্যোগে ৰাসায়নিকমুক্ত চাহ উৎপাদন বৃদ্ধি কৰাৰ লগতে খেতিয়কসকলৰ জীৱিকা উন্নত কৰা আৰু অসমৰ চাহ উদ্যোগক পৰিৱেশ-বন্ধু ৰূপত গঢ়ি তোলাত সহায় কৰিব বুলি আশা প্ৰকাশ কৰা হৈছে।

# উচ্চতৰ মাধ্যমিকৰ ফলাফলত ৯৬.২ শতাংশ নম্বৰেৰে উজ্জ্বলি উঠিল মঙলদৈৰ সাগৰিকা ডেকা

**অসম বাৰ্তা, মঙলদৈ, ২৯ এপ্ৰিল ঃ** ৰাজ্যত ঘোষণা কৰা হ'ল উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফল। শিক্ষাৰ ক্ষেত্ৰত দৰিদ্ৰতা কেতিয়াও হেঙাৰ হ'ব নোৱাৰে, তাকে প্ৰতিপন্ন কৰি দেখুৱালে মঙলদৈৰ সাগৰিকাই। সদ্যঘোষিত উচ্চতৰ মাধ্যমিক শিক্ষান্ত ফলাফলত ৯৬.২ শতাংশ নম্বৰেৰে দৰঙলৈ গৌৰৱ কঢ়িয়াই আনিলে সাগৰিকা ডেকা নামৰ এগৰাকী মেধাবী ছাত্ৰীয়ে। সাগৰিকা ডেকা মঙলদৈৰ ৰঙামাটি অঞ্চলৰ বাসিন্দা দেবেন ডেকা আৰু গীতা ডেকাৰ কন্যা। সাগৰিকাই উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলত ইংৰাজী বিষয়ত ৯৭, অসমীয়াত ৯১, উদ্ভিদ বিজ্ঞানত ৯৯, ৰসায়ন বিদ্যাত ৯৭, পদাৰ্থ বিজ্ঞানত ৯৭ আৰু গণিত বিষয়ত ৮৫ নম্বৰ লাভ কৰিবলৈ সক্ষম হয়। সাগৰিকাৰ এই সফলতাত পিতৃ-মাতৃ আৰু পৰিয়ালবৰ্গৰ লগতে সমগ্ৰ অঞ্চলবাসী গৌৰৱান্বিত হৈপৰিছে। আনহাতে জীয়ৰীৰ সাফল্যৰ অতি সুখী অনুভৱ কৰি অনাগত দিনত আৰু ভাল প্ৰদৰ্শন কৰিব বুলি আশাবাদী পিতৃ-মাতৃ। সাগৰিকাই নগাওঁ স্থিত ৰামানুজন চিনিয়ৰ ছেকেণ্ডাৰী বিদ্যালয়ৰ পৰা উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হৈছিল। ভৱিষ্যতে এগৰাকী সমাজৰ বাবে ভাল মানুহ হোৱাৰ লগতে ডাক্তৰ হোৱাৰ সপোন পুহি ৰাখিছে সাগৰিকাই।

# ডিব্ৰুগড় জিলা আইনী সেৱা প্ৰাধিকৰণৰ উদ্যোগত 'পৰিৱেশ আইন আৰু প্ৰদূষণৰ প্ৰভাৱ' শীৰ্ষক সজাগতা সম্পন্ন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৯ এপ্ৰিল ঃ** ডিব্ৰুগড় জিলা আইনী সেৱা প্ৰাধিকৰণৰ উদ্যোগত 'পৰিৱেশ আইন আৰু প্ৰদূষণৰ প্ৰভাৱ' শীৰ্ষক সজাগতা সভাখনি আজি মোহনাঘাটস্থিত আমোলাপট্টি মধ্য অসমীয়া বিদ্যালয়ত অনুষ্ঠিত হয়। মাদ্ৰকদ্ৰব্য সেৱন আৰু ড্ৰাগছৰ কবলত পৰি সামাজিক বাতাৱৰণৰ শৃংখলা বিঘ্নিত হোৱাৰ লগতে উঠি অহা প্ৰজন্মলৈ ভাবুকি আনিছে। ড্ৰাগছৰ সৰবৰাহকাৰী আৰু সেৱনকাৰীক আৰক্ষীয়ে আটক কৰি আহিছে যদিও অজিও সামাজিক ব্যাধি হ্ৰাস হোৱা পৰিলক্ষিত হোৱা নাই। নিচাশক্ত এই মাৰাত্মক প্ৰাদুৰ্ভাৱ নিৰ্মূলৰ বাবে "ডন এ ড্ৰাগছ ফ্ৰী ভাৰত আঁচনি, ২০২৫-ৰ অধীনত 'পৰিৱেশ আইন আৰু প্ৰদূষণৰ প্ৰভাৱ' শীৰ্ষক সজাগতা সভাখনি সম্পন্ন হয়। স্থানীয় পি.এল.ভি. কৰ্মী প্ৰশান্ত শইকীয়াই আঁতধৰা সভাত কেইবাগৰাকীও সন্মানীয় ব্যক্তি উপস্থিত থাকে। এই সভাত সমল ব্যক্তিৰূপে শ্ৰীশ্ৰী অনিৰুদ্ধদেৱ একাডেমিৰ শৈক্ষিক মুৰব্বী তথা ডিব্ৰুগড় সাহিত্য সভাৰ উপ-সভাপতি যাদৱ গগৈয়ে সমল ব্যক্তি হিচাবে উপস্থিত থাকি- ড্ৰাগছ সেৱনৰ প্ৰৱণতাই সামাজিক সমস্যা সম্পূৰ্ণৰূপে নিৰ্মূল কৰিবলৈ হ'লে সমাজৰ সৰ্বসাধাৰণ ৰাইজক আগবাঢ়ি আহিবলৈ আহ্বান জনাই নতুন প্ৰজন্মৰ যুৱক-যুৱতীসকলে বেছিকৈ এই নিচাযুক্তৰ প্ৰতি আসক্ত হোৱাত ব্যাধি নিৰ্মূলৰ বাবে পৰিয়ালৰ লোকসকলে নিজৰ সন্তানৰ আচাৰ-ব্যৱহাৰ আৰু আচৰণ সন্দৰ্ভত সজাগ হোৱাৰ লগতে সমাজৰ সচেতন লোকসকলে সতৰ্কতা অৱলম্বন কৰিলেহে ইয়াৰ সমাধান সম্ভৱ হ'ব বুলি কয়। আনহাতে মাৰাত্মক ৰূপ ধাৰণ কৰা ড্ৰাগছৰ বেহা আৰু সেৱন সন্দৰ্ভত বৰবৰুৱা প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ আশা চুপাৰভাইজৰ মমী গগৈয়ে ছাত্ৰ-ছাত্ৰী সকলক কেইবাটাও গল্পৰ জৰিয়তে মাৰাত্মক ড্ৰাগছৰ ভয়াবহতাৰ বিষয়ে বক্তব্য ৰাখে। ড্ৰাগছ বিৰোধী অভিযান অব্যাহত থাকে যদিও নিষিদ্ধ ড্ৰাগছৰ প্ৰতি আসক্তি সমাজৰ বাবে বিষবাষ্প হৈ ঠিয় দিয়া বুলি উল্লেখ কৰি ছাত্ৰ-ছাত্ৰী সকলৰ অভিভাৱক আৰু শিক্ষক-শিক্ষয়ত্ৰী সকলৰ লগতে চুবুৰীয়া সকলোৰে সজাগতা আৰু সচেতনতাৰ জৰিয়তে এই ব্যাধি হ্ৰাস কৰিবলৈ সক্ষম হ'ব বুলি কয়। তেওঁ বিভিন্ন নিচাযুক্ত সামগ্ৰীৰ বিষয়ে উল্লেখ কৰি শেহতীয়াকৈ নৱ প্ৰজন্মৰ বাবে মোবাইল ফোনটো মাৰাত্মক ড্ৰাগছৰ দৰেই প্ৰভাৱ পেলাইছে বুলি গুৰুত্বপূৰ্ণ মন্তব্য কৰে। সভাত বিশিষ্ট অতিথি ৰূপে উপস্থিত থাকি আমোলাপট্টি মধ্য অসমীয়া বিদ্যালয়ৰ কৃতি শিক্ষক চন্দন ফুকনে ড্ৰাগছৰ ভয়াবহতাৰ আৰু নিৰ্মূলতাৰ সন্দৰ্ভত শিশুৰ পৰাই সজাগতা বৃদ্ধি কৰিব লাগিব বুলি কয়। এইক্ষেত্ৰত ডিব্ৰুগড় জিলা আইনী সেৱা প্ৰাধিকৰণে শিক্ষানুষ্ঠান সমূহত এনেদৰে সজাগতা সভা অনুষ্ঠিত কৰি যোগাত্মক পদক্ষেপ গ্ৰহণ কৰা বুলি কয়। সভাত ছাত্ৰ-ছাত্ৰী সকলৰ মাজত এই ব্যাধি নিৰ্মূলৰ ওপৰত সজাগতা বৃদ্ধিৰ প্ৰয়াস কৰি স্থলিতে সমল ব্যক্তি ভাষণৰ ওপৰত কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰি বিভাগীয় ফালৰ পৰা সন্মান প্ৰদান কৰা হয়। সভাত শতাধিক ছাত্ৰ-ছাত্ৰী লগতে শিক্ষক-শিক্ষয়িত্ৰী আৰু অভিভাৱক উপস্থিত থাকে।

### ৰাতিবিহুৰ মুকলি কৰিব মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই

# এহেজাৰ গৰাকী মৰাণ নাচনীৰ দ্বাৰা প্ৰদৰ্শিত হ'ব মৰাণ লগ বিহু

## ৫-৬ মে'ত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে ডুমডুমাৰ কৰ্দৈগুৰিত সদৌ মৰাণ ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডুমডুমা, ২৯ এপ্ৰিল ঃ** ১৯৬৮ চনৰ ৫ মে' তাৰিখে জন্মগ্ৰহণ কৰা ভূমিপুত্ৰ মৰাণ জনজাতিৰ মানস পুত্ৰ 'সদৌ মৰাণ ছাত্ৰ সন্থা' ই চলিত বৰ্ষত ৫৮টা বৰ্ষ পূৰ্ণ কৰিব। উল্লেখ্য যে, সদৌ মৰাণ ছাত্ৰ সন্থাই অসমৰ অন্যতম আদিম ভূমিপুত্ৰ মৰাণ জনগোষ্ঠীৰ কেউটা সংগঠনৰ সক্ৰিয় সহযোগত সৰ্বদিশতে অনগ্ৰসৰ মৰাণ জনজাতীয় সমাজখনৰ বিকাশৰ অৰ্থে অহৰহ প্ৰচেষ্টা চলাই অহাৰ সমান্তৰালভাৱে গোষ্ঠীগত সংকীৰ্ণতা নেওচি ৰাজ্যখন তথা উত্তৰ-পূৰ্বাঞ্চলৰ সকলো খিলঞ্জীয়া জাতি-জনগোষ্ঠীৰ সমমৰ্য্যাদা আৰু সমবিকাশৰ অৰ্থে বিভিন্ন বহুমুখী পদক্ষেপ গ্ৰহণ কৰি আহিছে। আজিৰ অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ সংমিশ্ৰিত সমাজ জীৱনত ঐক্যবদ্ধ শক্তিৰে আগুৱাই যোৱাৰ সমন্বিত যাত্ৰাৰ অপৰিহাৰ্যতাক ধিয়াই উদ্‌যাপন কৰিবলৈ লোৱা সদৌ মৰাণ ছাত্ৰ সন্থাৰ ৫৮ সংখ্যক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱসটি কেৱল মৰাণ জনজীৱনৰ বাবেই নহ'য়, বৰঞ্চ সকলো ভূমিপুত্ৰৰ বাবেই প্ৰাসংগিক। সদৌ মৰাণ ছাত্ৰ সন্থাৰ উদ্যোগত আৰু সদৌ মৰাণ ছাত্ৰ সন্থাৰ তালাপ-কৰ্দৈগুৰি আঞ্চলিক সমিতিৰ আতিথ্যত চাহ নগৰী ডুমডুমাৰ নিলগৰ কৰ্দৈগুৰিৰ বৰগড়া গাঁও ৰাজহুৱা খেলপথাৰ (শ্ৰীশ্ৰী নৰসিংহভূজ সমন্বয় ক্ষেত্ৰ)ত অহা ৫ আৰু ৬ মে' তাৰিখে দুদিনীয়া বিস্তৃত তথা বৰ্ণাঢ্য কাৰ্যসূচীৰে সন্থাৰ ৫৮ সংখ্যক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱসটি উদযাপনৰ দিহা কৰা হৈছে। কাৰ্যসূচী অনুসৰি, ৫ মে'ৰ পুৱা ৯ বজাত শ্ৰীশ্ৰী নৰসিংহভূজ সমন্বয় ক্ষেত্ৰৰ উদ্বোধন কৰিব সদৌ মৰাণ ছাত্ৰ সন্থাৰ তালাপ-কৰ্দৈগুৰি আঞ্চলিক সমিতিৰ প্ৰতিষ্ঠাপক সভাপতি প্ৰদীপ কুমাৰ মৰাণে। ৯-৩০ বজাত পতাকা উত্তোলন কৰিব সদৌ মৰাণ ছাত্ৰ সন্থাৰ সভাপতি পলিন্দ্ৰ বড়াই। ১০ বজাত শ্বহীদ তৰ্পণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰিব সন্থাৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক জয়কান্ত মৰাণে। তাৰ পিছতে আৰ্হি মৰাণ ঘৰ উদ্বোধন কৰিব তিনিচুকীয়া জিলাৰ অতিৰিক্ত উন্নয়ন আয়ুক্ত জাভেদ আৰমানে। আনহাতে গ্ৰন্থমেলা, বিপণী আৰু প্ৰদৰ্শনী দ্বাৰ উন্মোচন কৰিব কৰ্দৈগুৰি জ্যেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ৰূপামণি বৰগোহাঁয়ে। মূল মঞ্চ উদ্বোধন কৰিব সদৌ মৰাণ ছাত্ৰ সন্থাৰ উপদেষ্টা থুলেশ্বৰ চেতিয়াই। ইয়াৰোপৰি জুবিন গাৰ্গ সংগীত প্ৰতিযোগিতা, মৰাণ ঢোল বাদন প্ৰতিযোগিতা, মৰাণ বিহু গীত প্ৰতিযোগিতাৰ উদ্বোধন কৰিব সংস্কৃতি সাধক জিতু গোস্বামীয়ে। আনহাতে 'জ্ঞানদীপ শৈক্ষিক অনুষ্ঠান'ৰ উদ্বোধন কৰিব তিনিচুকীয়া জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক মায়ং কুমাৰে। অনুষ্ঠানটোৰ সঞ্চালনা কৰিব ডুমডুমা বীৰ ৰাঘৱ মৰাণ চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অমৰজিৎ শইকীয়াই। অনুষ্ঠানত আদৰণী ভাষণ প্ৰদান কৰিব সদৌ মৰাণ ছাত্ৰ সন্থাৰ উপদেষ্টা টিকেন্দ্ৰজিৎ গোহাঁয়ে। অনুষ্ঠানত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰিব ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শিক্ষাতত্ত্ব বিভাগৰ প্ৰবক্তা ড° প্ৰাঞ্জল বুঢ়াগোহাঁই, অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ সচিব ডাঃ নাৰায়ণ শৰ্মা আৰু জ্যেষ্ঠ সাংবাদিক, অধিবক্তা দীপক শৰ্মাই। বিয়লিলৈ মৰাণ জনগোষ্ঠীৰ পৰম্পৰাগত গছতলৰ বিহু প্ৰদৰ্শন কৰা হ'ব। ইয়াৰ উদ্বোধন কৰিব অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ সঞ্চালক বাবুল চন্দ্ৰ দাসে। সন্ধিয়া ৫ বজাত জনগোষ্ঠীয় সাজপাৰ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। সন্ধিয়া ৬ বজাত অনুষ্ঠিত হ'বলগীয়া বিদায় সম্বৰ্দ্ধনা অনুষ্ঠানত সদৌ মৰাণ ছাত্ৰ সন্থাৰ প্ৰাক্তন বিষয়বীয়া/সদস্যক বিদায় সম্বৰ্দ্ধনা জনোৱা হব। সন্ধিয়া ৭ বজাৰ পৰা অনুষ্ঠিত হ'ব সাংস্কৃতিক সন্ধিয়া। উদ্বোধন কৰিব মৰাণ স্বায়ত্তশাসিত পৰিষদৰ অধ্যক্ষ ধৰ্মেন্দ্ৰ নেওগে। দ্বিতীয় দিনা অৰ্থাৎ ৬ মে'ৰ পুৱা ৯ বজাত সমূহীয়া গছপুলি ৰোপণ কাৰ্যসূচীত মুখ্য ৰোপক হিচাপে অংশগ্ৰহণ কৰিব ডুমডুমাৰ ৰাজহ চক্ৰ বিষয়া নৱজ্যোতি চহৰীয়াই। ১০ বজাত বাৰেবৰণীয়া সমন্বয়ৰ সাংস্কৃতিক শোভাযাত্ৰাৰ উদ্বোধন কৰিব তিনিচুকীয়া জিলা পৰিষদৰ সভাপতি ভাদেশ্বৰ মৰাণে। ১১ বজাত এহেজাৰগৰাকী মৰাণ নাচনীৰ দ্বাৰা মৰাণ লগ বিহু প্ৰদৰ্শন আৰু জনগোষ্ঠীয় সংস্কৃতি প্ৰদৰ্শন কৰা হ'ব। দুপৰীয়া ১২-৩০ বজাৰ পৰা অনুষ্ঠিত হ'বলগীয়া মুকলি সভাৰ উদ্বোধন কৰিব সদৌ মৰাণ ছাত্ৰ সন্থাৰ উপদেষ্টা সুখেন নেওগে। সন্থাৰ সভাপতি পলিন্দ্ৰ বড়াৰ সভাপতিত্বত অনুষ্ঠিত হ'বলগীয়া উক্ত মুকলি সভাত আদৰণী ভাষণ প্ৰদান কৰিব অভ্যৰ্থনা সমিতিৰ সভাপতি ফটিক মৰাণে। সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° জিতেন হাজৰিকা আৰু অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামী। নিৰ্দিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰিব সদৌ মৰাণ ছাত্ৰ সন্থাৰ প্ৰাক্তন সভাপতি বিৰিঞ্চি নেওগে। মুকলি সভাতেই স্মৃতিগ্ৰন্থ 'কৰ্দৈগুৰি' উন্মোচন কৰিব অসম পশুধন উন্নয়ন নিগমৰ সঞ্চালক জ্যোতিমণি মৰাণে আৰু সদৌ মৰাণ ছাত্ৰ সন্থাৰ বাৰ্ষিক মুখপত্ৰ 'গান্ধৈ' উন্মোচন কৰিব অসম বিদ্যুৎ সংবহন নিগম লিমিটেডৰ সঞ্চালক তৰুণ বৰুৱা মৰাণে। নিশা ৮ বজাত মৰাণ জনজাতিৰ অনন্য কৃষ্টিৰ সম্ভাৰ পৰম্পৰাগত 'ৰাতিবিহু'ৰ উদ্বোধন কৰিব মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। অনুষ্ঠানত ৰাজ্যৰ মন্ত্ৰী, বিধায়ক, ৰাজনৈতিক দলৰ নেতা, দল-সংগঠনৰ নেতা, সাংবাদিক, অভিনেত্ৰী উপস্থিত থাকিব বুলি অভ্যৰ্থনা সমিতিয়ে জানিবলৈ দিয়াৰ লগতে অনুষ্ঠানৰ দুয়োটা দিনৰ সমূহ কাৰ্যসূচীত সকলো অনুষ্ঠান-প্ৰতিষ্ঠান, অগ্ৰণী মহল, সংবাদসেৱী, জাতীয়-জনগোষ্ঠীয় দল-সংগঠন নিৰ্বিশেষে ৰাইজৰ দিহা-পৰামৰ্শ, সহায়-সহযোগিতা কামনা কৰিছে অভ্যৰ্থনা সমিতিয়ে।

# ৯৫ শতাংশ নম্বৰ লাভ কৰি মাজুলীলৈ গৌৰৱ কঢ়িয়াই আনিছে কমলাবাৰীৰ বৃষ্টিৰেখা চৌধুৰীয়ে

**অসম বাৰ্তা, উজনী মাজুলী, ২৯ এপ্ৰিল ঃ** কালি ঘোষণা কৰা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলত তিতাবৰৰ কনচেপ্ট জেষ্ঠ মাধ্যমিক বিদ্যালয়ৰ পৰা কমলাবাৰী নিবাসী কৃষ্ণ চৌধুৰী আৰু তৰুলতা চৌধুৰীৰ জেষ্ঠ কন্যা বৃষ্টিৰেখা চৌধুৰীয়ে আটাইকেইটা বিষয়ত লেটাৰ নম্বৰ সহ কলা বিভাগত ৯৫ শতাংশ নম্বৰ লাভ কৰি উত্তীৰ্ণ হৈ মাজুলীৰ লগতে কমলাবাৰীলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। কমলাবাৰী বিবেকানন্দ কেন্দ্ৰ বিদ্যালয়ৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ তিতাবৰস্থিত কনচেপ্ট জুনিয়ৰ কলেজত উচ্চতৰ মাধ্যমিকত নামভৰ্তি কৰিছিল। সৰুৰে পৰা অতি তীক্ষ্ণ মেধাসম্পন্ন ছাত্ৰী গৰাকীয়ে কবিতা আবৃত্তি, অভিনয় আৰু নৃত্যৰ বিষয়তো পাৰ্গত আছিল। ছাত্ৰী গৰাকীয়ে ইংৰাজী বিষয়ত ৯০, ঐচ্ছিক ইংৰাজী ৯৫, অৰ্থনীতি বিষয়ত ৯৯, ভূগোল ৯৯, দৰ্শনত বিষয়ত ৯২, শিক্ষাতত্ত্ব বিষয়ত ৯১, মুঠ ৫০০ নম্বৰৰ ভিতৰত ৪৭৫ নম্বৰ লাভ কৰিবলৈ সক্ষম হৈছে। বৃষ্টিৰেখাৰ এনে সফলতাৰ বাবে কমলাবাৰীৰ লগতে সমগ্ৰ মাজুলীবাসী গৌৰৱান্বিত হৈ পৰিছে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☏ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • • Facebook : \asombarta • • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন